R[illegible]FERENCE,
( NO[illegible] FOR ISSUE )
READING ONLY IN[illegible]

# Assam
# Legislative Assembly
# Debates

*OFFICIAL REPORT*

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

VO-I

No-7

**The 29th, March 1989**

Price Rs.—27·26.

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INS

# COTENTS

Budget Session

Volume—I No. 7

Dated, the 29th March, 1989

Page


| | | |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Calling Attention Notice | 63 |
| 3. | Matter Under Rule 301 | 65 |
| 4. | Introduction of Government Bill | 68 |
| 5. | Laying of Reports, Rules, Statement etc. | 69 |
| 6. | General Discussion on the Budget | 70 |
| 7. | Adjournment | 111 |
| 8. | Annexure | 112 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, March 29, 1989

The House met at Nine A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

### STARRED
### QUESTIONS & ANSWERS
( To which oral answers were given )

**বিষয় ঃ গুৱাহাটীৰ পথত চেমি ডেন্স কাৰ্পেটিং**

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে ঃ

*১০১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী শুক্ৰেশ্বৰৰ পৰা উচ্চ ন্যায়ালয়লৈ পথ চোৱা আৰু জু-নাৰেঙ্গী (গীতা নগৰ) পথ চোৱা "চেমি ডেন্স কাৰ্পেটিং" কৰা হৈছে নেকি আৰু যদি হৈছে কেতিয়া ?

(খ) "চেমি ডেন্স কাৰ্পেটিং" কৰা উক্ত দুইছোৱা পথ প্ৰত্যেকৰে দৈৰ্ঘ্য কিমান ?

(গ) নিৰিদা মতে 'ৰেট' কিমান আৰু প্ৰাককালত ব্যয় কিমান ?

(ঘ) উক্ত দুইচোৱা পথত "চেমি ডেন্স কাৰ্পেটিং"ৰ কাম কোন ঠিকাদাৰক দিয়া হৈছিল ? ( তেওঁলোকৰ নাম আৰু ঠিকনা দিব )

(ঙ) উক্ত ঠিকাদাৰ সকলৰ উক্ত কাম প্ৰকৃততে কি ৰেটত কৰিবলৈ দিয়া হৈছিল আৰু চূড়ান্ত বিলমতে মুঠ ব্যয় কিমান হৈছিল ? ( দুইচোৱা পথৰ হিচাব সুকীয়াকৈ দিব )।

শ্রীঅতুল বৰা (গড় কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী শুক্লেশ্বৰৰ পৰা উচ্চ ন্যায়ালয়লৈ পথ চোৱা ইং ১০/১১/৮৮ তাৰিখৰ পৰা ৫/১২/৮৮ তাৰিখৰ ভিতৰত "চেমি ডেন্স কাৰ্পেটিং কৰা হয়। কিন্তু জু-নাৰেঙ্গী (গীতা নগৰ) পথ চোৱাত চেমি ডেন্স কাৰ্পেটিং কৰা হোৱা নাই।

(খ) "চেমি ডেন্স কাৰ্পেটিং" কৰা উক্ত পথ চোৱাৰ দৈৰ্ঘ্য ১৩০৯.৫০ মিটাৰ।

(গ) "চেমি ডেন্স কাৰ্পেটিং" কৰা উক্ত পথ চোৱাৰ নিৰিদাৰ হাৰ প্ৰতি বৰ্গমিটাৰত ৬৬.০০ টকা আৰু সেই অনুপাতে প্ৰাককলিত ধনৰ পৰিমান ১০.৫০ লক্ষ টকা।

(ঘ) গুৱাহাটীৰ শুক্লেশ্বৰৰ পৰা উচ্চ ন্যায়ালয়লৈ "চেমি ডেন্স কাৰ্পেটিং"ৰ কাম শ্ৰীজি এল আগৰৱালা, জি, এছ, ৰ'ড, উলুবাৰী, গুৱাহাটী-৭ ক দিয়া হৈছিল। জু-নাৰেঙ্গী পথত এতিয়াও কামৰ আবণ্টন কৰা হোৱা নাই।

(ঙ) এই পথ চোৱা উক্ত ঠিকাদাৰজনক প্ৰতি বৰ্গ মিটাৰত প্ৰকৃততে ৫৪.০০ টকাকৈ কৰিবলৈ দিয়া হৈছিল। চুড়ান্ত দেয়ক এতিয়ালৈ দিয়া হোৱা নাই।

শ্ৰীদীনবন্ধু চৌধুৰী ঃ অধ্যক্ষ মহোদয়, 'গ' প্ৰশ্নত বিভাগীয় নিৰিদাৰ ৰেট কিমান ধৰা হৈছিল সেই কথাহে সোধা হৈছিল। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে ঠিকাদাৰে দিয়া ৰেটৰ কথাহে উত্তৰ দিলে। মই শুধিছিলো বিভাগীয় ৰেটৰ কথাহে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৩৪.৬০ টকা বুলি কোৱা হৈছে।

শ্ৰীদীনবন্ধু চৌধুৰী ঃ অধ্যক্ষ মহোদয়, নিবিদা কিমানজন ঠিকাদাৰে দিছিল, কোনে কোনে দিছিল আৰু কি কি ৰেট দিছিল মন্ত্ৰী মহোদয়ে জনাব পাৰিবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আচলতে কোনে কোনে নিবিদা দিছিল নাম বিলাক কব পৰা নহব কিন্তু কিমানে দিছিল সেইটো কব পৰা হব। কিন্তু আমাৰ বিভাগৰ পৰা প্ৰতি বৰ্গ মিটাৰত ৩৩.৬০ টকা ধৰি দিয়া হৈছিল। কিন্তু পিচত সেই ৰেটটোও নিগোচিয়েট কৰা হৈছে আৰু সেইমতে দিয়া হৈছে।

Re : Market Committee Godown at Mankachar.

Shri Aminul Islam asked :

*102. Will the Minister, Agriculture be pleased to state :

(a) Is it a fact that the roof of the Regulated Market Committee Godown at Mankachar (Under Gouripur Market Committee) was damaged by the strom ?

(b) If so, whether any step has been taken to repair the damaged Godown by the Government ?

Shri Deba Kumar Bora (Minister of Agriculture) replied :

(a) Yes, a part of the roof was damaged.

(b) Yes, the Gouripur Market Committee has been instructed by the Assam State Agricultural Marketing Board, Guwahati-5 to repair the damaged portion at an early date.

Shri Aminul Islam : Sir, I have six supplementary questions. (1) In which year and month the roof of the godown was damaged first ? (2) Whether the officer-in-charge of the godown reported the matter to the authority concerned immediately after the damage occurred ? (3) If yes, why the authority concerned did not take measures to repair the damage in time ? (4) Is it a fact that though at the first instance, the damage done to the roof was not extensive, but due to non-attention and indifferent attitude of the committee authority, the entire C. I. Sheet roofing is now at the verge of total destruction ? (5) Will the Minister take action against the defaulting officer/officers, for whose negligence the additional damage

caused to the C. I. sheet roofing ? (6) On which date the Assam State Agricultural Marketing Board has issued instruction to Gauripur Market Committee to repair the damaged portion of the road ?

Shri Deba Kumar Bora (Minister) : Hon'ble Speaker, Sir, the Hon'ble member has raised so many supplementary questions. I will try to give a compact answer. The Mankachar sub-market yard is under control and supervision of the Gouripur Market Committee. A portion of the roof of the godown was damaged in January, 1988. The damage is of minor nature. Only a few C. I. sheets of the roof has been damaged. For late damaged report from Gouripur Market Committee, the repairing could not be done in time. However, now the Gouripur Market Committee has been instructed to take necessary steps to repair the damaged portion at an early date.

Shri Aminul Islam : Sir, Whether the Hon'ble Minister assure that the repair works will be done at all ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীয়ে যিটো কথা দৃষ্টি গোচৰ কৰাইছে সেইটো বিষয়ৰ ওপৰত চৰকাৰে ব্যৱস্থা ল'ব।

বিষয় : Plantation Labour Act.

শ্ৰীনৰেন তাঁতীয়ে সুধিছে :

*১০৩। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) Plantation Labour Act. খন সংশোধন কৰাৰ বিষয়ে চৰকাৰে কোনো ব্যৱস্থাৰ কথা চিন্তা কৰিছে নেকি ?

(খ) যদি কৰিছে কেনেকুৱা ব্যৱস্থাৰ চিন্তা কৰা হৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম ও নিয়োগ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) কৰিছে।

(খ) ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনখনৰ বৰ্ত্তমানত থকা কেতবোৰ ধাৰা সংশোধন কৰিবৰ বাবে চৰকাৰী ভাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ইতিমধ্যে প্ৰস্তাৱ দিয়া হৈছে, যিহেতু এই আইনখনৰ সংশোধনী ক্ষমতা কেন্দ্ৰৰহে। প্ৰস্তাৱ সমূহ কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা মতে পৰিশিষ্ট 'ক'ত সংলগ্ন কৰি সদনৰ মজিয়াত ৰখা হৈছে। ( See the Proposals at Annexure I )

শ্ৰীনবেন তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আইনখনৰ কথা কৈছে কিন্তু এই প্লেনটেচন লেবাৰ এক্টত কি কি ধাৰা আছে সেইটো খৰছি মাৰি আমাক কলে আমি বুজিব পাৰো। গতিকে মন্ত্ৰী মহোদয়ে এই আইনখনৰ বিষয়ে ধাৰাবিলাক জনাই দিব নে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সদনৰ মেজত গোটেই ধাৰাবিলাক ৰখা হৈছে। আমি কি কি সংশোধন বিচাৰিছো সেইখিনিও সদনৰ মজিয়াতে দাখিল কৰিছো। মাননীয় সদস্য সকলৰ এই সম্পৰ্কত আৰু কিবা পৰামৰ্শ থাকিলে প্ৰস্তাৱ হিচাবে আমাক দিলে আমি তদ্ৰূপ সংশোধনীৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ পঠাবলৈ বাধ্য থাকিম।

শ্ৰীনবেন তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, এই ধাৰাবিলাক ৰিকমেণ্ড কৰা হ'ল নে নাই ? কিয়নো এই আইনখন কেন্দ্ৰীয় চৰকাৰে সংশোধন কৰিব। এইবাৰ চলিত লোকসভাৰ অধিবেশনতে আইনখন সংশোধনী কৰাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়,মাননীয় সদস্য গৰাকীয়ে ভাল কথাই কৈছে। প্ৰস্তাৱ সমূহ আমাৰ ফালৰ পৰা ১৬।৩।৮৯ তাৰিখলৈ কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছো।

শ্ৰীচিলভিয়াছ কন্দপাণ্ড : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নকৰ্ত্তা তাঁতী ডাঙৰীয়াই ঠিক কথাই কৈছে যে বৰ্ত্তমান লোক সভাৰ অধিবেশন চলি আছে। তাত এই প্ৰস্তাৱিত সংশোধনী আহিব বুলি আমিও খবৰ লৈছো। এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বৰ্ত্তমান বিবেচনাধীন হৈ থকা পৰিপ্ৰেক্ষিতত মন্ত্ৰী মহোদয়ে তেখেতৰ বিয়য় ববিয়াসকলক এইটো চোৱা-চিতা কৰিবলৈ ব্যৱস্থা লৰলৈ কৈছে নেকি ?

**শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, সেই বিষয়ে নিশ্চয় কোৱা হব।

Shri A. F. Gulam Osmani : Mr. Speaker, Sir, I have got a supplementary. Sir, Assam is in the labour map of India because of its tea industry but whether the Minister, Labour is aware that his Labour Directorate has no up-to-date data with regard to the industry as well as the labourers engaged in it ? Sir, despite repeated attempts to get the number of labourers—both regular and casual—engaged in tea Estates and the percentage of the casual labourers made permanent was not made available in the House since last two years. So, Sir, I request the Hon'ble Minister to see that in subsequent questions when these matters are raised the actual position of the labourers of the Tea Estates as well as the percentage of casual labourers made permanent and its ratio is made available to the House.

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে নিশ্চয় অন্য এটা প্ৰশ্ন কৰিলে আমি বিভাগত কি আছে মাননীয় সদস্য গৰাকীক জনাবলৈ সক্ষম হম।

শ্ৰীদীলেশ্বৰ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, যিখন বাগিছাত বন্নুৱা আইন সংশোধনীৰ কাৰণে দিয়া হৈছে, তাত শিক্ষা সম্পৰ্কীয় কোনো কথাই নাই। আমি জনাত বাগিছা বন্নুৱা আইনখনত প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাহে আছে। তাৰ বাহিৰে এম, ই, হাইস্কুল বা উচ্চ পৰ্য্যায়ৰ শিক্ষাৰ কাৰণে কোনো ব্যৱস্থা নাই। কিন্তু অন্যান্য ইন্ডাষ্ট্ৰী, অইল ইণ্ডিয়া, কোল ইণ্ডিয়া, ৰেলওৱে ইত্যাদি বিলাকত এম, ই, হাইস্কুল পৰ্য্যন্ত শিক্ষাৰ ব্যৱস্থা আছে। গতিকে আমি উচ্চ পৰ্য্যায়ৰ শিক্ষা দিয়াত ন্যস্ত কৰাৰ কাৰণে কিয় সংশোধনীত নাই ? চাহ শিল্প স্বাধীনতাৰ ৪০ বছৰৰ কালৰে পৰাই প্ৰাথমিক শিক্ষা দিয়াৰ কথাটো আছে। গতিকে উচ্চ পৰ্য্যায়ৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যিটো ধাৰাৰ

কথা কৈছে সেই বিষয়ে তদন্ত কৰিবলৈ চেষ্টা কৰিম। ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত আছে। শ্ৰমিক আইন-খন কেন্দ্ৰীয় চৰকাৰৰ আইন। এই আইনখন সংশোধনীৰ কাৰণে বিবেচনা কৰা হব। এই আইনখন শ্ৰমিক সকলৰ আইন। শ্ৰমিক সকলৰ লগত সংগতি ৰাখি চৰকাৰী কাম-কাজ কৰিবলগীয়া হয়। গতিকে শ্ৰমিক সকলৰ লগত সংগতি ৰাখি এটা প্ৰস্তাৱ চৰকাৰলৈ প্ৰেৰণ কৰিলে ভাল হয়। লগতে সংশোধন কৰিবলৈকো সুবিধা হয়। এই আইন তৈয়াৰ হোৱাৰ পিচৰ পৰা শ্ৰমিক বিলাকৰ পৰা অথবা শ্ৰমিক সংগঠনৰ ফালৰ পৰা কেনেকুৱা ধৰণৰ সংশোধনী হব লাগিছিল তেনেকুৱা কোনো প্ৰস্তাৱ পোৱা নাই। কেৱল আৱাজহে উঠিছে। আইনখন সংশোধনী কৰিব লগা আছে। কোনটো ধাৰা কেনেভাৱে কৰিব লাগে সেই বিষয়ে কেনো ট্ৰেড ইউনিয়ন বা শ্ৰমিক সংগঠনে কোনো পৰামৰ্শ আগবঢ়ালে অসম চৰকাৰে নিশ্চয় সেই প্ৰস্তাৱ সেইমতে প্ৰেৰণ কৰিব পাৰিলেহেতেন। শ্ৰমিক আইন প্ৰেৰণ কৰিবলৈ যি অসুবিধাৰ সন্মুখীন হৈছে তাৰ পৰিপ্ৰেক্ষিতত এখন সংশোধনী প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছে। তাকে নকৰি সদনৰ মজিয়াত যিটো আছে তাতো যে ভুল নাথাকিব পাৰে তৰ্ক নকৰি যাতে বাদ পৰি যাব নোৱাৰে তাৰ কাৰণে চাব লাগে সেয়েহে মাননীয় সদস্য গৰাকীয়ে তদ্ৰূপভাৱে পৰামৰ্শ দিব তেতিয়া সেই পৰামৰ্শ আমি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াম। তেতিয়াহে শ্ৰমিক শ্ৰেণীৰ সংশোধন ৰক্ষা কৰা হব।

বিষয়: জীয়া ভৰলী নদীৰ দলং

**শ্ৰীৰবীন শইকীয়াই সুধিছে:**

*১০৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) শোনিতপুৰ জিলাৰ জীয়া ভৰলীৰ ওপৰৰ প্ৰস্তাৱিত ২য় খন দলংৰ (চকীঘাটৰ দলং) কামৰ অগ্ৰগতিৰ সম্পৰ্কে চৰকাৰ অৱগত নে?

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা এই চকীঘাটৰ দলংৰ বাবে ধন মঞ্জুৰ কৰিছে নেকি?

(গ) যদি নাই কৰা তেন্তে শোনিতপুৰ, লক্ষীমপুৰ জিলাৰ ৰাইজৰ দাবী অনুযায়ী ৰাজ্য চৰকাৰে এই দলং খন নিৰ্মান কৰিবনে?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, এই বিষয়ে চৰকাৰ অৱগত।

(খ) প্ৰাৰম্ভিক জৰীপৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১১.০৩ লাখ টকা অনুমোদন কৰিছে। জৰীপৰ কাম শেষ হৈছে। দলং নিৰ্মানৰ বাবে এতিয়ালৈকে কোনো ধন মঞ্জুৰ কৰা হোৱা নাই।

(গ) দলং খন নিৰ্মান কৰাৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। এই পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে নিৰ্মান কৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীৰবীন শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব পাৰোনে যে চকীঘাটৰ দলংখনৰ নিৰ্মানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰলৈ এখন চিঠি দিছে যে জামুগুৰিৰ পৰা তেজপুৰলৈ যদি ৰাস্তাটো বান্ধি দিয়া হয় তেতিয়াহলে এই খিনি কাম কৰিব পৰা হব।

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে এটা প্ৰস্তাৱ তেওঁলোকে দিব বিচাৰিছে কিন্তু সেইটো এতিয়াও চিন্তা কৰা হোৱা নাই।

শ্ৰীপদ্ম নাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম অৱস্থাত যেতিয়া আমি আহিছিলো তেতিয়া সোধোতে কৈছিল যে কিছুদিন পাচত জৰীপ কৰা হব আৰু এই কাৰ্য্যৰ কাৰণে ইমান টকা লাগিব আৰু টকাতো পোৱাৰ লগে লগে কামটো কৰা হব। কিন্তু এতিয়া কৈছে কেন্দ্ৰৰ হাতত আছে সময় গৈ আছে কেতিয়া এই ৰাস্তাটোৰ কাম কৰা হব ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : এই কথাটো এই সদনতে ২।৩ বাৰ আলোচনা কৰা হৈছে। এই আঁচনিটো কাৰ্য্যকৰী কৰি তুলিবলৈ বহুত টকাৰ প্ৰয়োজন, এইটো বহুত বেচি টকাৰ কথা গতিকেই আমি ইয়াৰ কাৰণে এন, ই, চি বা দিল্লী চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি আছো।

বিষয় : মজদুৰৰ দৈনিক মজুৰি

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

*১০৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চাৰি দুৱাৰ কটন মিলৰ মজদুৰ সকলক দৈনিক মজুৰি কিমান টকা দিয়া হয় ?

(খ) কি ভিত্তিত মজদুৰ সকলৰ বেতন নিৰ্দ্ধাৰন কৰা হয়?

(গ) চৰকাৰে ঘোষণা কৰা নিম্নতম মজুৰি মতে তেওঁলোকৰ মজুৰি দিয়া হৈছে নে?

(ঘ) যদি দিয়া হোৱা নাই চৰকাৰে উক্ত মজদুৰ সকলৰ মজুৰি ৰূপায়ণ কৰিবলৈ কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অধিসূচনা নং জি, এল, আৰ ৪১৬/৮৩/১০১ তাৰিখ ২৫/৪/৮৮ ৰ ধাৰ্য্য কৰা নিৰিখত দৈনিক মজুৰী দিয়া হয় অধিসূচনাৰ নকল লগত গাঠি দিয়া হৈছে। ( See the copy at Annexure II )

(খ) মজদুৰ সকলৰ নিম্নতম মজুৰি ধাৰ্য্য কৰোতে জীৱন নিৰ্বাহৰ মানদণ্ড আৰু কাৰিকৰী শ্ৰমিকৰ বাবে ধাৰ্য্য কৰা মূল্যসূচী ( Consumers price Index for Industrial Workers-Base 1960 = 100 )
বিবেচনা কৰা হয়

(গ) হয়।

(ঘ) প্ৰশ্ন নুঠে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে মিনিমাম ওৱেজফিক্স কৰোতে কোন চনৰ প্ৰাইচ-ইনদেক্সৰ ওপৰত ভিত্তি কৰি ফিক্স কৰা হৈছে আৰু কি ধৰণে কৰা হৈছে, ইয়াত ফ্ৰিনজ বেনিফিট ইনক্লুড কৰা হৈছে নেকি?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ): এই খিনি কথা অধিসূচনা নং জি, এল, আৰ ৪১৬।৮৩।১০১ তাৰিখ ২৫।৪।৮৮ ৰ ধাৰ্য্য কৰা নিৰিখত দৈনিক মজুৰী আৰু মজদুৰ সকলৰ মজুৰি ধাৰ্য্য কৰোতে জীৱন নিৰ্বাহৰ মানদণ্ড আৰু কাৰিকৰী শ্ৰমিকৰ বাবে মূল্য সূচী ( কনজিউমাৰ প্ৰাইচ ইনদেক্স ফৰ ইন্দ্ৰা-ষ্টিয়েল ওৱাকাৰচ বেচ ( ১৯৬০ : ১০০ বিবেচনা কৰা হয়। অন্যান্য ভুমিকাৰ বিষয়ে বেলেগে প্ৰশ্ন কৰিলে উত্তৰ দিব পৰা হব।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় মন্ত্ৰী ডাঙৰীয়াই স্পষ্ট ভাৱে জনাবনেকি যে মিনিমাম ওৱেইজ ফিক্স কৰোতে এই ফ্ৰিঞ্জ বেনিফিট ইনক্লুড হয় নেকি আৰু ১৯৬০ চনৰ প্ৰাইচ ইনদেক্সৰ ওপৰত ভিত্তি কৰি ফিক্স কৰোতে তাত কি কি ফ্ৰিঞ্জ বেনিফিট ইনক্লুড কৰা হৈছে সেই বিষয়ে জনাবনেকি?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) : এই বিষয়ে নথী বৰ্ত্তমান মোৰ হাতত নাই । বেলেগে প্ৰশ্ন কৰিলে এই বিষয়ে জনাব পৰা যাব ।

বিষয় : বানপানীৰ পাছত কৃষিৰ ব্যৱস্থা ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে .

*১০৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা বানপানীৰ পিছত কৃষক সকলক খেতি কৰিবৰ কাৰণে কি কি সাহাৰ্য্য দিয়া হৈছিল ?

(খ) গড় হিচাবত বানপানীৰ ফলত কিমান জন কৃষকৰ খেতিৰ শস্য নষ্ট হৈছিল ?

শ্ৰীদেৱ কুমাৰ বৰা ( কৃষি মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বানপানীৰ পিছত কৃষক সকলক খেতি কৰিবৰ বাবে আগবঢ়োৱা সাহাৰ্য্য এনে ধৰনৰ :

১। শালি খেতিৰ বাবে বিনামূলীয়াকৈ বীজ ও কঠিয়া বিতৰণ ।

২। ৰবি খেতিৰ বাবে বিনামূলীয়াকৈ বিভিন্ন শস্যৰ বীজ বিতৰণ ।

৩। বানপানীৰ কাৰণে খেতিৰ পথাৰত জমা হোৱা বালি আতৰোৱাৰ ব্যৱস্থা ।

(খ) মুঠ শস্য নষ্ট হোৱা খেতিৰ পৰিমান ৯,৯২,০০০ হেক্টৰ । মুঠ ক্ষতিগ্ৰস্ত কৃষকৰ সংখ্যা ১৫,৭৬,৬২৬ জন । এতেকে বানপানীৰ ফলত গড়হিচাবত প্ৰতিজন কৃষকৰ ৪:৭ বিঘা পৰিমান খেতিৰ শষ্য নষ্ট হয় ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে শালি খেতি কৰিবৰ কাৰণে চৰকাৰৰ পৰা বিনামূলীয়াকৈ বিধান দিয়া হৈছে বুলি কৈছে আৰু চৰকাৰৰ ফালৰ পৰা বালি আতৰোৱাবৰ কাৰণে ব্যৱস্থা কৰা হৈছিল । যোৱা কালিও বিধান সভাত এই বিষয়ে এট কথা আলোচনা কৰা হৈছিল । এতিয়া বালি চাফা কৰাৰ কাৰণে চৰকাৰে কিমান টকা খৰচ কৰিছে আৰু কোন কোন জিলাত কিমান টকা খৰচ কৰা হৈছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নেকি ? মোৰ ২য় পৰিপুৰক প্ৰশ্নটো হৈছে ১৫ লাখ ৭৬ হাজাৰ ৬২৬ জন খেতিয়কৰ খেতি নষ্ট হৈছে । এই খেতিয়ক সকলক বিনামূলীয়াকৈ বীজ দিয়া হৈছিল নে নাই ?

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয় পৰিপূৰক প্ৰশ্ন দুটা উত্থাপন কৰা হৈছে। এটা হ'ল বালি চাফা কৰা আৰু আনটো হ'ল কিমান সংখ্যক খেতিয়কক ৰবিশষ্য আৰু অন্যান্য সাহাষ্য আগবঢ়োৱা হৈছে। প্ৰথমটোৰ উত্তৰত মই কব খুজিছো চেণ্ড ৰিমোভেল প্ৰগ্ৰেমৰ কাৰণে ৰেভিনিউ বিভাগৰ ফালৰ পৰা কৃষি বিভাগে ৪৬ লাখ টকা পাইছে। যিহেতু অসমত যোৱাবাৰ বানপানীত ১৭ খন জিলাই ক্ষতিগ্ৰস্ত হৈছিল আৰু বহু খিনি মাটিত বালি পৰিছিল, সেই ক্ষেত্ৰত এই ৪৬ লাখ টকাৰে গোটেই অসমৰ যিমান এলেকাত বালি পৰিছে সেই গোটেই এলেকা বিলাকৰ সম্পূৰ্ণৰূপে বালি আতৰোৱাতো সম্ভৱ নহব পাৰে। কিন্তু সকলোখিনি কথা চাই আৰু পৰ্য্যা-লোচনা কৰি এই বালি আতৰোৱা আঁচনিখনত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে আৰু জিলা ভিত্তিত এখন কমিটি ইমপোজ কৰা হৈছে। এই কমিটিত উপায়ুক্ত সভাপতি, ক্ষতিগ্ৰস্ত এলেকা সমূহৰ স্থানীয় বিধায়ক আৰু সংসদী সদস্য সকল হ'ল ইয়াৰ সদস্য আৰু কৃষি বিষয়া আৰু কৃষি অভিযন্তাক সদস্য কৰা হৈছে। আৰু কোন কোন এলেকাত বালি চাফা কৰা হব তেওঁলোকক অনুমোদন জনাবলৈ কোৱা হৈছে। তাৰ কাৰণে যিখিনি টেকনিকেল গাইড লাইন আৱশ্যক সেইখিনিও দিবলৈ কোৱা হৈছে। সকলো ক্ষতিগ্ৰস্ত অঞ্চলতে যাতে সমানে বালি চাফা কৰিব পৰা যায় তাৰ কাৰণে উপায়ুক্তক এই কমিটিৰ জৰিয়তে ব্যৱস্থা লবৰ কাৰণে কোৱা লৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ : এই সম্পৰ্কত পইচা বিলাক জিলা ভিত্তিত ৰিতৰণ কৰা হৈছে নেকি? লক্ষীমপুৰত কিমান দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীদেব কুমাৰ বৰা ( মন্ত্ৰী ): জিলা ভিত্তিত আমি দিছো। এইখিনিতে মই জনাব খোজো ৪৬ লাখ টকাৰে আমি গোটেইখিনি বালি চাফা কৰি কেনেকৈ উপকৃত হব পাৰিম সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰা হৈছে। টকা খিনি যাতে সৎব্যৱহাৰ হয় তাৰ কাৰণে আমি দীপ টেক্‌ট্ৰৰাইজেশ্যন এটা স্কীম লৈছিলো। অৰ্থাৎ যিবিলাক মাটি ৪ ইঞ্চি ৬ ইঞ্চিৰ পোত খাই আছে সেইবিলাক চাফা কৰাৰ কাৰণে এই দীপ ট্ৰেকট্ৰৰাইজেশ্যন সহায় লোৱা হব। আৰু এই ট্ৰেক্টৰাইজেশ্যন ফ্ৰি দিয়া হব।

ইয়াৰ পাচত মাননীয় সদস্য গৰাকীয়ে ধন কেনে ধৰণে আবণ্টন কৰা হৈছে সেই বিষয়ে সুধিছে। সেই ক্ষেত্ৰত মই জনাব বিচাৰিছো এইটো সকলো জিলাতে সমানুপাতিক ভাবে দিবলৈ জনোৱা হৈছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মোৰ দুটা প্ৰশ্নৰ এটাৰ উত্তৰ দিয়া নাই। ১৫,৭৬,৬২৬ জন কৃষকৰ খেতি নষ্ট হোৱাৰ পাচত সেই সকল কৃষকক কৃষি বীজ দিয়া হৈছে নে নাই ?

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) : যোৱা বানপানীৰ সময়ত ১৫,৭৬,৬২৬ জন কৃষকৰ খেতি নষ্ট হৈছিল। তাৰ ভিতৰত ৮,৯৩,৫৭৩ জন কৃষকক সহায় কৰা হৈছে আৰু বাকী থাকিল নন বেনিফিচিয়াৰীচ ৬ লাখ ৫৩ হাজাৰ ৫১ জন। এইক্ষেত্ৰত মই কব বিচাৰিছো আমাৰ যি সকল ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক তেখেত সকলক বেচিভাগকে সহায় কৰা হৈছে আৰু সহায় নোপোৱা বিলাকৰ ভিতৰত যদি আছে সেই সকল হ'ল শক্তিশালী খেতিয়ক।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : এই বালি আতৰ কৰাৰ কাৰণে ৪৬ লাখ টকা দিছে। এই টকাৰে কি কি কাম কৰিলে জনাবনে কিয়নো আজি বানপানী হৈ যোৱাৰ ৬ মাহৰো পাৰ হ'ল। কৃষি বিভাগে এতিয়াহে আঁচনি প্ৰস্তুত কৰিছে। এতিয়া এপ্ৰিল মাহ পাৰ হৈ মে মাহ পাৰহি। আকৌ বানপানীৰ কাৰণে বাইজ প্ৰস্তুত হবলগীয়া হ'ল। ৬ লাখ খেতিয়কক বেনিফিট দিব পৰা নাই। মই মন্ত্ৰী মহোদয়ক জনাৰ বিছাৰিছো য'ত শতকৰা ৬০ ভাগতকৈও বেচি খেতিয়ক আছে, আমাৰ নগাওঁ জিলাৰ কামপুৰ চাৰ্কোলত বঢ়মপুৰ, ৰহা ইত্যাদিত শতকৰা ২০ জনেও কৃষি বীজ নাপালে। এইটো কি কাৰণে হ'ল। তৃতীয়তে যি সকল খেতিয়কক কৃষি বীজ দিব নোৱাৰিলে সেই সকলক বিনামূলীয়াকৈ চৰকাৰৰ ফালৰ পৰা বীজ দিব লাগে আৰু এতিয়া সেই বীজ তেওঁলোকক দিব পাৰিব নে নোৱাৰে। এই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বালি চাফা কৰা আঁচনি খনত যি অনুপাতে টকা বিচৰা হৈছিল সেই অনুপাতে টকা পোৱা নাই। অৰ্থাৎ ৪৬ লাখ টকাৰে যিখিনি আঁচনি সম্পূৰ্ণ কৰিব বিচাৰিছো তাৰে সম্ভৱ নহয়। যদিও এই পৰিমাণৰ টকাৰ ভিতৰতে চৰকাৰৰ ফালৰ পৰা এই বিষয়ে টেকনিকেল গাইড লাইন দিয়া হৈছে। এই ক্ষেত্ৰত জনাব বিচাৰিছো যে যোৱা অক্টোবৰ মাহত বানপানী হৈছিল আৰু বানপানী সাম কটাৰ পাচত এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি গোটেই আঁচনিটো সম্পূৰ্ণ কৰি তুলিবলৈ ইয়াৰ কাৰণে যিবিলাক প্ৰক্ৰিয়া লাগে সেইখিনি কৰোতে এই কালচোৱা লাগিব। আমি আগতীয়াকৈও কৰিব

পাৰিলোহেতেন কিন্তু এই টকাতো যাতে ভাল ধৰণে ব্যৱহাৰ কৰিব পাৰি আৰু গোটেইখিনি পইচাই যাতে ৰাইজৰ কামত নিয়োগ হয়, তাৰ কাৰণে চোৱাচিতা কৰাৰ কাৰণেহে এই সময় চোৱা আমাৰ আৱশ্যক হ'ল।

Shri Binai Khungur Basumatari : Mr. Speaker Sir, there has been consistant complaints from the Hon'ble member from Barhampur Constituency that in the Nagaon district there has been huge Discrimination in distribution of seeds and fund to the Tribal growers. Sir, is it true ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বান সাহায্য বিতৰণ কৰাৰ ক্ষেত্ৰত মাননীয় সদস্য গৰাকীয়ে বৈষম্য কৰা হৈছে বুলি কৈছে সেইটো মই মানি লব পৰা নাই। এই কাৰণেই যে সকলো জিলাতেই সমানেই বানপানীত ক্ষতিগ্ৰস্ত হৈছে আৰু সেই ক্ষতিগ্ৰস্ত জিলা বিলাকত কেনে ভাবে বিতৰণ কৰা হৈছে তাৰ এখন তালিকা মই পঢ়ি দিব বিচাৰিছো কাৰণ এই বিষয়টো গুৰুত্বপূৰ্ণ। ডিব্ৰুগড় জিলাত ৫৭,৮৬৬, শিৱসাগৰ জিলাত ৩২৬২৭, যোৰহাট জিলাত ৪০১৮৭, গোলাঘাট জিলাত ২৩২০০, নগাও জিলাত ১৭৬৭২০, গোৱালপাৰা জিলাত ৩৪৬৫৩, ধুবুৰী জিলাত ১০৮৮০০, কোকৰাঝাৰ জিলাত ৩৯২৬৭, বৰপেটা জিলাত ৮৯৯৭৩, নলবাৰী জিলাত ২৪১৬০, কামৰূপ জিলাত ৭৪৭৮৭, দৰং জিলাত ৪৩৫৬০, শোনিতপুৰ জিলাত ৫৯৬২৭, লক্ষীমপুৰ জিলাত ৬৯৬৯৩, কাচাৰ জিলাত ৯৫৪৬, কৰিমগঞ্জ জিলাত ৪৩৬০ আৰু কাৰ্বি আংলং জিলাত ২৫৪৭ মুঠ ৮৯১৫৭৩ বেনিফিচিয়াৰীক দিয়া হৈছে।

Shri Charan Narzary : Sir, the figures are furnished by the Officers of the respective districts. Sir, we are not at all satisfied because there is talk of corruption. It needs half an hour discussion.

Mr. Speaker : Next question.

(Starred question Nos. 107 and 108 were not called for: However written replies deemed to have been laid on the table as follows)

## Re : Number of registered job seekers

Shri Mosiruddin Sheikh asked :

*107. Will the Minister Labour and Employment be pleased to state :

(a) The Number of registered unemployed in the District Employment Exchange at Dhubri at present ?

(b) Whether the names of the candidate were sent to different appointing department, reflecting the population pattern of the district ?

(c) The names of the candidates sent to the various departments for consideration of appointment from 1.1.86 to 30.12.88 from District Employment Exchange, Dhubri ? ( Please furnish the names departmentwise ).

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) ইংৰাজী ২৮/২/৮৯ তাৰিখলৈ ধুবুৰী জিলা নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভূক্ত মুঠ নিবন্থৱাৰ সংখ্যা ২২,০৩৪ জন।

(খ) হয়।

(গ) বৰ্ত্তমান পৰিস্থিতিৰ বাবে প্ৰাৰ্থীৰ তালিকা সংগ্ৰহ কৰিব পৰা হোৱা নাই। তাৰ উপৰিও যোৱা বানপানীত বহু নথি পত্ৰ নষ্ট হৈছে। সকলো নথি পুনৰ গঠন কৰি আৱশ্যকীয় তালিকা এই সদনৰ সময় সীমাৰ ভিতৰত দিবলৈ যত্ন পৰ হম।

## Re : M. N. P. Roads

Shri Abdul Muqtadir Choudhury asked :

*108. Will the Minister, P.W.D. be pleased to state.

(a) Whether the Administrative approval have been accorded to the M. N. P. roads to be constructed during

1988-89 within Karimganj District ?

(b) If not, the reason thereof ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নুন্যতম চাহিদা আঁচনি শিতানত ১৯৮৮-৮৯ চনৰ বাবে নিৰ্ম্মান কৰিবলৈ লোৱা মুঠ ৩৩ টা পথৰ ভিতৰত এতিয়ালৈকে ১৯ টা পথৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে।

(খ) বাকী থকা ১৪ টা পথৰ প্ৰশাসনীয় অনুমোদন দিয়াৰ বাবে কৰিমগঞ্জ জিলাৰ উপায়ুক্ত আৰু বিভাগীয় পৰ্য্যায়ত ব্যৱস্থা লৈ থকা হৈছে।

বিষয় : ভাৰাবাৰী আলুবাৰী ৰাস্তা

শ্ৰীগোপীনাথ দাসে সুধিছে :

*১০৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত "তাৰাবাৰী আলুবাৰী" ৰাস্তাটো মেৰামতিৰ অভাৱত ভাঙি ছিগি যোৱা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে তেন্তে উক্ত ৰাস্তাটো মেৰামতি কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

(গ) যদি কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই তেন্তে অতি সোনকালে ৰাস্তাটো মেৰামতি কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) যদি ব্যৱস্থা গ্ৰহন কৰা হয় তেন্তে কেতিয়া কৰা হব?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৮ চনৰ প্ৰবল বানপানীত ৰাস্তাটো ক্ষতি হোৱা কথাটো চৰকাৰে জানে।

(খ) বানপানীত মেৰামতি শিতানত প্ৰয়োজনীয় ধনৰ অভাৱত এই বছৰত পথটোৰ সম্পূৰ্ণ মেৰামতিৰ কাম হাতত লব পৰা নহল।

(গ) প্ৰয়োজনীয় ধন পালে কাম হাতত লব পৰা যাব।

(ঘ) (গ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিত প্ৰশ্ন নুঠে।

শ্ৰীগোপীনাথ দাস: অধ্যক্ষ মহোদয়, এই ৰাস্তাটো নিৰ্মাণ কৰা আজি বহু বছৰ হল আৰু ইয়াৰ মেৰামতিৰ অভাবতেই ৰাস্তাটোৰ অৱস্থা এনে হবলৈ পাইছে। এই ৰাস্তাটোৱে মটৰ আদি চলা দূৰৰ কথা ভাত খেতিয়ক সকলে গৰু গাড়ীকেই চলাব নোৱাৰে। এই ৰাস্তাটো এটা গুৰুত্বপূৰ্ণ ৰাস্তা আৰু সেই কাৰণে এই ৰাস্তাটো মেৰামতি নকৰা কথাটোও মই আচৰ্য্য প্ৰকাশ কৰিছো। মন্ত্ৰী মহোদয়ে অহা ৰাৰিষাৰ আগে আগে এই ৰাস্তাটো মেৰামতি কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ কেইবা ঠাইতো যোৱা বানপানীয়ে ক্ষতি সাধন কৰাৰ ফলত ৰাস্তাটো গাড়ী মটৰৰ কাৰণে অনুপযোগী হৈ আছিল। এতিয়া এই ৰাস্তাটোৰ মেৰামতিৰ কাম হাতত লোৱা হৈছে আৰু বাৰিষাৰ আগে আগে শেষ কৰিব পৰা হব বুলি অনুমান কৰা হৈছে। মাননীয় সদস্য গৰাকীক মই ৰাৰিষাৰ আগে আগে শেষ কৰাৰ কাৰণে আশ্বাসহে দিব পাৰিম কিন্তু প্ৰতিশ্ৰুতি দিব নোৱাৰিম।

( Starred question No. 110 was not called for. However written replies deemed to have been laid on the table as follows )

Re: Jr. Engineer of Raja Bazar Dev. Block.

Shri Dinesh Prasad Goala asked:

*110. Will the Minster, P. W. D. be pleased to state:

(a) Whether Government is aware that one Shri B. R. Biswas, Jr. Engr. is serving in Rajabazar Dev. Block since 5 years in the Dist. of Cachar?

(b) It is fact that there is several complaint of corruption against this Jr. Engineer regarding the works of the Block?

(c) Is it a fact that Deputy Commissioner, Cachar and Secretary Mahakuma Parishad, Silchar have sent detail report of the corruption against this Jr. Engineer's to Chief Engineer ( Roads ) Assam for taking action?

(d) If so, what action have been taken by the Government in that behalf?

(e) If not, why?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) হয়।

(খ) হয়।

(গ) শিলচৰ মহকুমা পৰিষদৰ সম্পাদকৰ পৰা অভিযোগ পোৱা হৈছে। কিন্তু কাছাৰ জিলাৰ উপায়ুক্তৰ পৰা এতিয়ালৈ কোনো অভিযোগ পোৱা নাই।

(ঘ) শ্ৰীবি, আৰ, বিশ্বাসৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা আৰম্ভ কৰা হৈছে। পঞ্চায়ত বিভাগৰ পৰা বিশদ বিৱৰণ পোৱাৰ পিছত যথাযথ বিভাগীয় বিচাৰ কৰা হব।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় পকী দলং

শ্ৰীখহীতুল ইছলামে সুধিছে:

*১১১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) নগাওঁ ধিং মৈৰাবাৰী গড়কাপ্তানী পথটোত কেইটা পকী দলং কৰা হব আৰু পকী দলং কোন কোন ঠাইত হব?

(খ) সেই পকী দলং কেইটাৰ নিবিদা গ্ৰহন কৰা হৈছেনে?

(গ) যদি হৈছে, উক্ত দলং বিলাকৰ কাম কেতিয়া আৰম্ভ হ'ব?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) বৰ্ত্তমান এখন পকী দলংৰ প্ৰাককলন অনুমোদন হৈছে। উক্ত পকী দলংখন ( দলং নং ৭।১ ) নগাওঁ ভুবাগাওঁ ধিং হৈ যোৱা পথৰ গৰৈমাৰী ডুবিৰ ওপৰত নিৰ্মাণ কৰা হব।

(খ) প্ৰস্তাৱিত পকী দলং নং ৭।১ ৰ নিবিদা আহ্বান কৰা হৈছে। নিবিদা এতিয়াও পোৱা হোৱা নাই

(গ) প্ৰস্তাৱিত পকী দলং নং ৭।১ ৰ কাম ১৯৮৯-৯০ চনৰ ভিতৰত আৰম্ভ কৰাৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। আন কেইখন দলংৰ কামৰ প্ৰাক্কলনৰ অনুমোদন চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীখহিদুল ইছলাম: মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ-ঢিং হৈ মৈৰাবাৰীলৈ যোৱা এই ৰাস্তাটোৰ অৱস্থাৰ বিষয়ে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ভালদৰে জানে। এই ৰাস্তাটোত যোৱা বছৰ এটা দুৰ্ঘটনাত ৫৬ জন মানুহৰ প্ৰাণ হানি হয় আৰু বৰ্ত্তমান ৰাস্তাটোৰ যি অৱস্থা হৈছে সি বৰ্ণনাতীত। এনে অৱস্থাত এই ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাস্তাটো যুদ্ধকালীন ভাবে মেৰামতি কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহন কৰিব নে?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ নগাওঁৰ পৰা বটদ্ৰৱাৰ অংশটোত ইতিমধ্যে কাম কৰি থকা হৈছে আৰু এপ্ৰিল মাহৰ ভিতৰতে এই কাম সম্পূৰ্ণ হৈ উঠিব বুলি অনুমান কৰা হৈছে। বাকী অংশ ৰাস্তা নিৰ্মাণৰ কাৰণে টিং কাগজ কলৰ অংশ হিচাবে উদ্যোগ বিভাগৰ ফালৰ পৰাও ১ কোটি মান টকা দিয়াৰ কথা আছে। গতিকে এই টকা খিনিও যদি সময় মতে পাও তেনেহলে সোনকালে এই কাম শেষ কৰিব পৰা হব। সেই কাৰণে মাননীয় সদস্য গৰাকীক মই কব খোজো যে তেওঁলোকৰ পৰা টকা পালে নিৰ্দিষ্ট সময়ৰ ভিতৰত কাম শেষ কৰিম অন্যথাই তেখেতক মই প্ৰতিশ্ৰুতি দিব নোৱাৰিম।

( Starred question No. 112 was not called for. However written replies deemed to have been laid on the table as follows )

বিষয়: পৰিদৰ্শন বঙলা

শ্ৰীকমলা কলিতাই সুধিছে:

*১১২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ছয়গাওঁৰ একমাত্ৰ গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বঙলাটো জৰাজীৰ্ণ অৱস্থাত থকা কথাটো চৰকাৰে জানেনে ?

(খ) এই পৰিদৰ্শন বঙলাটো সম্প্ৰসাৰণ তথা মেৰামতি কৰি দিয়াৰ প্ৰতিশ্ৰুতি মাননীয় মন্ত্ৰী মহোদয়ে ৰাজহুৱা ভাৱে দিছিল নেকি ?

(গ) বৰ্ত্তমান ই কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) স্বাধীনোত্তৰ কালত নিৰ্মিত কৰা এই পৰিদৰ্শন বঙলাটো অতি পুৰণা বুলি চৰকাৰে জানে।

(খ) হয়। দিয়া হৈছিল। এই বছৰ বিত্তীয় অৱস্থা সংকটজনক হোৱা হেতুকে পৰিদৰ্শন বঙলা সমূহৰ আঁচনিসমূহ স্থগিত ৰখা হৈছে। ১৯৮৯-৯০ ৰ বিত্তীয় বছৰত এই ব্যৱস্থা লোৱা হব।

(গ) বৰ্ত্তমান বঙলাটো গড়কাপ্তানী বিভাগৰ পৰিদৰ্শনৰ বাবে বাসোপযোগী অৱস্থাত আছে।

Re: Different Varieties of Seed.

Shri Shib Shambhu Ojah asked:

*113. Will the Minister, Agriculture be pleased to state:

(a) The quantities of different varieties of seeds received

by the Department from different agencies during the last Rabi Crops seasons? (Please furnish the dates of receipt of these varieties by the Deptt.)

(b) The name of the agencies through which these different varieties of seeds were procured?

Shri Deba Kumar Bora (Minister of Agriculture) replied:

(a) (i) Wheat Seed 95,223 36 Qtl.
(ii) Mustard Seed 9.611.20 „
(iii) Pea Seed 8,511.53 „
(iv) Lentil Seed 2,365.20 „

The seeds were received by the Assam Seed Corporation on behalf of the Department from the various organisations which deal with seeds. The names of the Origanisations and the dates on which the seeds were received from them are shown below:—

WHEAT

| Source of Produrement | Variety of Seeds | Qnty. (in Qtl.) | Remarks |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1. F C.I. | Wheat (GT) | 55,636.65 | Lifted from 16.11.88 to 7.12.88 |
| 2. Haryana Seeds Dev. Corpn. | H.D M-1553(c) | 4,000.00 | 14.11.88 to 20.11 88 |
| 3. N.S.C. Ltd. | Sonalika (c) | 10,599.20 | 13.10.88 to 3.11.88 |
| | U.P.-262 (c) | 2,092.00 | |
| | H.D.-2285(c) | 3,036.20 | |
| 4. T.D.C. Ltd. | R.R.-21.(c) (Sonalika) | 8,811.20 | 8.11 88 to 30.11.88 |
| | H D.-2285 c) | 3,870.70 | |
| | U.P.-262(c) | 1,106.00 | |
| 5. S.F.C.I Ltd. | Sonalika(c) | 1,529 41 | 24.10 88 to 2.12 88 |
| | H.D.-2285(c) | 2,255 20 | |
| | H.D.-2285(TL) | 1,806.80 | |
| | U.P.-262 (TL) | 480·00 | |
| Total | | 95,223.36 | |

PEA

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 1. N.S.C. Ltd. | Rachna (c) | 1,569.92 | 13.10.88 to 26.10.88 |
| 2. T.D.C. Ltd. | Rachna (c) | 603.60 | 13.10.88 to 11.11.88 |
| | T-163 (b) | 48.00 | |
| | Azad (c) | 1,073.05 | |
| 3. S.F.C.I. | Rachna (c) | 242.10 | 11.11.88 to 20.11.88 |
| | T-163 (Graded) | 4,974.86 | |
| | Total | 8,511.53 | |

MUSTARD

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 1. N.S.C. Ltd. | Varuna (c) | 2969.40 | Lifted from 13.10.88 to 3.11.88. |
| 2. S.F.C.I. Ltd. | M-27 (c) | 69.60 | 25.10.88 to 5.11.88 |
| | T-9 (c) | 120.00 | |
| | M-27 (TL) | 81.00 | |
| | T-S-29 (TL) | 34.80 | |
| 3. A.S C (Private) | M-27 (c) | 3500·00 | 3.11.88 to F. 11.88 |
| 4. Barlooeet Enterprise | M-27 (GT) | 876·40 | ,, |
| 5. Progoty Traders | M-27 (GT) | 940 00 | ,, |
| 6. K. B Traders | M-27 (GT) | 720·00 | ,, |
| 7. Brahmaputra Enterprise | M-27 (GT) | 300.00 | ,, |
| | Total = | 9611,20 | |

LENTIL

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 1. N.S C. Ltd. | L-9-12 (c) | 140·00 | 12. 1.88 |
| 2. S.F.C.I. Ltd. | L-9-12 (c) | 4·00 | 28.10.88 to 19.11.88 |
| | L-9-12 (TL) | 2133.20 | |
| | PL-906 (TL) | 88.00 | |
| | Total = | 2365.20 | |

(B) The names of the agencies are F.C.I., Haryana,

Seeds Development Corporation, National Seeds Corporation, T.D.C., S.F.C.I., A.S.G.S. (Private growers) Barlooeet Enterprise, Progoti Traders, K. B. Traders and Brahmaputra Enterprise.

Shri Ardhendu Kumar Dey : Mr. Speaker, Sir, on a point of order this Std. Question answers are consuming a long time and as a result other Questions cannot be taken up. Only 30 percent of the total number of questions could be finished till now.

Mr. Speaker : Order, Order. Hon'ble Minister, Agriculture will please continue with his answers.

श्रीशिव शम्भू ओझा : अध्यक्ष महोदय, मैं मंत्री से जानना चाहूँगा कि जिन एजेन्ती द्वारा बीज लिया गया है वे रजिस्टर्ड एजेन्सी है या नहीं।

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয় ৰবি শস্যৰ বীজ কেনেকৈ কত কি ধৰণে কৰ পৰা কিনা হব মই এই সম্পৰ্কে বিধান সভাত বিবৃতি দিয়াৰ পিছত আৰু কেতিয়া কাম আৰম্ভ কৰা হব এই সম্পৰ্কে কি পল'চি লোৱা হৈছে সেইটো পঢ়ি দিছো। এই খিনিতে মাননীয় সদস্যৰ উত্তৰ সম্পূৰ্ণ হব।

Shri Charan Narzari : Sir, the question of the Hon'ble Member is very simple and straight and he wants to know whether the firms were registered ones. I think the Hon'ble Minister will be pleased to answer ?

श्रीशिव शम्भू ओझा : अध्यक्ष महोदय, मैं यह जानना चाहता हूँ कि ये एजेन्तिया का रजिस्ट्रेशन किस डेट और किस वर्ष में हुआ है।

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ ছীদ সম্পৰ্কে গভৰ্ণমেণ্টৰ এজেন্সি হিচাবে ছীদ কৰপোৰেশ্যনে বীজ সংগ্ৰহ কৰি দিয়ে।

Shri A. F. G. Osmani : Sir, whether the Assam Seed Corporation purchased the seeds from the registered firms? That is the relevant point.

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই এই সন্দৰ্ভত গোটেই লিষ্টখন দি দিছো। ক'ৰ পৰা সংগ্ৰহ কৰা হৈছিল— এই গোটেই প্ৰশ্নৰ উত্তৰ বিস্তৃত ভাবে তালিকাখনত দিয়া হৈছে।

শ্ৰীগিৰিণ বৰুৱা : অধ্যক্ষ মহোদয়, ফাৰ্ম সমূহ ৰেজিষ্ট্ৰাৰ হয় নে নহয় এই বিষয়েহে মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে।

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে মই পিচত জনাম।

বিষয় : পাতিলাদোহা পানবাৰী পড়কাপ্তানী পথ

শ্ৰীগণেশ বড়োৱে সুধিছে :

*১১৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাওঁ ডিভিজনৰ অন্তৰ্গত পাতিলাদোহাৰ পৰা পানবাৰী পি, ডব্লিউ, ডি পথলৈ পকি কৰণৰ ব্যৱস্থা গ্ৰহন কৰা হৈছে নে?

(খ) যদি ব্যৱস্থা গ্ৰহন কৰা হৈছে কেতিয়াৰ পৰা কাম আৰম্ভ হব?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰাপ্ত পুঁজি অনুসৰি পকীকৰণৰ কাম পৰ্য্যায়ক্ৰমে কৰি থকা হৈছে। চলিত বিত্তীয় বছৰতো উক্ত ৰাস্তাৰ বাবে ৩.৭৫ লাখ টকাৰ অনুমোদন দিয়া হৈছে।

(খ) চলিত বিত্তীয় বছৰৰ অনুমোদনৰ কাম সোনকালেই আৰম্ভ হোৱাৰ আশা আছে।

শ্ৰীগণেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা বছৰ কৈছিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে ব্যৱস্থা গ্ৰহণ কৰা হব। কিন্তু এতিয়ালৈকে সেই ৰাস্তাটোৰ কাম কৰা নহ'ল। আজিলৈ এটা গ্ৰেভেলও নপৰিলে। এই কথাটো মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াইও কৈছিল। তেতিয়া মন্ত্ৰী মহোদয়ে কৈছিল যে আপোনালোক দুজন বিধায়কে কৈছে যেতিয়া মই ৰাস্তাটো নিশ্চয় কৰিম। কিয় কৰা হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সেই অঞ্চলটোত ট্ৰাবুল হোৱাৰ কাৰণে কাম কাজ ডিলে হৈছে। তাত চুপাৰভাইচনৰ কাৰণে অসুবিধা হৈছে। যিহেতু অনুদান দিয়া হৈছে কাম আৰম্ভ হ'ব।

বিষয়: কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গড়া খহনীয়া।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

*১১৫। মাননীয় বনবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ কবলত পৰি বৰ্ত্তমানলৈকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কিমান বৰ্গ কিলোমিটাৰ বনাঞ্চল নিচিহ্ন হৈছে ?

খ) ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলৰ পৰিমাণ ৰক্ষা কৰিবলৈ কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধিয়ে (বন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হৈ যোৱা বানপানীৰ পিছত চলোৱা সমীক্ষা অনুসৰি দেখা যায় যে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ খহনীয়াত হোৱা ক্ষতিৰ পৰিমাণ মাথোন ৫০ হেক্টৰ মানহে হ'ব।

খ) ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাটি ৰক্ষা কৰাৰ কোনো কৃত্ৰিম উপায় আমি অৱলম্বন কৰা নাই।

Mr. Speaker: Now, Question hour is over.

Undisposed Starred Question Nos. 116 to 120

(To which Oral answers were not called for wast of time. However written replies deemed to have been laid on the table as follows)

Re: B. B. Road under Silchar Sub-Division.

Shri Abdul Rob Laskar asked:

*116. Will the Minister, P. W. D. be pleased to state:

a) Whether the Government is aware the B. B. Road, Section II, under Silchar Sub-Division of Cachar district is the only communication line of the people belonging to Gangapur Neaingram Bajpur and Algapur villages ?

b) Whether the Government is aware that the people of those villages have no other alternative but to walk the entire road for coming to Silchar town as B. B. road Section-II is not fit for bus services ?

c) Whether the Government is aware that the public of those villages submitted several representations for making B. B. road, Section II and Neaingpur to Badrighat P. W. D. Roads fit for Bus Services ?

d) Is it a fact that the P. W. D., Silchar has been asked to submit cost apprisal for the improvement of B. B. Section-II and Neingram to Badrighat Ferry roads ?

(e) If so, whether the apprisal has been submitted by the P. W. D. Silchar ?

(f) Will the Government provide adequate fund for the improvement of these two roads ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) হয়।

গ) হয়।

ঘ) হয়।

ঙ) হয়।

চ) পৰ্য্যাপ্ত পুঁজিৰ অভাৱত বৰ্ত্তমান সম্ভৱ নহয়।

বিষয় ঃ মেডেলা গড়কাপ্তানী আলি।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

*১১৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ডিব্ৰুগড় মহকুমা অন্তৰ্গত মেডেলা গড়কাপ্তানী আলিটো প্ৰতিবছৰে বানপানীত বহুবাৰ বুৰ গৈ নষ্ট হোৱা কথা চৰকাৰে জানেনে ?

খ) যদি জানে আলিটো ওখ কৰাৰ বাবে চৰকাৰে আঁচনি লৈছে নেকি ?

গ) যদি লৈছে উক্ত আলিৰ বাবদ কিমান টকাৰ মঞ্জুৰী দিছে ?

শ্ৰীঅতুল বৰাই (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ডিব্ৰুগড় মহকুমাৰ অন্তৰ্গত লেপেটকটা মেডেলা গড়কাপ্তানী আলিটো প্ৰতিবছৰে বানপানীত বুৰ গৈ পথটো কিছু নষ্ট হোৱা কথা চৰকাৰে জানে।

খ) সাধাৰণ মেৰামতিৰ বাহিৰে আন কোনো আঁচনি হাতত লোৱা হোৱা নাই।

গ) খ প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Re : Amount of Wheat distributed to the Flood affected people.

*118. Will the Minister, Agriculture be pleased to state :

Shri Ardhendu Kr. Dey asked :

a) What is the total quantity of wheat Seed distributed for last devastating flood affected people of Assam ?

b) The total quantity of wheat production expected from these seeds distributed in the flood affected area ?

c) The total quantity of Wheat actually produced ?

Shri Deba Kumar Bora, ( Minister of Agriculture ) replied :

a) 75,606 Qtls.

b) 7,50,000 Qtls.

c) Not yet assessed. This will be done after completion of harvesting.

বিষয় : কাকডোঙা নদীৰ দলং।

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

*১১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোলাঘাট আৰু যোৰহাট জিলাক ভাগ কৰা কাকডোঙা নদীৰ ওপৰত থকা দলংখন কেতিয়া নিৰ্মান কৰিছিল ?

খ) বৰ্ত্তমান কাকডোঙা নদীৰ দলংখন দুৰ্বল হোৱাৰ বাবে ধোদৰ আলিয়েদি

একেবাৰে যান বাহন চলাচল কৰিব পৰা নাই তাৰ বিষয়ে চৰকাৰ জ্ঞাত নে ?

গ) যদি জ্ঞাত, বৰ্ত্তমান ইয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অনুমানিক ১৯৩৪ চনৰ পৰা ১৯৩৬ চনৰ ভিতৰত ।

খ) গধুৰ যান-ৰাহন চলাচল কৰিব নোৱাৰা বুলি চৰকাৰ জ্ঞাত ।

গ) বৰ্ত্তমান পুঁজিৰ অভাৱত বিশেষ ব্যৱস্থা লব পৰা নাই ।

বিষয়ঃ বিভিন্ন জাতিৰ জনজাতিৰ অন্তৰ্ভুক্তৰ বাবে দাবী

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

*১২০। মাননীয় জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ বিভিন্ন জাতি যেনে চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ বাগানৰ কিছুমান জাতি জনজাতি হিচাবে অন্তৰ্ভুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে সুপাৰিচ কৰিব লাগে বুলি বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠানে ৰাজ্য চৰকাৰৰ ওচৰত প্ৰস্তাৱ, স্মাৰক-পত্ৰ আদিৰ জৰিয়তে দাবী কৰি থকাটো সঁচা নেকি ?

(খ) যদি তেনেধৰণৰ প্ৰস্তাৱ বা স্মাৰক পত্ৰ পোৱা হৈছিল এই বিষয়ত চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) এনে দাবীৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে কিবা মতামত ৰাজ্যিক চৰকাৰক জনাইছে নেকি ?

শ্ৰীদুৰ্গা দাস বড়ো ( ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণী কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা।

(খ) বিষয়টিৰ ওপৰত চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আছে।

(গ) জনোৱা নাই।

Re: Payment of Gratuity.

Shri Manilal Goala asked :

97. Will the Minister, Labour & Employment be pleased to state :

(a) What measures have so far been taken to make payment of Gratuity to the retired workers of Isabheel T.E. & Longai T.E. under the Karimganj District and owned and run by the A.T.C.?

(b) When the payment of outstanding cases of Gratuity can be expected?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম ও নিয়োগ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম চাহ নিগমে বিত্তীয় সংকটৰ বাবে, গ্ৰেচুইটি আদায় দিব পৰা নাই।

(খ) বিত্তীয় অৱস্থাৰ উন্নতি হোৱাৰ লগে লগে নিগমে ব্যৱস্থা লব পাৰিব।

বিষয় : অঞ্চলিব প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে :

৯৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ অঞ্চলিত স্থাপন হোৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ গৃহ সমূহৰ নিৰ্মাণৰ কাম বৰ্ত্তমানে সম্পূৰ্ণভাৱে বন্ধ হৈ থকা কথাটো সঁচানে?

(খ) যদিহে সঁচা, তেনেহলে ইয়াৰ কাৰণ কি?

(গ) স্বাস্থ্য কেন্দ্ৰটোৰ সম্পূৰ্ণ কাম হোৱাটো কেতিয়ালৈ আশা কৰিব পাৰি?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অঞ্চলিক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কাম বৰ্তমান বন্ধ হৈ থকাটো সঁচা।

(খ) ঠিকাদাৰজনৰ কাম অত্যন্ত লেহেম গতিৰ বাবে তেওঁৰ পৰা বাকী থকা কামখিনি প্ৰত্যাহাৰ কৰা হয়। কিন্তু বৰ্তমান পুঁজিৰ অভাৱৰ বাবে বাকী কামখিনি অন্য ঠিকাদাৰক আৱন্তন কৰা হোৱা নাই।

(গ) পুঁজিৰ সাপেক্ষে অহা বিত্তীয় বছৰৰ ভিতৰত কামটো সম্পূৰ্ণ হব বুলি আশা কৰা যায়।

Re: Construction of Bridge.

Shri Santi Ranjan Dasgupta asked:

99. Will the Minister, P.W.D. be pleased to state:

(a) Whether it is a fact that a sum of Rs. 75,000/- was paid to Executive Engineer Nagaon by the D.R.D.A. in the year 1986-87 for construction Bridge over river Dimaru on the Road from Kandulimari to Baliram Pathar under Hojai constituency ?

(b) If so, whether the construction of the Bridge over river Dimaru at village point Brajapur has so far been taken up ?

(c) If not when it will be taken up ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হোজাই সমষ্টিৰ অন্তৰ্গত কান্দলীমাৰীৰ পৰা বালিৰাম পথাৰ ৰাস্তাৰ ডিমৰু নদীৰ ওপৰত দলং সজাৰ কাৰণে ১৯৮৬-৮৭ চনত D.R.D.A. য়ে গড়কাপ্তানী (পথ) বিভাগৰ নগাওঁ পূৱ মণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাক তেনে কোনো ধন দিয়া নাছিল।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয় : বঙ্গাইগাওঁ পথ সংমণ্ডলৰ বাবে মঞ্জুৰী।

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে :

১০০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙ্গাইগাওঁ গড়কাপ্তানী সংমণ্ডলক ১৯৮৮-৮৯ চনত F.D.A. ত কিমান টকা মঞ্জুৰী দিছে ?

(খ) উক্ত মঞ্জুৰীৰ টকা কোন কোন ৰাস্তাত খৰচ কৰা হৈছে? ( ৰাস্তাৰ নাম আৰু টকাৰ পৰিমাণৰ তালিকাখন সদনৰ মেজত দাখিল কৰিব )

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ২৪·০০ লাখ টকা।

(খ) ৰাস্তাৰ নাম আৰু টকাৰ পৰিমাণ সন্নিবিষ্ট খৰচৰ এখন তালিকা লগত গাঠি দিয়া হ'ল।

( See the list at Annexure III )

বিষয়: কোকৰাঝাৰ বিনিময় নিয়োগ কেন্দ্ৰ

শ্ৰীমকবুল হুচেইনে সুধিছে:

১০১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কোকৰাঝাৰ নিয়োগ বিনিময় কাৰ্য্যালয়ত মুঠ কিমান নিবন্ধুৱাৰ নাম পঞ্জীয়নভুক্ত কৰা আছে?

(খ) ১৯৮৬ ইং চনৰ পৰা ১৯৮৮ ইং চনলৈ মুঠ কিমান জনক সাক্ষাৎকাৰৰ বাবে মতা হৈছে?

(গ) উক্ত পঞ্জীয়নভুক্ত লোক সকলক জ্যেষ্ঠতাৰ ভিত্তিত মতা হৈছিল নে?

(ঘ) যদি হোৱা নাই তেন্তে কি ভিত্তিত মতা হৈছিল?

(ঙ) উক্ত সাক্ষাৎকাৰৰ বাবে মতা সকলৰ নামৰ বিপৰীতে পঞ্জীয়নভুক্তৰ তাৰিখ উল্লেখ কৰি তালিকা এখন সদনৰ মেজত দিবনে?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ৩১/১২/৮৮ তাৰিখলৈ মুঠ পঞ্জীয়নভুক্ত প্ৰাৰ্থীৰ সংখ্যা ২৫,২৪০ জন।

(খ) ১৯৮৬-১৯৮৮ চনলৈ সাক্ষাৎকাৰৰ বাবে মতা মুঠ প্ৰাৰ্থীৰ সংখ্যা ১৭,৯৫২ জন।

(গ) হয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) ইং ১/১/৮৬ তাৰিখৰ পৰা ৩১/১২/৮৮ ইং তাৰিখৰ ভিতৰত মুঠ ১৭,৯৫২ জন প্ৰাৰ্থীৰ নাম বিভিন্ন বিভাগলৈ পঠিওৱা হয়। কিন্তু বৰ্ত্তমান সমগ্ৰ কোকৰাঝাৰ জিলা বিয়পি বিৰাজমান অশান্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰাৰ্থীৰ পঞ্জীয়ন সহ তালিকা প্ৰস্তুত কৰি দাখিল কৰা সম্ভৱ হোৱা নাই।

বিষয়: চৰগোলা আৰু সিংলাচেৰা চাহ বাগিছা

শ্ৰীমতী কুমাৰী ৰবি দাসে সুধিছে:

১০২। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কাছাৰ জিলাৰ চৰগোলা আৰু সিংলাচেৰা চাহ বাগিছা দুখন বহুদিন ধৰি বন্ধ হৈ থকা কথাটো চৰকাৰৰ অৱগত নে?

(খ) যদি অবগত চৰকাৰে উক্ত বাগিছাবোৰ আকৌ খুলিবৰ বাবে ব্যৱস্থা হাতত লৈছে নে ?

(গ) যদি লৈছে তেন্তে কেনে ধৰণৰ লোৱা হৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) কলিকতা উচ্চ ন্যায়ালয়ত দখল আৰু মালিকী স্বত্বলৈ বিবাদ চলি থকা বাবে বাগান দুখন পুনৰ খুলিবলৈ কোনো ব্যৱস্থা লব পৰা হোৱা নাই । বিষয়টো এতিয়াও আদালতৰ বিচৰাধীন হৈ আছে ।

(গ) ওপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

Re: Completion of Bridge.

Shri Abdul Jabbar asked:

*103. Will the Minister P.W.D be pleased to state:

The steps already taken by the Government to complete the works of Kacharibhetitop—Silbari bridge under Dalgaon (Road) sub-division ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

মূল দলংখনৰ কাম ১৫।১০।৮৭ ইং তাৰিখত শেষ হৈছিল । কিন্তু প্ৰতি বছৰত নদীয়ে গতি সলোৱাৰ বাবে দলংখনৰ মূৰ দুটা মূল ৰাষ্টাৰ বাবে লগত সংলগ্ন কৰিব পৰা নাই । এই বিষয়ে নদীৰ গতি অধ্যয়ন কৰি থকা হৈ আছে ।

Re: Roads Selected for Metalling and Blacktopping.

*104. Will the Minister, P. W. D. be pleased to State:

Shri Digendra Purkayastha asked:

a) What are the roads under Hailakandi Division that have been selected for metalling and blacktopping the year 1988-89 ?

b) Whether any blacktopping and metalling work will

be undertaken on the P. D. B. ( Paloo-Derby-Borjalonga ) road under Hailakandi Division during the current financial year ?

c) If not, will the Government take appropriate steps to that effect on priority basis ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত ' ৰাষ্টা পকীকৰণ" শিতানত হাইলাকান্দি সংমণ্ডলত পকীকৰণৰ বাবে বাছি লোৱা পথবোৰ হ'ল :

১। শ্ৰীকোনা মোহনপুৰ পথৰ ৪ৰ্থ কিলোমিটাৰত ৩৬৫ মিটাৰ ।
২। বাঘচান্দি কুৱাৰী পথৰ ১ম কিলোমিটাৰত ২২২ মিটাৰ ।
৩। আলগাপুৰ মোহনপুৰ পথৰ ৩য় আৰু ৪ৰ্থ কিলোমিটাৰত ৭১০ মিটাৰ ।
৪। হাইলাকান্দি ঘৰমুৱা পথ ৮, ৯, ১৪, ১৫, ২৯ আৰু ৩০ কিলোমিটাৰত মুঠ ১,৯৫৪ কিলোমিটাৰ ।
৫। শিলচৰ হাইলাকান্দি পথৰ ১৭, ২০, ২২, ২৭ আৰু ২৮ কিলোমিটাৰত মুঠ ১,৩৯৭ কিলোমিটাৰ ।
৬। কাটালি চেৰা বঙ্গাঁবাক্ষ চিকিৎসালয় পথৰ ১ম কিলোমিটাৰত ৬০৬ মিটাৰ ।

খ) চলিত বিত্তীয় বছৰত তেনে কোনো প্ৰস্তাৱ নাই ।

গ) পৰিকল্পনা শিতানৰ পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱস্থা লোৱা হ'ব ।

Re : Bridge over river Kinnakhal.

*105. Will the Minister P. W. D. be pleased to State :

Shri Abdul Hamid Mazumdar asked :

a) It it a fact that there was a bridge over Kinnakhal river on Haritikar-Sadirkhal P. W. D. Road ?

b) Is it fact that this bridge was damaged by flood in 1986 ?

c) Is it a fact that this bridge was constructed under Border road project ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় ।

খ) হয় ।

গ) নহয় ।

বিষয় : আমগুৰি চিকিৎসালয়।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে :

১০৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) আমগুৰিত সাজি থকা ৩০ খন বিচনাযুক্ত চিকিৎসালয় খনৰ কাম কৰিবলৈ দিয়া দুজন ঠিকাদাৰে সুন্দৰ ভাৱে কাম সম্পূৰ্ণ কৰি দিয়াৰ পাচতো আজিও দুজনে কাম সম্পূৰ্ণ নকৰাৰ কথাটো সঁচানে ?

খ) তিনি বছৰেও সম্পূৰ্ণ কৰি উলিয়াব নোৱাৰা এই চিকিৎসালয়ৰ সম্পূৰ্ণ কামটোৰ বাবে কেতিয়ালৈ আশা কৰিব পাৰি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) আমগুৰিত সাজি থকা ৩০ খন বিচনাযুক্ত চিকিৎসালয় খনৰ মূল চিকিৎসালয় গৃহ আৰু ৪টা চিকিৎসকৰ আবাসগৃহৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। তৃতীয় শ্ৰেণীৰ ১৬ টা আবাস গৃহৰ ভিতৰত ৮ টা আবাস গৃহৰ কাম আৰম্ভ কৰা হৈছিল আৰু সেই কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। চতুৰ্থ শ্ৰেণীৰ ১২ টা আবাস গৃহৰ ভিতৰত ৮ টাৰ কাম আৰম্ভ কৰা হৈছিল তাৰে ৪ টাৰ কাম সম্পূৰ্ণ হৈছে আৰু ৪ টাৰ কাম চলি আছে। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ আবাস গৃহ কৰিবলৈ দিয়া ঠিকাদাৰ দুজনৰ কাম সম্পূৰ্ণ নোহোৱাটো সঁচা।

খ) উক্ত কামৰ বাবে আৱশ্যকীয় বিলাতি মাটি আৰু উক্ত শিতানত পুজিৰ অভাৱ নহলে অহা বছৰৰ ৩১ মাৰ্চ ১৯৯৩ চনৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব পৰা যাব।

বিষয় : চুতিয়া সম্প্ৰদায়।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

১০৭। মাননীয় অনুসূচীত জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ জনাবনে :

ক) অসমৰ চুতীয়া সম্প্ৰদায়ৰ লোক সকলক অনুসূচীত জনজাতিৰ তালিকা-ভুক্ত কৰিবলৈ অনুমোদন জনোৱা বিষয়টো চৰকাৰে বিবেচনা কৰি থকা কথাটো সঁচানে ?

খ) যদি সচা, অনুমোদন কেতিয়া দিব ?

শ্ৰীদুৰ্গা দাস বড়ো (ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, সঁচা।

খ) বিষয়টি চৰকাৰে পৰীক্ষা কৰি আছে।

বিষয় : দিল্লী ঘাটৰ শিল মহল।

শ্ৰীকুসুম্বৰ তাইৰাই গগৈ য়ে সুধিছে :

১০৮। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

ক) ডিব্ৰুগড় জিলাৰ বন সংমণ্ডলৰ অন্তৰ্গত জয়পুৰ আঞ্চলিক বন বিভাগৰ দ্বাৰা তদাৰক কৰা দিল্লী ঘাটৰ শিলৰ মহলটোৰ গবাকী কোন ?

খ) এই মহলৰ গৰাকীয়ে একেৰাহে ২০ বছৰ বন্দোবস্তী পাই থকা কথাটো সঁচানে ?

গ) যোৱা ১৫ বছৰেও এই মহলৰ চৰকাৰী নিয়ম অনুসৰি বিধিগত ভাৱে নিবিদা আহ্বান নকৰাৰ কথা চৰকাৰে জানেনে ?

ঘ) যদি জানে, এই মহলটোৰ অনিয়মতাৰ বাবে চৰকাৰী ভাবে অনুসন্ধানৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীযুত সুৰেন্দ্ৰ নাথ মেধি (বন মন্ত্ৰী) য়ে উত্তৰ দিছে ।

ক) ডিব্ৰুগড় বন সংমণ্ডল জয়পুৰ আঞ্চলিক বন বিষয়াৰ অধীনত তলত ছয়টা মহল আছে ।

১। দিল্লী শিল মহল নং জেপি /১- বৰ্ত্তমান বন্ধ হৈ আছে ।
২। দিল্লী শিল মহল নং জেপি /২- শ্ৰীনিখিল গগৈ ।
৩। দিল্লী শিল মহল নং জেপি /৩ (এ) শ্ৰীচন্দ্ৰ কান্ত দাস ।
৪। দিল্লী শিল মহল নং জেপি /৪- শ্ৰীদীন নাথ দাস ।
৫। দিল্লী শিল মহল নং জেপি /৫- শ্ৰীবুলীন চন্দ্ৰ দাস ।
৬। দিল্লী শিল মহল নং জেপি /৬- শ্ৰীকুলৱন্ত ৰায় ।

খ) তথ্যমতে এই মহল কেইটাৰ ভিতৰত কোনো মহলদাৰে একেৰাহে ২০ (বিশ) বছৰ বন্দোবস্তী পোৱা নাই । তথাপি জেপি /৫ আৰু জেপি ৬/ মহল দুটা একে কেইজন মানুহৰ অধীনত যথাক্ৰমে ১৩½ বছৰ আৰু ১০½ বছৰ বন্দোবস্তী চলি আছে ।

গ) বিধিমতে বন সংমণ্ডল বিষয়াই নিবিদা আহ্বান কৰে ।

ঘ) প্ৰশ্ন নুঠে ।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে :

বিষয় : Agriculture Farm and Equipment production Centre:

১০৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) Agricultulture Farm and Equipment Production Centre এটিৰ বাবে বিশ্বনাথ চাৰিআলিৰ পলীয়া অঞ্চলত মাটি জৰীপ হৈ যোৱা কথাটো সত্যনে ?

খ) যদি সত্য ইয়াৰ কাম কেতিয়া মানে আৰম্ভ হব ?

শ্ৰীদেৱ কুমাৰ বৰা (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সত্য ।

খ) ইতিমধ্যে কাম কৰিবলৈ ব্যৱস্থা লোৱা হৈছে ।

Re: Procedure for Selection of Candidates.

Shri Sheikh Abdul Hamid asked:

110. Will the Minister, Labour & Employment be pleased to state?

(a) The procedure of Selection of Candidates through Employment Exchanges for various services?

(b) How many registered unemployed candidates were called for interview through Barpeta District Employment Exchanges during 1985-86, 1986-87, 1987-88, and 1988-89 till date? (Please show separately candidates of majority community, religious Minority and other communities?)

শ্ৰীবার্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) নিয়োগ কৰ্ত্তালৈ প্ৰেৰণ কৰিবৰ বাবে প্ৰাৰ্থী বাচনি কৰোঁতে নিয়োগ বিনিময় কেন্দ্ৰ সমূহে ৰাষ্ট্ৰীয় নিয়োগ সেৱা নিয়মাৱলী (প্ৰথম খণ্ড) N. E. S. M. Vol. Iত থকা পদ্ধতি সমূহ অনুসৰণ কৰে। এই ক্ষেত্ৰত তলত উল্লেখ কৰা বিষয় সমূহ নিয়োগ বিনিময় কেন্দ্ৰই লক্ষ্য কৰে।

১। প্ৰাৰ্থীয়ে চাকৰিৰ যোগ্যতা পূৰাব লাগিব।

২। চাকৰি পোৱাৰ আগতে নিয়োগ কৰ্ত্তাই বিচৰা দক্ষতা।

৩। প্ৰয়োজনীয় অৰ্হতা যেনে: প্ৰশিক্ষণ, অভিজ্ঞতা, বয়স, লিঙ্গ, ব্যক্তিত্ব আদি।

৪। নিয়োগ কৰ্ত্তাই আৰোপ কৰা অন্যান্য প্ৰয়োজনীয়তা।

৫। চাকৰি পোৱাৰ পিচত প্ৰাৰ্থীয়ে পাবলগীয়া দৰমহা আৰু চাকৰিৰ স্বৰ্ত্ত সমূহ গ্ৰহণযোগ্য হব নে নহয়।

৬। প্ৰয়োজনীয় অৰ্হতা নথকা প্ৰাৰ্থী সমূহক বাতিল কৰা হয় আৰু একে ধৰণৰ যোগ্যতা থকা প্ৰাৰ্থীৰ সংখ্যা বেচি হলে পঞ্জীয়নৰ জেষ্ঠতা অনুসৰি বাচনি কৰা হয়।

তাৰোপৰি প্ৰায় বিলাক নিয়োগ বিনিময় কেন্দ্ৰতে স্থানীয় উপায়ুক্ত/মহকুমাধিপতিৰ সভাপতিত্বত একোখনকৈ স্থানীয় সমিতি আছে, যিয়ে প্ৰাৰ্থীৰ নাম প্ৰেৰণ কৰাত পৰীক্ষা কৰাৰ লগতে উপদেশ

আদিও দিয়ে। প্ৰাৰ্থীৰ নামৰ তালিকা নিয়োগ কৰ্ত্তালৈ পঠোৱাৰ আগতে এই সমিতিয়ে অনুমোদন কৰে।

(খ) ১৯৮৫-৮৬, ১৯৮৬-৮৭, ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত বৰপেটা জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে সাক্ষাৎকাৰৰ বাবে পঠোৱা প্ৰাৰ্থীৰ সংখ্যা এনে ধৰণৰ :

১৯৮৫ – ৮৬ = ২৬৪৭ জন

১৯৮৬ – ৮৭ = ৪২৫৮ জন

১৯৮৭ – ৮৮ = ৪০১৫ জন

১৯৮৮ – ৮৯ ফেব্ৰুৱাৰীলৈ ৩৫৫৯ জন।

এই প্ৰাৰ্থী সকলৰ ভিতৰত সংখ্যাগুৰু ধৰ্মীয় সংখ্যালঘু আৰু অন্যান্য সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ সংখ্যা এনে ধৰণৰ :

| বছৰ | ধৰ্মীয় সংখ্যালঘু | অনুসূচীত জাতি | অনুসূচীত জনজাতি | অন্যান্য পিচপৰা সম্প্ৰদায় | সংখ্যাগুৰু আৰু অন্যান্য |
|---|---|---|---|---|---|
| ১৯৮৫-৮৬ | ২৫৮ | ২১১ | ২৪৬ | ২৭৫ | ১৬৪৭ |
| ১৯৮৬-৮৭ | ৩৭৮ | ৩৮৮ | ৩১৭ | ২৭৫ | ২৯০০ |
| ১৯৮৭-৮৮ | ২৯০ | ২৬৮ | ২২১ | ১৯৬ | ৩০৪০ |
| ১৯৮৮-৮৯ | ৩৪১ | ২৫৫ | ২৯২ | ২৭৭ | ২৩৯৪ |

Re: Registered and unregistered tea gardens.

Shri Dileswar Tanti asked :

111. Will the Minister, Labour & Employment be pleased to state.

The total number of registered tea gardens in Assam and the number of the unregistered tea gardens that have come up recently ?

(The list of unregistered tea gardens may be placed on the Table of the House indicating the name of these new gardens which have been inspected by the departmental authorities upto this date.

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বৰ্তমানে অসমত ৭৩৮ খন পঞ্জীয়নভুক্ত আৰু ৫৫ খন অ-পঞ্জীয়নভুক্ত চাহ বাগিছা আছে। পঞ্জীয়নভুক্ত চাহ বাগিছাৰ ( Annexure—A ) তালিকা এই উত্তৰৰ লগত গাঠি দিয়া হ'ল ।

( See the list at Annexure IV )

Re: Harisinga Inspection Bunglow.

Shri Binoy Khungua Basumatari asked :

112. Will the Minister, P.W.D. be pleased to state :

(a) Whether it is a fact that the plan and estimates for the Harisinga I.B. for Rs. 6,87,200/- was sent by the Superintending Engineer, PWD, Tezpur to Chief Engineer, PWD ( Bldg. ), Assam, Guwahati-3 on 29.10.88 vide S.E.'s letter No. SE/BT-69/83/1554 ?

(b) Whether it is also a fact that the Honourable Minister assured on the floor of the House, "that it will be completed next year" during the Budget Session in 1986 ?

(c) If so, what are the reasons of this inordinate delay ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(a) হয় ।

(b) উপযুক্ত মাটিৰ অভাৱত কৰিব পৰা হোৱা নাই । গড়কাপ্তানী বিভাগলৈ ৫-৯-৮৮ তাৰিখেহে মাটি ডোখৰ হস্তান্তৰ কৰা হৈছে । এই কামৰ কাৰণে প্ৰাক্কলন তৈয়াৰ কৰা হৈছে আৰু বৰ্তমানে প্ৰাক্কলন অনুমোদন দিয়াৰ কাৰণে পৰীক্ষা কৰি থকা হৈছে ।

(c) উপযুক্ত কাৰণবশতঃ কামটো হৈ উঠা নাই ।

Re: Creation of Division for Roads in Udalguri:

Shri Silvius Condpon asked :

113. Will the Minister, PWD be pleased to State:

(a) Whether Government is considering to create

a Division for Roads for Udalguri Sub-Division in Udalguri considering its present work-load on Mangaldoi Roads Division ?

(b) How much fund under S/R, A/R and F.D.R. were placed during 1986-87, 1987-88 and 1988-89 for Mangaldoi Roads Division and he did its allot these funds in Tangla, Dalgaon and Mangaldoi Roads Sub-Divisions during those years ?

(Years and Sub-Divisionwise allocation of S/R, A/R and F.D.R. fund may kindly shown for those periods ).

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, বিবেচনাধীন হৈ আছে ।

(খ) মঙ্গলদৈ পথ সংমণ্ডলৰ বাবে ১৮৮৬-৮৭, ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনৰ বিশেষ মেৰামত্তি/- বাৰ্ষিক মেৰামতি আৰু বান বিধ্বস্ত মেৰামতি শিতানত তলত দিয়া ধৰণে পুঁজি আবণ্টন দিয়া হৈছে। বিশেষ মেৰামতি আৰু বাৰ্ষিক মেৰামত্তিৰ বাবে আৰু অন্য পুঁজি পৃথক ভাবে উপসংমণ্ডলৰ নামত আবণ্টন দিয়া নহয় । প্ৰত্যেক উপসংমণ্ডলৰ অধীনত থকা জৰুৰী ধৰণৰ কাম-বোৰ হাতত লোৱা হয় । পৃথক ভাবে প্ৰতি উপসংমণ্ডলৰ যোৱা তিনি বছৰত কৰা এটি হিচাব তলত দিয়া হল ।

| বছৰ | বিশেষ মেৰামতি/বাৰ্ষিক মেৰামতি শিতানত মুঠ আবণ্টন । | | | খৰচ |
|---|---|---|---|---|
| ১৯৮৬-৮৭ | ৮৩ লাখ | ১। মঙ্গলদৈ উঃ সঃ | — | ৪১.৪৫ লাখ |
| | | ২। টংলা উঃ সঃ | — | ৩৮.৯৪ ,, |
| | | ৩। দলগাওঁ উঃ সঃ | — | ১৫.৮২ ,, |
| ১৯৮৭-৮৮ | ৮৯ ,, | ১। মঙ্গলদৈ উঃ সঃ | — | ৪৩.০৩ ,, |
| | | ২। টংলা উঃ সঃ | — | ৩৬.১৯ ,, |
| | | ৩। দলগাওঁ উঃ সঃ | — | ১৩.৯২ ,, |
| ১৯৮৮-৮৯ | ৮৫ ,, | ১। মঙ্গলদৈ উঃ সঃ | — | ২৭.৩৩ ,, |
| | | ২। টংলা উঃ সঃ | — | ৩২.৮৫ ,, |
| | | ৩। দলগাওঁ উঃ সঃ | — | ১৫.১১ ,, |

| বছৰ | বানবিধ্বস্ত মেৰামতি শিতানত পুঁজি আবণ্টন | | খৰচ |
|---|---|---|---|
| ১৯৮৬-৮৭ | ৩৮ লাখ | ১। মঙ্গলদৈ উ: স: | ৩'০৪ লাখ |
| | | ২। টংলা উ: স: | ৩৩'৮২ ,, |
| | | ৩। দলগাওঁ উ: স: | ১'২৪ ,, |
| ১৯৮৭-৮৮ | ৩৫'২২ ,, | ১। মঙ্গলদৈ উ: স: | ১৩'৬৫ ,, |
| | | ২। টংলা উ: স: | ১৫'০০ ,, |
| | | ৩। দলগাওঁ উ: স: | ৬'৫৬ ,, |
| ১৯৮৮-৮৯ | এতিয়ালৈকে ১৭'৩৪ লাখ টকা আবণ্টন দিয়া হৈছে। | ১। মঙ্গলদৈ উ: স: | ৩'৪৫ ,, |
| | | ২। টংলা উ: স: | ৬'২৩ ,, |
| | | ৩। দলগাওঁ উ: স: | ০ ৩৩ ,, |

বিষয়: চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ সমস্যা।

শ্ৰীদীপেন তাঁতীয়ে সুধিছে:

১১৪। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ সঞ্চালকালয়খন পূৰ্ণাঙ্গ সঞ্চালকালয় হয় নে?

(খ) যদি হয় উক্ত সঞ্চালকালয়ৰ বাবে জিলা কাৰ্য্যালয় বা শাখা কাৰ্য্যালয় খোলাৰ ব্যৱস্থা চৰকাৰে কৰিছেনে?

(গ) অন্যান্য পিচপৰা শ্ৰেণীৰ আবন্টিত পুঁজিৰ পৰা কিমান টকা চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ বাবে খৰছ কৰা হয়?

(ঘ) চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ বাবে পৃথক সঞ্চালকালয় থকাৰ বাবে অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে আবন্টিত পুঁজিৰ পৰা এটা বিশেষ শিতানৰ পুঁজি এই সঞ্চালকালয়ৰ শিতানত আবণ্টন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীদুৰ্গাদাস বড়ো (ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ ৰজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়।

(খ) বিভিন্ন মহকুমাত থকা মহকুমা কল্যাণ বিষয়া সকলৰ জৰিয়তেই চাহ ও প্ৰাক্তন চাহ জনজাতি সকলৰ বাবে থকা আঁচনি বিলাক কাৰ্য্যকৰী কৰা হয়।

(গ) এই সঞ্চালকালয়ৰ পৃথক পুঁজি আছে। সেই বাবে অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে আবণ্টিত পুঁজিৰ পৰা খৰছ কৰা প্ৰশ্ন নুঠে।

(ঘ) 'গ' প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Re : Roads under O.M.N.P. and M.N.P. in Mangaldoi

Shri Nilamoni Das asked :

**115.** Will the Minister, P.W.D. be pleased to state :

(a) What are the roads taken up under O.M.N.P. & M.N.P. in Mangaldoi Constituency of Darrang District during 1987-88 and 1988-89 ?

(b) How many of them have been completed ?

(c) What are the roads which have not been completed so far ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দৰং জিলাৰ মঙ্গলদৈ সমষ্টিৰ অধীনত ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনৰ বাবে নূন্যতম চাহিদা আঁচনি (M.N.P.) আৰু নূন্যতম চাহিদা আঁচনিৰ বহিৰ্ভূত আঁচনি ( O.M.N.P. ) ত লোৱা পথ সমূহৰ নাম আৰু বিৱৰণ প্ৰবিৱৰণ 'ক' আৰু 'খ' ত দি তাৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হৈছে। ( See the copy at Annexure $V_1$ )

(খ) নূন্যতম চাহিদা আঁচনিৰ বহিৰ্ভূত আঁচনিত (O.M.N.P.) ১৯৮৭-৮৮ চনৰ বাবে লোৱা পথ সমূহৰ মাত্ৰ ৬ টা পথ সম্পূৰ্ণ লৈছে। সম্পূৰ্ণ যোৱা পথ বিলাকৰ নামৰ তালিকা প্ৰবিৱৰণ 'গ' ত দি তাৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হৈছে। ( See the copy at Annexure $V_2$ )

(গ) এতিয়ালৈকে অসম্পূৰ্ণ হৈ থকা পথ বিলাকৰ নাম প্ৰবিৱৰণ 'ঘ' ত আৰু 'ঙ' ত দি তাৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হৈছে। ( See the copy at Annexure $V_3$ )

বিষয় : বানপানী ক্ষতিগ্রস্ত পথৰ বাবে মঞ্জুৰী

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

১১৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বানপানীয়ে নষ্ট কৰা পথ দলং আদি পুনৰ নিৰ্ম্মানৰ বাবে যোৱা বছৰটোত কিমান টকা বিভাগে পাইছিল আৰু এই টকাখিনি কোন কোন ডিভিজনক কিমানকৈ দিয়া হৈছে ?

(খ) গোলাঘাট পথ ডিভিজনৰ অন্তৰ্গত বান অধ্যুষিত অঞ্চলৰ (বোকাখাত, খুমটাই, দেৰগাওঁ সমষ্টিৰ) খণ্ড বিখণ্ড কৰা পথ সমূহ অহা বাৰিষাৰ আগে আগে মেৰামতি হোৱাৰ আশা কৰিব পাৰিনে ?

(গ) সামান্য বানপানীতে বোকাখাত সমষ্টিৰ, উত্তৰাঞ্চলৰ পথ সমূহ যাতায়তৰ বাবে বন্ধ হৈ যোৱাৰ লক্ষ্য কৰি দুটামান মূল পথ ওখ আৰু উন্নিতকৰণৰ ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বানপানীয়ে নষ্ট কৰা পথ দলং আদি নিৰ্ম্মাণৰ বাবে যোৱা বছৰটোত ৮৮৮·০০ লাখ টকা টকাৰ আবণ্টন পোৱা হয়। ভৈয়াম অঞ্চলৰ কাৰণে ৮১৮·০০ লাখ টকাৰ বণ্টন দিয়া হৈছে। সংমণ্ডল হিচাবে আবণ্টন দিয়া টকাৰ পৰিমাণৰ তালিকা এখন ইয়াৰ লগত গাঠি দিয়া হ'ল। (See the list at Annexure VI)

(খ) পৰ্য্যাপ্ত পৰিমাণৰ পুজি নোপোৱাৰ কাৰণে সকলোবিলাক ৰাস্তা সম্পূৰ্ণ মেৰামতি কৰাৰ আশা কৰিব নোৱাৰি।

(গ) আৱশ্যকীয় পুজি পালে বাৰ্ষিক পৰিকল্পনা শিতানত উন্নতিকৰণৰ ব্যৱস্থা লব পৰা হব।

বিষয় : চেচুঘাট গড়কাপ্তানী আলিৰ দলং

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

১১৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলা চেচুঘাট গড়কাপ্তানী আলিৰ চেচা নদীৰ ওপৰত থকা কাঠৰ দলংখনৰ দৈৰ্ঘ্য কিমান ?

(খ) দলংখন পকীকৰণ কৰিবলৈ হলে অনুমানিক কিমান টকাৰ প্ৰয়োজন হব ?

(গ) চলিত বছৰত দলংখন পকীকৰণৰ বাবে ব্যৱস্থা লৈছে নেকি ?

(ঘ) যদি লৈছে কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব পৰা যাব ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় জিলাৰ চেচুঘাট গড়কাপ্তানী আলিৰ চেচা নদীৰ ওপৰত থকা দলংখনৰ দৈৰ্ঘ্য ৭৩'০০ মিটাৰ।

(খ) দলংখন পকীকৰণ কৰিবলৈ অনুমানিক ৭০'০০ লাখ টকাৰ প্ৰয়োজন হব ।

(গ) চলিত বছৰত এই দলংখন পকীকৰণ কৰিবলৈ এতিয়ালৈ কোনো আঁচনি আমাৰ হাতত নাই।

(ঘ) প্ৰশ্ন নাই।

বিষয় : কাৰ্বি লোক সকলক সুবিধা দিয়া

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

১১৮। মাননীয় জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ ভৈয়ামত বাস কৰা কাৰ্বি লোক সকলক পাহাৰত থকা কাৰ্বি সকলৰ দৰে সমানে সুবিধা দিয়াৰ বিষয়ে কোনো স্মাৰক পত্ৰ অসম চৰকাৰে পাইছিল নেকি ?

(খ) যদি এনে স্মাৰক পত্ৰ পোৱা হৈছে, এনে ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীদুৰ্গা দাস বড়ো ( ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসমৰ ভৈয়ামত বসবাস কৰা কাৰ্বি লোক সকলক অসমৰ অনুসূচীত জনজাতি তালিকাত অন্তৰ্ভুক্তি কৰিবৰ বাবে চৰকাৰে স্মাৰক পত্ৰ পাইছে ।

(খ) চৰকাৰে বিষয়টো পৰীক্ষা কৰি আছে ।

বিষয়ঃ উত্তৰ শালমৰা মহকুমাৰ গড়কাপ্তানী ৰাস্তা।

শ্ৰীমকবুল হুচেইনে সুধিছে :

১১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

উত্তৰ শালমৰা মহকুমাত গড়কাপ্তানী ৰাস্তা নথকা জপেয়া আৰু নম্বৰ পাৰা চকলা গাওঁ পঞ্চায়ত দুখনক সামৰিলৈ চাকলাৰ পৰা সুজনগ্ৰাম উন্নয়ন খণ্ডলৈ এটা P.W.D. ৰাস্তা কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বৰ্তমান তেনে ধৰণৰ কোনো প্ৰস্তাৱ নাই।

Re: M. N. P. Roads.

Shri Santi Ranjan Dasgupta asked :

120. Will the Minister, P. W. D. be pleased to state :

(a) Whether it is a fact that for the last two years the M.N.P. roads taken up for construction, constituency-wise are chosen by the Department concerned ?

(b) Whether the officers, selecting the roads, consult with the M.L.As of the respective constituency prior to their submission in the Sub-Divisional Planning Board ?

(c) Is their any procedure to inform the Public Representatives the name of the Roads selected under M.N.P. for construction Constituencywise ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বিকেন্দ্ৰীকৃত পৰিকল্পনা আৰম্ভ হোৱাৰ পৰা অৰ্থাৎ ১৯৮৭-৮৮ চনৰ পৰা সংশ্লিষ্ট কাৰ্য্যবাহী অভিযন্তাই নুন্যতম চাহিদা আঁচনিৰ পথৰ তালিকা মহকুমা হিচাপে প্ৰস্তুত কৰি সংশ্লিষ্ট মহকুমা ভিত্তিত পৰিকল্পনা আৰু উন্নয়ন পৰিষদত অনুমোদনৰ বাবে দাখিল কৰে। উক্ত পৰিষদত অনুমোদিত হোৱাৰ পিচত তালিকা বিলাক বিভাগীয় অনুমোদনৰ বাবে বিভাগত দাখিল কৰে।

(খ) আঁচনিৰ তালিকা মহকুমা ভিত্তিক পৰিকল্পনা আৰু উন্নয়ন পৰিষদত দাখিল কৰাৰ আগতে বিধায়ক সকলৰ লগত আগতীয়া আলোচনা কৰাৰ

কোনো ধৰা বন্ধা নিয়ম নাই যদিও এই সম্পৰ্কত বিধায়ক সকলে দিয়া দিহা পৰামৰ্শক অগ্ৰাধিকাৰ দিয়াত ৰাধা নাই। উল্লেখনীয় যে আঁচনিৰ তালিকা বিলাক মহকুমা হিচাপেহে কৰা হয়, সমষ্টি হিচাপে নহয়।

(গ) যিহেতু বিধায়ক সকল আঁচনি নিৰ্বাচন/অনুমোদন কৰা মহকুমা ভিত্তিক পৰিকল্পনা আৰু উন্নয়ন পৰিষদৰ সদস্য গতিকে তেওঁলোকৰ নিজ নিজ সমষ্টিৰ বাবে অনুমোদিত পথৰ নাম তেওঁলোকৰ অৱগত। ন্যূনতম চাহিদা আঁচনিৰ অধীনত অনুমোদিত হোৱা পথৰ নাম বিধায়ক সকলক জনোৱাৰ কোনো নীতি নিদ্ধাৰন কৰা হোৱা নাই।

বিষয়ঃ অনুসুচীত জাতিৰ ধন

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে:

২২১। মাননীয় অনুসূচীত জাতি আৰু জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১৯৮৮-৮৯ ইং চনৰ অনুসূচীত জাতিৰ ( Component Plan )ৰ আবন্টিত ধন সকলো বিভাগে খৰচ কৰিছে নে?

(খ) যদি কৰা নাই, কোন কোন বিভাগত এই ধন খৰছ হোৱা নাই?

(গ) এই ধনখিনি উক্ত বিভাগ সমূহে খৰছ কৰিব নোৱাৰাৰ কাৰণ কি?

শ্ৰীদুৰ্গা দাস বড়ো ( ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) সংশ্লিষ্ট বিভাগবোৰে অনুসূচীত জাতিৰ ধন ( Component Plan ) ১৯৮৮-৮৯ চনৰ খৰছ কৰাৰ কাৰণে ব্যৱস্থা আছে। চলিত বিত্তীয় বছৰ শেষ হোৱাৰ আগতে অনুসূচীত জাতিৰ আবন্টিত ধন সম্পূৰ্ণ খৰছ হৈছে নে নাই এতিয়া কোৱা সম্ভৱ নহয়। বিত্তীয় বছৰ শেষ হোৱাৰ পিচত এই তথ্য পোৱা যাব।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয়: আলিপুৰ চেৰাউগী ৰাস্তা

শ্ৰীমতী কুমাৰী ৰবি দাসে সুধিছে:

১২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাটাবাৰী সমষ্টিৰ অন্তৰ্গত আলিপুৰ চেৰাউগী ৰাস্তাটো পিচ কৰিবৰ বাবে কিবা ব্যৱস্থা হাতত লৈছে নে ?

(খ) যদি লৈছে, কেতিয়ালৈকে কামটো সম্পূৰ্ণ কৰা হ'ব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) উত্তৰ দিছে :

(ক) লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

Re : Serviceable Tractor

Shri Abdul Muktadir Choudhury asked :

123. Will the Minister, Agriculture be pleased to state :

(a) The number of Serviceable Tractor in the District Agriculture office, Karimganj.

(b) Number of Tractors required for Karimganj District ?

(c) Whether Government proposes to purchase more tractors for Karimganj District to meet the requirement of the public.

Shri Deba Kr. Bora (Minister, Agriculture) replied :

(a) The number of serviceable tractors in the Sub-Divisional Agricultural Engineer 5 (five) nos.

(b) Number of Tractors required for Karimganj District is about 30 (thirty) nos.

(c) Subject to availability of funds, tractors shall be provided accordingly.

Re : Recruitment of V. L. E. W.

Shri Dinesh Prasad Goala asked :

124. Will the Minister, Agriculture be pleased to state :

(a) Whether it is a fact that large numbers of V.L.E.W. have been recruited recently ?

( Please furnish the number Districtwise )

(b) Whether population pattern have been reflected during the time of recruitment ?

(c) What is the total number of candidates belonging to tea and ex-tea garden labour community have been recruited ? (Districtwise list may please be furnished)

Shri Deba Kr. Bora (Minister of Agriculture) replied :

(a) No. the candidates are first selected for training. It is only when a candidate successfully completes the training that the question of recruitment and appoinment arises according to vacancies.

(b) Does not arise.

(c) Does not arise.

Re : Demaged bridges under P. W. D. Road

Shri Dinesh Prasad Goala asked :

125. Will the Minister, P. W. D. be pleased to state :

a) Is it a fact that Chatto manda Rupabali and 180 L. P. to Barmamda road including 3 (three) number of Bridges under P. W. D. road Division, Silchar have been damaged due to last flood ?

b) Is it a fact that this is the only communication link of the area ?

c) If so, what steps have been taken to repair these roads and bridges ?

d) If not, will the Government give immediate sanction under F. D. R. for this Road and bridges ?

শ্রীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) হয়।

খ) হয়।

গ) দলং তিনিখন মেৰামতিৰ কাম হাতত লোৱা হৈছে। আৱশ্যকীয় ধনৰ অভাৱত ৰাস্তা ছুটাৰ মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই।

ঘ) বানপানী মেৰামতি শিতানত প্রয়োজনীয় ধনৰ নাটনিৰ কাৰণে ৰাস্তা ছুটাৰ মেৰামতিৰ কাম এই বছৰত লোৱা সম্ভৱ নহয়।

বিষয় : চাহ শ্রমিক লোক

শ্রীনবেন তাঁতীয়ে সুধিছে :

১২৬। মাননীয় জনজাতি উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) চাহ শ্রমিক লোক সকল অনুসূচীত জাতি আৰু জনজাতিৰ অন্তর্ভুক্ত নে ?

(খ) যদি নহয়, চাহ শ্রমিক সকলক কোন শ্রেণীত অন্তর্ভুক্ত বুলি ধৰা হয় ?

শ্রীদুর্গা দাস বড়ো ( ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্রেণীৰ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) চাহ শ্রমিক সকলক অন্যান্য পিচপৰা শ্রেণীত অন্তর্ভুক্ত বুলি ধৰা হয়।

Re : S. R. P. P. Blocks

Shri Aminul Islam asked :

127. Will the Minister, Agriculture be pleased to state :

(a) The number of SRPP Blocks in Assam ?

(b) What are the names of these SRPP Blocks ?

(c) What kind of benifits and items are being provided to the farmers through these Blocks in increasing Rice production ?

(d) Is Mankachar ( Jungal ) Block also a SRPP Block ?

(e) If so, what kind of benefits given and what are the items supplied to the farmers of Mankachar Block since the Block is recognized as SRPP one ?

(Please furnish the names of articles (items supplied yearwise since the recognition of the Block as SRPP).

Shri Deb Kr. Bora : ( Minister, Agriculture ) replied :

(a) The numbers of SRPP Blocks in Assam are 37.

(b) The names of SRPP Blocks are :—

1. Dimoria.
2. Rampur.
3. Karara.
4. Tihu-Borama.
5. Bajali
6. Jalah.
7. Bhabanipur.
8. Kachugaon.
9. Gossaigaon.
10. Manikpur.
11. Agomoni.
12. Golokganj.
13. Mankachar.
14. Dudhnoi.
15. Boitamari.
16. Balijana.
17. Kaliabor.
18. Jugijan.
19. Kopili.
20. Titabor.
21. Jorhat East.
22. Sarupathar.
23. Bokakhat.
24. Amguri.
25. Nazira.
26. Tengakhat.
27. Joipur.
28. Narayanpur.
29. Nawbaisa.
30. Naduar.
31. Gabharu
32. Chaiduar.
33. Udalguri.
34. Kalaigoan.
35. Dalgaon Sialmari.
36. Lala.
37. Patharkandi.

(c) The benefits given to the farmers are :—

(i) Distribution of 5 Kg. seed minikits of HYVs on 50% Subsidy.

(ii) Distribution of fertilizer minikits on 50% Subsidy.

(a) Urea 5 Kg. for top dressing.

(b) Amrit ( 15 : 15 : 15 ) 18 Kg/17 Kg. and Urea 6 Kg. for basal and top dressing.

(iii) Distribution of plant protection chemicals 50% and P. P. equipments on subsidy of Rs. 250.00 per unit.

(iv) Distribution of inputs like seed, fertiliser etc. on 50% subsidy for conducting field demonstration.

(v) Distribution of small agricultural implements on 50% subsidy and power tiller on subsidy of Rs. 10,000.00 per power tiller.

(vi) Training to the farmers ( including women ) and farm labourers (including women) on improve rice cultivation.

(vii) Incentives in terms of prizes.

(VIII) Educational excursion of farmers to improve rice growing areas.

(IX) Land development programmes like construction, improvement of irrigation channels, drainage channels, land levelling, etc.

(X) Construction of input godowns in GPSS/ Block for storage and distribution of inputs for the farmers.

(d) Yes, Mankachar is a S. R. P. P Block.

(e) Since 1986-87 to 1988-89, the following benefits and items were supplied to the farmer :

| Items | 1986-87 | 1987-88 | 1988-89 |
|---|---|---|---|
| 1. Seed Minikit | | | |
| a) No. of Minikits distributed. | — | 900 Nos. | 800 No. |

| Items | 1986-87 | 1987-88 | 1988-89 |
|---|---|---|---|
| b) Quantity distribution (Seed) | — | 45 Qtls, | 40 Qtls. |
| II. Fertilizer Minikit | | | |
| a) No. of Minikit distributed | — | 2,100 Nos. | 7,025 Nos. |
| b) Input distribution | | | |
| i) Urea | — | 117 Qtls. | 3,77·5 Qtls. |
| ii) Amrit | — | 216 ,, | 558 Qtls. |
| iii) S.S.P. | — | — | 225 ,, |
| iv) M.O.P. | — | — | 50 Qtls. |
| III) Plant protection | | | |
| a) P.P. Chemicals distributed— | | | |
| Litre— | 75 Litres | 51 Litres | 380 Litres |
| Kg— | 458 Kgs. | 1046 Kgs. | 1406 Kgs. |
| Beneficiary— | 190 Nos. | 350 Nos. | 610 Nos. |
| b) P.P. Equipments distributed. (Nos.) | 1 No. | 9 Nos. | 3 Nos. |
| IV) Implements | | | |
| a) Small implement | 4 Nos. | 199 Nos. | 723 Nos. |
| (power tiller) | — | — | — |
| b) P.T. distributed ( power tiller ) | | | |
| V) Demonastration | | | |
| a) No. demonestation conducted | — | 1845 Nos. | 1616 Nos. |

| | | | |
|---|---|---|---|
| b) Input distributed | | | |
| (i) Seed | — | 378·4 Qtls. | 206 Qtls. |
| (ii) Urea | — | 909·26 ,, | 608 ,, |
| (iii) DAP | — | 368 ,, | 354 ,, |
| (iv) MOP | — | 357·40 ,, | 140 ,, |
| (v) SSP | — | 483·75 ,, | — |
| (vi) No. of Beneficiary | — | 2761 Nos. | 2480 Nos. |
| VI) Training Incentives | | | |
| a) Training Camps organised (Nos.) | — | 11 Nos. | 11 Nos. |
| Beneficiary | — | 1100 Nos. | 1100 Nos. |
| b) Education tour conducted | — | — | — |
| Beneficiary | — | — | — |
| VII) Land Dev. and Irrigation | | | |
| a) Pumsets distributed (Nos.) | — | 5 Nos. | 31 Nos. |
| VIII) No. of Godown Constructd. | — | 1 No. | 1 No. |

Re : Flood damaged Road taken up for repairs.

Shri Santi Ranjan Dasgupta asked :

128. Will the Minister P. W. D. be pleased to State :

(a) The names of the Flood damaged Roads in the Hojai Samasti taken up for repairs for the year 1988-89 ?

(b) Whether the repairing works have been completed by this time ?

(c) The amount sanctioned for flood damage repair for each road taken up for repairing in the above constituency ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৮-৮৯ বিত্তীয় বছৰত বান বিধ্বস্ত মেৰামতি শিতানত হোজাই সমষ্টিত অন্তৰ্ভুক্ত কৰা ৰাস্তাৰ নামবোৰ তলত দিয়া হ'ল—

(১) ডবকা লঙ্কা ৰ'ড।

(২) হোজাই ট্ৰেম্প্ৰেং ৰ'ড।

(৩) লঙ্কা খাৰিখানা ৰ'ড।

(৪) নীলবাগান হোজাই ৰ'ড।

(৫) হোজাই জুৰাপুখুৰী ৰ'ড।

(৬) লঙ্কা লচকৰ পথাৰ ৰ'ড।

(৭) লঙ্কা হোজাই ৰ'ড, ভায়া ঢলপুখুৰী।

(৮) আলিনগৰ কপাহবাৰী ডিমাৰু কাকী ৰ'ড।

(৯) ৰামপুৰ বাইকটা ৰ'ড।

(১০) নাদানপুৰ শিলডুবী ৰ'ড।

(খ) হোজাই ট্ৰেম্প্ৰেং ৰাস্তাৰ বানপানী ক্ষতিগ্ৰস্ত অঞ্চলৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হৈছে। ডবকা, লঙ্কা আৰু লঙ্কা খাৰিখানা ৰাস্তাৰ মেৰামতিৰ কাম চলি আছে।

(গ) হোজাই সমষ্টিৰ পথসমূহত বানপানী মেৰামতি শিতানত মঞ্জুৰীকৃত ধনৰ পৰিমান এনেধৰণৰ—

| | |
|---|---|
| (১) ডবকা লঙ্কা ৰ'ড | —৬'২৫ লাখ টকা। |
| (২) হোজাই ট্ৰেম্প্ৰেং ৰ'ড | —১'০৫ ,, ,, |
| (৩) লঙ্কা খাৰিখানা ৰ'ড | —১'৬৭ ,, ,, |
| (৪) তালিকাভূক্ত অন্যান্য ৰাস্তা | —০'৫৯ ,, ,, |

বিষয় ঃ স্থায়ী চাহ শ্ৰমিকৰ সংখ্যা

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

১২৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ বাগিছা সমূহত কিমান স্থায়ী চাহ শ্ৰমিক আছে?

(খ) এই চাহ বাগিছাসমূহত অস্থায়ী শ্ৰমিকৰে কাম কৰোৱাৰ কথা চৰকাৰৰ অৱগত নে?

(গ) যদি জানে, এই ব্যৱস্থা বন্ধ কৰাৰ ব্যৱস্থা লবনে?

শ্ৰীধাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ৪,৩০,১০০ জন স্থায়ী শ্ৰমিক আছে।

(খ) হয়।

(গ) আইনগত ব্যৱস্থা আছে।

বিষয়: যোৰহাট মৰিয়নী পথ

শ্ৰীনবেন তাঁতীয়ে সুধিছে:

১৩০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৰহাট মৰিয়নী পথৰ শোচনীয় অৱস্থাৰ কথা চৰকাৰৰ অৱগত নে?

(খ) যদি অৱগত এই পথটোৰ উন্নতিৰ কাৰণে কি ব্যৱস্থা হাতত লোৱা হৈছে?

(গ) এই বছৰৰ ভিতৰত পথছোৱাৰ উন্নতিৰ ব্যৱস্থা লোৱা হবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, অৱগত।

(খ) এই পথছোৱাৰ প্ৰথম মাত্ৰ, সোতৰ আৰু ওঠৰ কিঃ মিঃ ৰ আটাইতকৈ বেয়া অংশ এই বছৰত ৪·২০ লাখ টকাকে উন্নতিকৰণৰ কাম কৰিব, পৰিকল্পনা শিতানত লোৱা হৈছে।

(গ) ইয়াৰ ওপৰিও এই পথটোৰ বিশেষ উন্নতি সাধনৰ বাবে উত্তৰ পূব পৰিষদলৈ সপ্তম পৰিকল্পনাত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰস্তাৱ পঠোৱা হৈছে।

(ঘ) 'খ' প্ৰশ্ন উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

বিষয়: বৈচাহাবি দলং।

শ্ৰীনবেণ তাতীয়ে সুধিছে:

১৩১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) বৈচাহাবি (চেলেংহাট) পথৰ দুৰৱস্থাৰ কথা চৰকাৰে জানেনে?

খ) যদি জানে এই পথ চোৱাৰ উন্নতিৰ বাবে কি ব্যৱস্থা হাতত লোৱা হৈছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় জানে।

গ) আৱশ্যকীয় পুঁজিৰ অভাৱত পথটোৰ মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই।

বিষয় : গুৱাহাটী পথ সংমণ্ডলৰ পথ মেৰামতিৰ বাবে মঞ্জুৰী।

শ্ৰীগোপীনাথ দাসে সুধিছে :

১৩২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটী পথ সংমণ্ডলৰ অধীনত ১৯৮৮ চনৰ প্ৰবল বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাস্তাবোৰ মেৰামতি কৰাৰ বাবে চৰকাৰে কিমান টকাৰ মঞ্জুৰী দিছে ?

খ) উক্ত মঞ্জুৰীৰ টকাৰে বকো সমষ্টিৰ অন্তৰ্গত কোন কোন ৰাস্তা মেৰামতি কৰা হব বা মেৰামতি কৰা হৈছে আৰু মেৰামতি কৰা প্ৰত্যেক ৰাস্তাতে কিমানকৈ টকা খৰছ কৰা হব বা হৈছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৩০,০০ লাখ টকা।

খ) মেৰামতি কৰা আৰু কৰিবলগীয়া ৰাস্তা সমূহৰ এখন তালিকা সংলগ্ন কৰি দিয়া হ'ল।

(See the list at Annexure VII)

বিষয় : আলকাতাৰা দিয়া ৰাস্তা

শ্ৰীশিৱ শম্ভু ওজাই সুধিছে :

১৩৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৮৮-৮৯ চনত অসমত মুঠ কিমান কিলোমিটাৰ ৰাস্তা আলকতৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে ?

খ) উক্ত ৰাস্তাৰ ভিতৰত কলিয়াবৰ সমষ্টিত কিমান কিলোমিটাৰ ৰাস্তা আলকতৰা দিয়াৰ সিদ্ধান্ত লোৱা হৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) মুঠ ১৫০ কিলোমিটাৰ ।

খ) ৬'৩৭৯ কিলোমিটাৰ ।

বিষয় : বোকাখাতৰ পৰিদৰ্শন বঙলা ।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

১৩৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বোকাখাতত থকা পৰিদৰ্শন বঙলাটো গড়কাপ্তানী বিভাগৰ কোনটো শাখাৰ ( ৰাষ্ট্ৰীয় পথ, পথ, গৃহ ) অধীনত আছে ?

খ) এই পৰিদৰ্শন বঙলাটো উন্নতিকৰণ আৰু কোঠা বঢ়োৱাৰ আঁচনি সংশ্লিষ্ট বিভাগে লৈছে নেকি ?

গ) যদি তেনে কোনো আঁচনি বৰ্ত্তমানে নাই অৱস্থান আৰু প্ৰয়োজনীয়তাৰ গুৰুত্ব উপলব্ধি কৰি সোনকালে ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ;

ক) ৰাষ্ট্ৰীয় পথ শাখাৰ অধীনত ।

খ) লোৱা হোৱা নাই ।

গ) প্ৰয়োজনীয়তাৰ গুৰুত্ব অনুযায়ী ব্যৱস্থা লোৱা হ'ব ।

বিষয় : বীজ ৰিতৰণ ।

শ্ৰীবলোভদ্ৰ তামুলী য়ে সুধিছে :

১৩৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চলিত বছৰত কৃষি বিভাগে বানপানীৰ পিছত কৃষক বাইজৰ মাজত কি কি বীজৰ কিমান পৰিমানৰ বিতৰণ কৰিলে ? ( জিলা ভিত্তিক বিৱৰণ দিব )

খ) বিনামূলীয়াকৈ মাটি চহোৱাৰ ক্ষেত্ৰত কিমান ট্ৰেক্টৰ ব্যৱহৃত কৰি কিমান মাটি চাহ কৰা হৈছিল ?

গ) গোলাঘাট জিলাত এনে কামত কেইখন ট্ৰেক্টৰ ব্যৱহৃত হৈছিল ?

ঘ) উক্ত জিলাৰ কোন কোন অঞ্চলত ট্ৰেক্টৰ ব্যৱহৃত হৈছিল আৰু চহ কৰা মাটিৰ পৰিমান কিমান ?

শ্ৰীদেৱ কুমাৰ বৰা ( কৃষি মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বিতৰণৰ তালিকা গাঠি দিয়া হ'ল।

খ) বিনামূলীয়াকৈ মাটি চাহ কৰাৰ আঁচনি লোৱা হোৱা নাছিল। চৰকাৰৰ নিৰ্দ্দেশমতে কেৱল তেল-মবিল বা তাৰ মূল্য দি খেতিয়কে বিভাগীয় ট্ৰেক্টৰৰ দ্বাৰা মাটি চাহ কৰিব পৰাৰ আঁচনি লোৱা হৈছিল।

মুঠ ১৬৬ খন ( সৰ্বমুঠ ১৯৫ খনৰ ভিতৰত ) বিভাগীয় ট্ৰেক্টৰ ব্যৱহাৰ কৰি মুঠ ২,৮৪০.২০ হেক্টৰ মাটি দুচাহ কৈ চাহ কৰা হৈছিল ফেব্ৰুৱাৰীৰ '৮৯ মাহলৈ।

গ) গোলাঘাট জিলাত খেতিয়কৰ পৰা তেল মবিলৰ মূল্য লৈ বিভাগীয় ৫ ( পাঁচ ) খন ট্ৰেক্টৰ ব্যৱহাৰ কৰা হৈছিল।

ঘ) ১৯৮৮ চনৰ ডিচেম্বৰ মাহলৈ পোৱা তথ্যৰ ভিত্তিত তালিকা লগত গাঠি দিয়া হ'ল।

( See the list at Annexure VIII )

বিষয় : বনৰীয়া জন্তুৱে ৰাইজৰ জীৱন নাশ।

শ্ৰীবলোভদ্ৰ তামুলী য়ে সুধিছে :

১৩৬। মাননীয় বন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বনৰীয়া জীৱ জন্তুৱে বোকাখাত সমষ্টিত প্ৰতি বছৰে ৰাইজৰ জীৱন নাশ, ঘৰ-দুৱাৰ ধ্বংশ, খেতি পথাৰ, পোহনীয়া জীৱ জন্তুৰ বিনাশ কৰা বিষয়ে চৰকাৰ অৱগত নে ?

খ) যদি অৱগত, প্ৰতিকাৰৰ কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

গ) ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক ক্ষতিপূৰণ দিয়াৰ বাবে বন বিভাগৰ ব্যৱস্থা আছে নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বনমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত।

খ) বিভাগীয় কৰ্ম্মচাৰীৰ দ্বাৰা দিনে নিশাই তহল দিয়াৰ ব্যৱস্থা আছে। ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলৰ ৰাইজক বনৰীয়া জন্তু খেদিবৰ কাৰণে ফটকা, টৰ্চৰ বেটাৰী ও কেৰাচিন আদি দিও সহায় কৰা হয়।

গ) দুৰ্ভাগ্যক্ৰমে, প্ৰাণহীন হলে ( সংৰক্ষিত বনাঞ্চলৰ সীমাৰ বাহিৰত ) এক কালীন চৰকাৰী সাহাৰ্য্য ৫০০০/- টকাকৈ আগবঢ়োৱাৰ ব্যৱস্থা কৰা হয়।

Re. Sildhubi— Salgonga Road.

Shri Digendra Purkayastha asked :

137. Will the Minister P. W. D. be pleased to State :

a) Is the Government aware of the fact that the Sildhubi-Salgonga road under Hailakandi P. W. D. (Roads) Division is in a very deplorable condition ?

b) If so, what steps have so far been taken for improvement of the said road ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ৰাস্তাটোৰ অৱস্থা অতি শোচনীয়—হোৱা কথাটো সঁচা নহয় যদিও, মেৰামতিৰ প্ৰয়োজন আছে।

খ) সাধাৰণ আৰু বানবিধস্ত—মেৰামতিৰ শিতানত প্ৰাপ্ত পুঁজি অনুসৰি মেৰামতিৰ কাম কৰি থকা হৈছে।

Re : Post of Sub-divisional Welfare Officer, Silchar.

Shri Digendra Purkayastha asked.

138. Will the Minister, Welfare of Plains Tribes and Welfare of Scheduled Castes be pleased to state :

a) Whether it is a fact that the post of Sub-divisional Welfare Officer, Silchar is lying vacant since last few years ?

b) If so, why the post is not being filled up for such a long period ?

Shri Durga Das Boro ( Minister of State, W.P.T. & B.C) replied :

a) Yes since **1987.**

b) It is due to the non-availability of the officers.

বিষয়ঃ জ'াজী আমগুৰি মুককৃচাং পথ

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে ঃ

১৩৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) জ'াজী আমগুৰি মুকক্‌চাং পথত যান বাহনৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি সেই পথটো আন্তঃৰাজ্যিক ৰাষ্ট্ৰীয় পথলৈ উন্নিত কৰাৰ ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীঅতুল ৰৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

ক) ৰাষ্ট্ৰীয় পথলৈ উন্নিত কৰাটো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰে। যান-বাহন পৰিসংখ্যা আদিৰ দ্বাৰা যুক্তিসঙ্গত হলে যথা সময়ত ৰাজ্য চৰকাৰে এই বিষয়ে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিব।

বিষয়ঃ F. D. R fund বিতৰণ

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

১৪০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কি নীতিৰ ওপৰত ভিত্তি কৰি F.D.R. fund বিভিন্ন গড়কাপ্তানী সংমণ্ডলক বিতৰণ কৰা হয় ?

খ) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত নগাওঁ পূৱ সংমণ্ডল, নগাওঁ পশ্চিম সংমণ্ডল, যোৰহাট সংমণ্ডল আৰু ধুবুৰী সংমণ্ডল ( পথ সংমণ্ডল ) F.D.R. fund ত কিমান টকা দিয়া হৈছে ?

গ) উত্তৰ লক্ষীমপুৰ সংমণ্ডল আৰু ঘীলামৰা সংমণ্ডলক পথ সংমণ্ডল ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত FDR fund ত কিমান টকা দিয়া হৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) কেন্দ্ৰীয় চৰকাৰৰ অনুদান প্ৰয়োজনৰ তুলনাত অতি কম হোৱাৰ বাবে অতি জৰুৰী কামবোৰ অগ্ৰাধিকাৰৰ ভিত্তিত মুখ্য অভিযন্তাৰ চুপাৰিচ্‌ ক্ৰমে মূলতঃ দিয়া হৈছে। বানৰ প্ৰকোপত অনুসৰিও ধনৰ আবণ্টন আগ-বঢ়োৱা হৈছে।

খ) টকা দিয়াৰ পৰিমান এনেধৰনৰ—

১) নগাওঁ পূৱ সংমণ্ডল — — ৬০ লক্ষ্য টকা

২) নগাওঁ পশ্চিম সংমণ্ডল — — ৯১ লক্ষ্য টকা

৩) যোৰহাট পথ সংমণ্ডল — — ৯০ লক্ষ্য টকা

৪) ধুবুৰী পথ সংমণ্ডল — — ৭৫ লক্ষ্য টকা

গ) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত উত্তৰ লক্ষীমপুৰ পথ সংমণ্ডলত ১২ লাখ আৰু ঘিলামৰা পথ সংমণ্ডলত ৩৫ লাখ টকাৰ আবন্টন দিয়া হৈছে। ইয়াৰ বাহিৰেও বান বিধস্ত ৰাষ্টাৰ উন্নতি কৰণৰ বাবে পৰিকল্পনা শিতানৰ পৰা মুঠ ১৪ লাখ টকাৰ আঁচনি ঘিলামৰা পথ সংমণ্ডলক মঞ্জুৰ কৰা হৈছে।

লগতে বানপানী মেৰামতি শিতানত ঘিলামৰা পথ সংমণ্ডলত অতিৰিক্ত—৭ লক্ষ্য টকাৰ কাম কৰিবলৈ দিয়া হৈছে।

**Re : Numbers of timber:**

Shri Sheikh Abdul Hamid asked :

**141.** Will the Minister of Forest be pleased to state :

(a) The number of timber operated departmentally during December, 1981 to March 1982 in Dibrugarh Forest Division ?

(b) The number of timber sold out and the number remained un-disposed out of timber as per Question (a) above ?

(Please state the amount of royalty, sale price and loss if any ):

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিচেম্বৰ / ৮১ৰ পৰা মাৰ্চ / ৮২ চনলৈ ডিব্ৰুগড় সংমণ্ডলত বিভাগীয় ভাৱে ১৬৫৫·০৪৮ ঘন মিটাৰ কাঠ কটা হৈছিল।

(খ) ডিচেম্বৰ / ৮১ৰ পৰা মাৰ্চ / ৮২ চনলৈ বিক্ৰি হোৱা কাঠৰ পৰিমাণ ১১৯৬·৬৫৭ ঘন মিটাৰ আৰু ৩১-৩-৮২ তাৰিখৰ পৰ্য্যন্ত বিক্ৰি নোহোৱাকৈ থকা কাঠৰ পৰিমাণ ৪৫৮·৩৯১ ঘন মিটাৰ। উক্ত বিক্ৰি হোৱা কাঠৰ চৰকাৰী মূল্য আছিল ২,৭০,০১৮·০০ টকা আৰু ইয়াৰ বিক্ৰি মূল্য পোৱা হৈছিল ৬,০৮,০৬২·৯০ টকা।

Re : Scheme under Tea Employees' Welfare Board.

Shri Dileswar Tanti asked :

**142.** Will the Minister, Labour be pleased to state :

(a) What are the different Scheme that were executed in 1988 by the Assam Tea Employees' Welfare Board ?

(b) Whether the contributory Provisions of the Assam Tea Employees Welfare Act. has been implemented fully in all the Tea Gardens in Assam ?

(c) What is the total amount income that was accured because of this provision in 1988-89 ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) হয়। ১৯৮৮ চনত অসম চাহ শ্ৰমিক কল্যান পৰিষদে তলত উল্লেখ কৰা অঁাচনি সমূহ ৰূপায়ণ কৰে।

১। সমূহীয়া শ্ৰমিক কল্যাণ কেন্দ্ৰ।

২। মেজেঙ্গা মহিলা শ্ৰমিক কল্যাণ প্ৰশিক্ষণ কেন্দ্ৰ।

৩। চাহ জনজাতি ছাত্ৰাবাস।

৪। চাহ শ্ৰমিক ৰোগী জিৰণী গৃহ।

৫। কিতাপ পত্ৰৰ বাবে অনুদান।

৬। চিকিৎসা সাহায্য।

৭। চিকিৎসা ও অন্যান্য বিশেষ বিষয়ৰ ছাত্ৰ-ছাত্ৰীলৈ জলপানী।

৮। শিক্ষামূলক ভ্ৰমণ।

৯। নাৰ্চ প্ৰশিক্ষণ।

১০। এক-কালীন সাহায্য।

১১। শিশু বিকাশ ও প্ৰাক্-প্ৰাথমিক শিক্ষা কেন্দ্ৰ।

১২। কৃত্ৰিম অংগ মঞ্জুৰী।

১৩ বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানলৈ অনুদান।

(খ) হয়। মাত্ৰ ৮০ খন সৰু সৰু আৰু ৰুগীয়া চাহ বাগিচাৰ বাদে সকলো বাগিচাতে বৰঙণী সম্পৰ্কীয় দফাটো ৰূপায়ণ কৰা হৈছে।

(গ) ১৯৮৮-৮৯ চনত মুঠ ২৯,১২,১৪৪/- টকা সংগ্ৰহ কৰা হয়।

Re : Filling up of resultant vacancies.

Shri Silvius Condpan asked :

143. Will the Minister Labour be pleased to state :

a) Whether the Government has taken steps to fill up the resultant vacancies lying vacant for all categories in the establishment of Labour Commissioner through the state.

b) Since when these vacancies are lying vacant ?

c) Whether Government has opened the establishment of Labour Officers in each newly created sub-divisions in the state ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) সকলো শ্ৰেণীৰ খালিহৈ থকা পদ বিলাক নিয়ম অনুসৰি পদোন্নতিৰ দ্বাৰা আৰু পোনপটীয়া নিযুক্তিৰ দ্বাৰা পূৰণ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এই ক্ষেত্ৰত অসম লোকসেৱা আয়োগৰ আৰু নিয়োগ সঞ্চালকৰ লগত যোগাযোগ কৰা হৈছে।

খ) পদ বিলাকৰ বিপৰীতে দেখুওৱা তাৰিখৰ পৰা খালি হৈ আছে।

১। ২ (দুই) টা জেষ্ঠ সহকাৰী শ্ৰম আয়ুক্তৰ পদ ক্ৰমান্বয়ে ১৯৮৮ চনৰ জানুৱাৰী আৰু নবেম্বৰৰ পৰা ঃ

২। ২ (দুই) টা সহকাৰী শ্ৰম আয়ুক্তৰ পদ ক্ৰমান্বয়ে ১৯৮৫ চনৰ জুলাই মাহ আৰু ১৯৮৮ মাৰ্চ মাহৰ পৰা,

৩। ১ (এক) টা শ্ৰম কল্যান বিষয়া (শ্ৰম বিষয়া) ১৯৮১ চনৰ ডিচেম্বৰ মাহৰ পৰা,

৪। ৪ (চাৰি) টা শ্ৰম পৰিদৰ্শকৰ পদ ক্ৰমান্বয়ে ১৯৮৫ চনৰ জানুৱাৰী, ১৯৮৫ চনৰ অক্টোবৰ আৰু ১৯৮৯ জানুৱাৰী মাহৰ পৰা,

৫। ৭ (সাত) টা নিম্ন বৰ্গৰ সহায়কৰ পদ ক্ৰমান্বয়ে ১৯৮৭ চনৰ ডিচেম্বৰ মাহ আৰু ১৯৮৮ চনৰ ফেব্ৰুৱাৰী, জুন, জুলাই আৰু ডিচেম্বৰ মাহৰ পৰা। ইয়াৰ ভিতৰত দুটা শ্ৰম আয়ুক্তৰ কাৰ্য্যালয়ত ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা খালি হৈ আছে। কিন্তু উক্ত দুয়োটা পদ অনুসূচীত জনজাতিৰ (পাৰ্ব্বত্য)

প্ৰাৰ্থীৰ বাবে সংৰক্ষিত আৰু এই ক্ষেত্ৰত নিয়োগ সঞ্চালকৰ লগত যোগাযোগ কৰা হৈছে।

৬। ২ (দুই) টা চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ পদ ক্ৰমান্বয়ে ১৯৮৪ চনৰ ফেব্ৰুৱাৰী আৰু ১৯৮৭ চনৰ জানুৱাৰী মাহৰ পৰা।

গ) এতিয়ালৈ খোলা হোৱা নাই।

Re : Proportionate replacement in Employment

Shri Silvius Condpan asked :

144. Will the Minister, Labour and Employment be pleased to state :

Whether attention has been paid by the Government to give proportionate reflection of different population in the matter of employment in Government and semi Government Department ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

নিয়োগ বিনিময় কেন্দ্ৰ সমূহে চৰকাৰী আৰু অৰ্দ্ধ চৰকাৰী বিভাগ সমূহে জাননী দিয়া খালি পদ পুৰণৰ অৰ্থে প্ৰাৰ্থী নিৰ্বাচন আৰু প্ৰাৰ্থীৰ তালিকা প্ৰেৰণ কৰাৰ সামূহিক পদ্ধতি ৰাষ্ট্ৰীয় নিয়োগ সেৱা নিৰ্দ্দেশিকাৰ ওপৰত প্ৰতিষ্ঠিত। তাৰোপৰি উল্লেখিত বিষয়ত স্থানীয় নিয়োগ বিনিময় কেন্দ্ৰৰ লগত জড়িত কমিটিৰ অনুমোদন সাপেক্ষে সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু উক্ত কমিটিয়ে প্ৰাৰ্থীৰ তালিকা অনুমোদন কৰোতে জনসংখ্যা গাঠনিৰ ভিত্তিত যাতে তালিকা প্ৰস্তুত কৰা হয় তাৰ প্ৰতি বিশেষ ভাবে দৃষ্টি ৰাখে।

Re : Fund for A. T. E. W. B,

Shri Silvius Condpan asked :

145, Will the Minister, Labour be pleased to state :

(a) Whether Government placed any fund at the disposal of Assam Tea Employees Welfare Board ?

(b) If so, what basis ?

(c) The amounts placed by the Government with this Board during 1987-88 and 1988-89 ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, মঞ্জুৰ কৰিছে।

(খ) ১৪-১১-৮১ তাৰিখে সম্পাদন হোৱা চুক্তি অনুসৰি আৰু অসম চাহ শ্ৰমিক কল্যাণ পুঁজি ১৯৫১ আইন অনুযায়ী চাহ বাগিচাৰ মালিক পক্ষৰ ৰৰঙনিৰ সৈতে সমান অনুপাতে চৰকাৰে পৰিষদলৈ ৰৰঙনি দিয়ে।

(গ) ১৯৮৭-৮৮ চনত মুঠ = ৩৭,২৬,১৯৩'০০ টকা।

১৯৮৮-৮৯ চনত মুঠ = ২০,৭১,৫০০'০০ টকা।

Re : Hire purchase Housing Schemes.

Shri Silvius Condpan asked :

146. Will the Minister, Town & Country Planning be pleased to state :

(a) Whether Government has any housing scheme on Hire Purchase basis or there is any "Own Your House" Scheme so as to give shelter to Homeless people ?

(b) What kind of Housing Schemes does Assam State Housing Board implement besides advancing Housing loans to different income Groups ?

Shri Atul Bora (Minister, Town & Country Planning) replied :

(a) No.

(b) i) Rental Housing Scheme for—Middle Income Group, Low Income Group and Economically Weaker section.

ii) Land Acquisition and Development Scheme.

iii) Construction of Cluster of Demonstration Houses and Environmental Improvement Works.

Mr. Speaker : Now Item No. 2. Shri Debeswar Bora:

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰীয়া আৰু কাৰ্য্য পৰিচালনাৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৯ চনৰ ১ মাৰ্চ তাৰিখে 'নতুন দৈনিক' কাকতত প্ৰকাশিত 'এইড্‌চ জীৱানুযুক্ত বেজী কাক বিক্ৰী কৰা হৈছিল' শীৰ্ষক বাতৰিটোৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এইড্‌চ জীৱানুযুক্ত বেজীৰ বিষয়ে ইতিমধ্যে কেবাটাও বাতৰি প্ৰকাশিত হৈছে। শেহতীয়াভাবে এই বাতৰিটো নতুন দৈনিক কাকতত প্ৰকাশিত হৈছে। স্বাস্থ্য বিভাগে এই সংক্ৰান্তত কি ব্যৱস্থা লৈছে সেইটো জানিবৰ কাৰণেই মই আজি ইয়াক উত্থাপন কৰিছো। ইতিমধ্যে চৰকাৰৰ ফালৰ পৰা দুই তিনিটা বেলেগ ধৰণৰ কথা কৈছে। শিলচৰৰ পৰা পি, টি, আই, য়ে বাতৰি পৰিবেশন কৰি কৈছে যে দিয়া হৈছে কিন্তু স্বাস্থ্য বিভাগে হোৱা নাই বুলি কৈছে। গুৱাহাটীতো তেনে বাতৰি ওলাইছে। গতিকে মই স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, AIDS ৰোগৰ ব্যাপকতাই গোটেই পৃথিৱীতে সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এই ৰোগ HIV (Human Immuno Deficiency Virus) ৰ দ্বাৰা আক্ৰান্ত হ'লে হয়। সাধাৰণতে এই ৰোগ বিয়পাৰ মুখ্য কাৰণ হল :—

১। যৌন সংগম যোগে।

২। মানুহৰ তেজ বা তেজৰ উপকৰণ শৰীৰত প্ৰয়োগ কৰাৰ ফলত। বিশেষকৈ Virus যুক্ত তেজ দান কৰাৰ ফলত।

৩। একেটা বেজীৰে ৰোগী আৰু নিৰোগীক বেজী দিলে।

৪। AIDS আক্ৰান্ত মাকৰ গাৰ পৰা শিশুৰ গালৈ যাব পাৰে।

বৰ্তমান মানুহৰ তেজৰ পৰা তৈয়াৰ কৰা এটি বেজী যিটো Rh – Ve মাকৰ গৰ্ভত Rh + Ve সন্তানৰ জন্ম হলে তেওঁলোকৰ ভৱিষ্যত বিপদৰ পৰা ৰক্ষা কৰিবলৈ মাতৃ সকলক এই বেজী দিয়া হয়।

যোৱা ১৬।২।৮৯ তাৰিখে বোম্বাইৰ Controller, Food and Drugs Control, Administration ৰ পৰা পোৱা তাৰবাৰ্ত্তা যোগে খবৰ পোৱা গৈছে যে বোম্বাইত প্ৰতিষ্ঠিত M/S Biogenic India Ltd. ৰ কাৰখানাত

এনে ধৰণে মানুহৰ তেজৰ পৰা তৈয়াৰী Rhiggal নামৰ ঔষধৰ Batch No 44173 আৰু Batch No 44174 ত তৈয়াৰী বেজীত এই HIV antibody পোৱা গৈছে। ইয়াৰ পৰা এইটোৱেই বুজা গৈছে যে এই দুটা Batch ত তৈয়াৰী Rhiggal বেজী AIDS আক্ৰান্ত হোৱা লোকৰ তেজৰ পৰা প্ৰস্তুত কৰা হৈছে। কিন্তু ইয়াত Virus (HIV) পোৱা হোৱা নাই। তাৰ antibody ৰ উপস্থিতিহে পৰীক্ষাত ধৰা পৰিছে।

এই বেজী লোৱাৰ পৰা AIDS ৰোগ হোৱাৰ সম্ভাৱনা যদিও নাই বুলি কোনো কোনো মহলে মত প্ৰকাশ কৰে তথাপিও সঠিকভাৱে কথাটো এতিয়াও স্বাস্থ্য সঞ্চালকে যিহেতু জানিব পৰা নাই সেইবাবে অসমৰ বজাৰৰ পৰা এই দুটা Batch ৰ Rhiggal বেজী সমূহ জব্দ কৰা হৈছে।

জনামতে গুৱাহাটীৰ M/S. Candid Drugs Distributor লৈ এনে বেজী Batch No 44174 ৰ ৬০ টা, Batch No 44173 ৰ ৩০টা আৰু ধুবুৰীৰ M/S Medico's লৈ Batch No 44174 ৰ ১২ টা পঠোৱা হৈছিল।

গুৱাহাটীৰ M/S Candid Drugs Distributor ৰ Batch No 44174 ৰ ৬ টা বেজীৰ বাহিৰে বাকী গোটেই ৯৬ টা বেজী জব্দ কৰি সঞ্চালকালয়ত ৰখা হৈছে।

খবৰ পোৱা মতে গুৱাহাটীৰ M/S Candid Drug Distributor এ গুৱাহাটীস্থ মাৰোৱাৰী Maternity Hospital ত এই ৬ টা বেজী বিক্ৰি কৰিছিল। আৰু ইতিমধ্যে ৬ গৰাকী মহিলাক এই বেজী দিয়া হৈছিল। যদিও গুৱাহাটীৰ Mohendra Mohan Choudhury Hospital আৰু Dispur Poly Clinic ত বিক্ৰি কৰা বুলি জনা গৈছিল। পিছত পৰীক্ষা কৰি দেখা গ'ল এই দুটা Batch ৰ Rhiggal বেজী এই দুটা অনুষ্ঠানত বিক্ৰি কৰা হোৱা নাই।

ঔষধবিলাক জব্দ কৰাৰ পিছত ভাৰত চৰকাৰৰ ঔষধ নিয়ন্ত্ৰক ও সঞ্চালক প্ৰধান, স্বাস্থ্য সেৱাক বিশদভাৱে এই বিষয়ে জনোৱা হৈছে। আৰু কেনে ধৰণৰ প্ৰতিষেধক ব্যৱস্থা লোৱা হব এই বিষয়ে পৰামৰ্শ বিচাৰি চিঠি লিখা হৈছিল (চিঠিৰ নকল গাঠি দিয়া হ'ল)। সঞ্চালক প্ৰধানৰ উত্তৰলৈ অপেক্ষা কৰা হৈছে।

কিন্তু যাতে এই ৰোগ বিয়পিব নোৱাৰে তাৰ বাবে বিশেষ সাৱধানতা অৱলম্বন কৰি গুৱাহাটীৰ মাৰোৱাৰী Hospital কৰ্তৃপক্ষৰ পৰা ৰেজী দিয়া ৬ গৰাকী মহিলাৰ নাম ঠিকনা লৈ তেওঁলোকক বিচাৰি উলিওৱা হৈছে আৰু তেওঁলোকক বৰ্তমান স্বাস্থ্য বিভাগৰ নিৰীক্ষণ Surveillence ত ৰখা হৈছে। ইতিমধ্যে ৬ গৰাকী মহিলাৰ তেজ লৈ দিল্লীৰ National Institute of Communicable disease লৈ পৰীক্ষাৰ বাবে পঠোৱা হৈছে। পৰীক্ষাৰ প্ৰতিবেদন এতিয়াও পোৱা হোৱা নাই। এই মহিলা সকলক গুৱাহাটীৰ জিলা মুখ্য স্বাস্থ্য বিষয়াক নজনোৱাকৈ গুৱাহাটী এৰি যাব নোৱাৰিব বুলি জিলা প্ৰশাসনে নিষেধাজ্ঞা জাৰি কৰিছে। (প্ৰতিলিপি গাঠি দিয়া হ'ল) এই মহিলা ৬ গৰাকীৰ পৰা প্ৰতি ১½/২ মাহৰ অন্তৰত তেজ লৈ পৰীক্ষাৰ বাবে পঠোৱা হব। অন্ততঃ ৬ মাহৰ কাৰণে স্বাস্থ্য বিভাগৰ নিৰীক্ষণত ৰখা হ'ব।

ভাৰত চৰকাৰৰ নিৰ্দেশক্ৰমে এনেধৰণে মানুহৰ তেজৰ পৰা প্ৰস্তুত কৰা সকলো ঔষধ বজাৰৰ পৰা উঠাই লোৱা হৈছে।

Shri Ardhendu Kr. Dey : On a point of clarification, Sir........

Mr. Speaker : No, No, please sit down. Item No. 3 Hon'ble Member, Kumar Deepak Das.

## Matter Under Rule 301

* কুমাৰ দীপক দাস : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "ভোটাৰ তালিকা সংশোধন" এই সম্পৰ্কীয় বিষয় এটি উত্থাপনৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ জৰিয়তে স্পেচিয়েল ৰিভিজন অব ৰোল আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে। এইটো এটা গুৰুত্বপূৰ্ণ কথা। এইবাৰ ভোটাৰৰ বয়স ১৮ বছৰলৈ হ্ৰাস কৰা হৈছে। এই এপ্ৰিলৰ ১ তাৰিখৰ ভিতৰত খছৰা ভোটাৰ তালিকা প্ৰস্তুত

* Speech not Corrected.

কৰিব বুলি ঘোষণা কৰিছে আৰু ১৬ মে' তাৰিখত চূড়ান্ত তালিকা প্ৰকাশৰ ব্যৱস্থা লৈছে। আগতে নিৰ্বাচনী আয়োগে এই স্পেচিয়েল ৰিভিজন অসমৰ বাহিৰে বেলেগত কৰা হব বুলি ঘোষণা কৰিছিল। কিন্তু গণ পৰিষদ দলে এই বিষয়টোৰ ওপৰত ভিত্তি কৰি অসমত ভোটাৰ তালিকাৰ সংশোধনীৰ বিৰোধীতা কৰি আন্দোলনৰ পৰ্য্যায় আৰম্ভ কৰিছে। জানিব পাৰিছো অসমতো ভোটাৰ তালিকা প্ৰস্তুত কৰা কাম আৰম্ভ কৰিছে। কিন্তু অসমত ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ লওতে সদৌ অসম ছাত্ৰ সন্থাই তাৰ প্ৰতিবাদ জনাইছে আৰু কৰ্মচাৰী পৰিষদেও সহযোগ নকৰিবলৈ সিদ্ধান্ত লৈছে। আচলতে অসম চুক্তিমতে ১৯৬৬ চনৰ আধাৰত কেন্দ্ৰীয় চৰকাৰে এই ভোটাৰ তালিকা সংশোধনৰ কাম হাতত লব লাগিছিল। আমি জানিব বিচাৰিছো নিৰ্বাচনী আয়োগ বা কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ে কিবা যোগাযোগ কৰিছে নেকি ? আমাৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক জনাই দিব লাগে যে ১৯৬৬ চনৰ আধাৰতহে ভোটাৰ তালিকা সংশোধনৰ কাম আৰম্ভ কৰিব লাগে। ভোটাৰ তালিকাৰ সংশোধনৰ কাম আৰম্ভ হোৱাৰ লগে লগে জনসাধাৰণৰ মাজত এটা তিব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই বিষয়ে ইতিমধ্যে বহুতবিলাক সংগঠনে আন্দোলনৰ কাৰ্য্যসূচী লৈছে। গতিকে ভোটাৰ তালিকা ৰিভিজনৰ ব্যৱস্থাটো বৰ্ত্তমান কি পৰ্য্যায়ত আছে কেনেধৰণৰ ব্যৱস্থা লৈছে সেই বিষয়ে মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিৰ্ব্বাচন আয়োগৰ নিৰ্দ্দেশক্ৰমে ভোটাৰ তালিকা সংশোধনৰ প্ৰথম পৰ্য্যায় হিচাপে অসমৰ বিধান সভা সমষ্টি সমূহৰ অন্তৰ্গত প্ৰতি ঘৰে ঘৰে গৈ ঘৰৰ নম্বৰ দিয়া কাম ১৯।১।৮৮ ইং তাৰিখৰ পৰা আৰম্ভ কৰি ১৮।১।৮৯ ইং তাৰিখত শেষ কৰা হৈছে।

ইয়াৰ পিছতেই ভাৰতৰ নিৰ্ব্বাচন আয়োগৰ ২১।২।৮৯ তাৰিখৰ তাৰবাৰ্ত্তা যোগে পোৱা কাৰ্য্য তালিকা মতে ১।৩।৮৯ ইং তাৰিখৰ পৰা ভোটাৰ তালিকা সংশোধনৰ দ্বিতীয় পৰ্য্যায়ৰ কাম হিচাবে ঘৰে ঘৰে গৈ উপযুক্ত নাগৰিকৰ নাম গণনা কৰাৰ কাম হাতত লোৱা হৈছে। নিৰ্ব্বাচন আয়োগে প্ৰেৰণ কৰা কাৰ্য্য তালিকা তলত উল্লেখ কৰা হ'ল।

১) ঘৰে ঘৰে গৈ গণনা কৰা কাম ১।৩।৮৯ ইং।

২) পাণ্ডুলিপি তৈয়াৰ কৰা ১।৪।৮৯ ইংৰ পৰা ১৫।৪।৮৯ ইং।

৩) খচৰা ভোটাৰ তালিকা প্ৰকাশ ১৭।৪।৮৯ ইং।

৪) দাবী আৰু আপত্তি সমূহ নথি ভূক্ত কৰাৰ সময় ১৭।৪।৮৯ ইং ৰ পৰা ৮।৫।৮৯ ৰ ভিতৰত।

৫) দাবী আৰু আপত্তি সমূহ নিস্পত্তি কৰা আৰু সংশোধনী ছপোৱা ৯।৫।৮৯ ইং তাৰিখৰ পৰা ১।৬।৮৯ ভিতৰত।

৬) চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ ২।৬।৮৯।

সেইমতেই ১।৩।৮৯ ইং তাৰিখৰ পৰা ঘৰে ঘৰে গৈ উপযুক্ত ভাৰতীয় নাগৰিকৰ নাম গণনা কৰাৰ কাম তালিকাভূক্ত কৰিবৰ বাবে নিৰ্ব্বাচন বিভাগৰ তাৰবাৰ্ত্তা ই এল ই ৪১।৮৯।৩ তাং ২২।২।৮৯ ইং যোগে কাম আৰম্ভ কৰিবলৈ নিৰ্দ্দেশ দিয়া হয়। উক্ত কাম নিৰ্ব্বাচন আয়োগৰ নিৰ্দ্দেশ অনুসৰি আৰু নিৰ্ব্বাচক পঞ্জীয়ন বিধি. ১৯৬০ অনুসৰি কৰা হৈ আছে। নিৰ্ব্বাচন আয়োগৰ নিৰ্দ্দেশ ক্ৰমে নিৰ্ব্বাচক পত্ৰক (Electoral Card) ছপাবৰ বাবে ব্যৱস্থা লোৱা হৈছে। এতিয়ালৈকে ১৫ টা মহকুমাত যেনে—হাইলাকান্দি, শিলচৰ, উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলা, ডিফু, হামৰেন. দক্ষিণ শালমাৰা, গোসাই গাওঁ, কোকৰাঝাৰ, বৰপেটা, গুৱাহাটী, বঙিয়া, নলবাৰী, মৰিগাওঁ, নগাওঁ আৰু হোজাইত ঘৰে ঘৰে গৈ গণনা কৰাৰ কাম আৰম্ভ কৰিব পৰা নাই। যিহেতু ছপাশাল সমূহে ওপৰোক্ত মহকুমা সমূহৰ বাবে নিৰ্বাচন পত্ৰ ছপাই দিব পৰা নাই। আনহাতে অন্য মহকুমা সমূহত যেনে—ধুবুৰী উত্তৰ শালমাৰা. গোৱালপাৰা, মঙ্গলদৈ, বিশ্বনাথ, গোলাঘাট, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, মাজুলি, উত্তৰ লক্ষীমপুৰ, ধেমাজী, জোনাই, ডিব্ৰুগড়, তিনিচুকীয়া, শদিয়া, কৰিমগঞ্জ, ওদালগুৰি আৰু তেজপুৰত ঘৰে ঘৰে গৈ গণনা কৰা প্ৰক্ৰিয়া আৰম্ভ হৈছে।

কিন্তু সংশ্লিষ্ট উপায়ুক্ত/মহকুমাধিপতিৰ পৰা প্ৰতিবেদন পোৱা গৈছে যে সদৌ অসম ছাত্ৰ সন্থাৰ স্থানীয় গোট সমূহে আৰু সদৌ অসম কৰ্মচাৰী পৰিষদে ঘৰে ঘৰে গৈ গণনা কৰা কামত অভিযোগ কৰিছে আৰু স্মাৰক পত্ৰ যোগে ঘৰে ঘৰে গৈ গণনা কৰাৰ কাম বন্ধ কৰিবৰ বাবে দাবী কৰিছে, যেতিয়ালৈকে অসম চুক্তি অনুসৰি ১৯৬৬ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত

নিৰ্ব্বাচন আয়োগে খচৰা ভোটাৰ তালিকা প্ৰস্তুত নকৰে। কিছুমান ঠাইত গণনা কাৰিক বাধা কৰিছে আৰু কৰ্মচাৰীয়ে অসহযোগ কৰিছে। এই বিষয়ে নিৰ্ব্বাচন আয়োগক জনোৱা হৈছে কিন্তু বৰ্তমানলৈ নিৰ্ব্বাচন আয়োগৰ পৰা খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে কোনো বিতং নিৰ্দ্দেশ পোৱা হোৱা নাই।

## Introduction of Government Bill

Mr: Speaker : Now item No. 4 Hon'ble Minister Municipal Administration.

Shri Sahidul Alam Chaudhury ( Minister) : Sir, I beg leave of the House to introduce the Gauhati Municipal Corporation ( Amendment ) Bill, 1989.

Mr. Speaker : Is it the pleasure of the House to grant leave to the Minister ? ( All opposition members rose on their seats in protest against the introduction of the Bill and opposed in chorus the introduction of the Bill ).

Shri Sarat Chandra Sinha : Sir, what is happening in the State ? Will there be election ? Let the Government say that there will be election or not. Government is shelving the democracy.

Mr. Speaker : The leave is granted. The Minister will introduce the Bill.

Shri Sahidul Alam Chaudhury ( Minister) : Sir, I introduce the Gauhati Municipal Corporation ( Amendment ) Bill, 1989.

( Secretary read out the title of the Bill introduced )

Laying of Reports, Rules, Statement etc.

Mr. Speaker : Now. item No. 5 Hon'ble Chief Minister.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ ১৯৮৬-৮৭ চনৰ চতুৰ্বিংশতম বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

Mr: Speaker : Now item No. 6. Hon'ble Chief Minister.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ ১৯৮৬-৮৭ চনৰ পঞ্চবিংশতম বাৰ্ষিক প্ৰতিবেদন আৰু হিচাব সমূহ সদনত দখিল কৰিলো।

Mr. Speaker : Now item No: 7. Hon'ble Minister, excise.

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮ চনৰ অসম নাৰকটিক ড্ৰাগচ আৰু চাইকোট্ৰোপিক চাবস্‌টেনসেচ্ নিয়মাবলী এই সদনত দাখিল কৰিলো।

Mr. Speaker : Now item No. 8. Hon'ble Minister Power.

শ্ৰীগুণীন হাজৰিকা ( শক্তি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ১৯৮৯-৯০ চনৰ বছৰটোৰ কাৰণে বাৰ্ষিক বিত্তীয় প্ৰবিবৰণী ( ১ম খণ্ড ) সদনত দাখিল কৰিলো।

Mr. Speaker : Now item No. 9. Hon'ble Minister, Power:

শ্ৰীগুণীন হাজৰিকা ( শক্তি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ১৯৮৯-৯০ চনৰ বছৰটোৰ কাৰণে বাৰ্ষিক বিত্তীয় প্ৰবিৰৰণী ( ২য় খণ্ড ) দাখিল কৰিলো।

Mr: Speaker : Now item No. 10. Hon'ble Minister, Parliamentary Affairs.

Shri Surendra Nath Medhi ( Minister ): Sir, I lay the Leader of the opposition in the Assam Legislative Assembly (Allowances and Privileges) (Amendment) Rules, 1988.

Mr. Speaker : Now item No. 11.—General Discussion on the Budget. The Leader of the Opposition will speak.

## General Discussion on the Budget

*শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী: মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৯/৯০ চনৰ বছৰটোৰ কাৰণে অসম ৰাজ্যৰ এই চৰকাৰে কেনে ধৰণৰ উপাৰ্জনৰ বাট উলিয়াইছে, উপাৰ্জন কেনেকুৱা হব আৰু খৰছ কেনেকুৱা হব সেই বিষয়ে এখন বাজেট দাখিল কৰিছে। বিষয়টো মোৰ ফালৰ পৰা কোৱা কথা নহয়, মুখ্যমন্ত্ৰীয়ে নিজেই অসমত আৰ্থিক সংকটে দেখা দিছে বুলি বাজেট বক্তৃতাত উল্লেখ কৰিছে। গোটেই খন বাজেট যদি পঢ়ি চোৱা হয়, তেনেহলে দেখা যায় টকা খৰছৰ যিটো বাজেট কেৱল এই বছৰটোৰ কাৰণেই ভয়াবহ অৰ্থ-নৈতিক সংকটে দেখা দিয়াই নহয়, এই বিত্তীয় সংকটৰ যিটো প্ৰতিক্ৰিয়া হব অসমত আহিবলগীয়া বছৰকেইটাত আৰ্থিক অৱস্থাত কুঠাৰঘাট কৰিব। কাৰণ এই বাজেটত ৩৭৩ কোটিৰ যিটো দেখুৱাইছে, আজিৰ যুগত ঘাটি বাজেটতো বৰ বেয়া লক্ষণ বুলি কব নোৱাৰি যদি সেই ঘাটি পূৰণ কৰাৰ কাৰণে সুস্থিৰ ব্যৱস্থা থাকে। কিন্তু দুৰ্ভাগ্যৰ বিষয় এই খিনিতেই যে ঘাটি দেখুৱা হৈছে কিন্তু নিজৰ ওপৰত ভৰি দিব পৰাকৈ কোনো ব্যৱস্থা নাই। তেওঁ-লোকে আশা পালি ৰৈ আছে দিল্লীৰ পৰা কিবা দিব তেওঁলোকে ঘাটি পূৰণ কৰিব। কিন্তু যদি নিদিয়ে তেতিয়া কি হব? সেই কাৰণেই মই কৈছো যে দিল্লীৰ পৰা টকা পাম বুলি যি আশা কৰিছে সেইটো ভালেই কৰিছে কিন্তু যদি দিল্লীৰ পৰা টকা নাপায় তেতিয়া কি কৰিব? সেই কাৰণে আগতেই হিচাব নিকাচ কৰি লব লাগিব। এই বিলাক হৈছে জমা খৰচৰ কথা। খৰচৰ ঠাইত ঠিকেই আছে। কিন্তু জমাৰ ঠাইত কি কৰিব? ধাৰ কৰিব, যদি ধাৰ নাপায় তেতিয়াহলে কি কৰিব? সেই কাৰণেই কব বিচাৰিছো যে এই বাজেটৰ দ্বাৰা যি এখন সুনিৰ্দিষ্ট ছৱি দাঙি ধৰিব লাগিছিল তেনে এখন ছৱি দাঙি ধৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে বিৰোধী পক্ষৰ সদস্য সকলক একো কবলৈ বাকী ৰখা নাই। মুখ্যমন্ত্ৰীয়ে নিজেই আশংকা প্ৰকাশ কৰিছে। তেনেস্থলে যিখন ঘাটি বাজেট দিলে তাৰ ওপৰত মই কেইটামান কথা কব বিচাৰিছো। বাজেট ঘাটি হোৱাটো একো আচৰিত কথা নহয় কিন্তু আচৰিত

* Speech not corrected.

কথা হৈছে যে এই ঘাটি পূৰাবৰ কাৰণে কি কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল? আগৰ পৰা যিমান বিলাক বস্তু আছিল সেই সকলো বিলাকৰ ওপৰত কৰ বহুৱাই দিয়া হ'ল। আৰু কিছুমান বস্তুৰ ওপৰত কৰ বহুৱাই দিয়া হলে চৰকাৰৰ বাজেটৰ যি ৩৭৩ কোটি টকাৰ ঘাটি সেই ঘাটি নাথাকিলহেতেন। পান-তামোলৰ ওপৰত কৰ বহুৱালে তাৰ দ্বাৰা ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ কোনো প্ৰতিক্ৰিয়া নহয়। আৰু যদি এই বিলাকৰ শতকৰা হাৰ আৰু কিছু বঢ়াই দিয়া হলেও চৰকাৰৰ বাজেটৰ যি ঘাটি সেই ঘাটি পূৰ হ'লহেতেন। বাজেটৰ ঘাটি পূৰাবলৈ কৰ বহুৱাইছে সেইটো ভাল হৈছে কিন্তু এই কৰ বহুৱাবলৈ যাওঁতে সাধাৰণতে কোন শ্ৰেণীৰ লোকক এই কৰে আঘাট কৰিব সেইটো কথা প্ৰথমতে চাই লব লাগিছিল। দুৰ্ভাগ্যৰ কথা যে সেই কৰৰ আঘাট কোন শ্ৰেণীৰ মানুহৰ ওপৰত পৰে সেইটো চোৱা নহল। মাত্ৰ প্ৰায় ৪৩ কোটি টকা কৰৰ দ্বাৰা সংগ্ৰহ কৰি ৩৭৩ কোটি টকাৰ মাটি পূৰাব বিচৰা হৈছে। কিন্তু যি কৰ বহুৱা হল সেই কৰেইবা সংগ্ৰহ হবনে নহয় তাৰ কিবা গেৰাণ্টি আছেনে? আপোনালোকে কয় যে আমি কেৱল সমালোচনাহে কৰো পৰামৰ্শ নিদিও। কিন্তু আমি যিবিলাক পৰমৰ্শ দিছো সেই বিলাক মানিছে কোনে? আমাক কেন্দ্ৰই টকা নিদিয়ে নিদিয়ে বুলি কৈ থাকে। কিন্তু আমি কেন্দ্ৰৰ পৰা যিখিনি টকা পাইছো সেইখিনিকে সৎব্যৱহাৰ কৰিব পাৰিছেনে? যদি সৎব্যৱহাৰ কৰিবই তেন্তে টকা উভতি যাবলগীয়া হৈছে কিয়? এই দৰে টকা কেন্দ্ৰলৈ উভতি যোৱাৰ কাৰণেই কেন্দ্ৰই কৈ আছে যে আমাৰ ৰাজ্য চৰকাৰে টকা খৰচ কৰিব নাজানে। কেন্দ্ৰীয় চৰকাৰৰ পৰা প্লেনৰ কাৰণে যিমান টকা পায় তাৰ এটা অংশ ৰাজ্য চৰকাৰে বহন কৰিব লাগে। গতিকে ৰাজ্য চৰকাৰে যিটো টকা দিবলগীয়া হয় সেই টকাও সংগ্ৰহ কৰিব লাগিব তাৰ কাৰণেও কৰ কাটলৰ কথা আছে। অসমত দুটা বস্তুৰ ওপৰত গুৰুত্ব দিবলগীয়া হৈছে, এটা হৈছে কৃষি আৰু আনটো হৈছে শিল্প। কিন্তু আমি শিল্পৰ ক্ষেত্ৰত যিখন ছৱি দেখা পাইছো সেই ছৱিখন ভেনেই হতাশজনক। কালিৰ পৰাই উদ্যোগ মন্ত্ৰীক সুধিছিলো যে অসমত কি উদ্যোগ হব? তাৰ কেচামাল পোৱা হবনে নহয়, বজাৰ পোৱা হবনে নহয় বা শ্ৰমিক পোৱা হবনে নাই তেনে ধৰণৰ কথা। তেতিয়া উদ্যোগ মন্ত্ৰীয়ে কলে যে এই গোটেই কথা

বিলাক বিভাগক চাবলৈ দিয়া হৈছে । বিভাগে প্ৰতিবেদন দিলেই তাৰ ওপৰত ব্যৱস্থা লোৱা হব । এতিয়া কথা হৈছে কেতিয়া প্ৰতিবেদন পোৱা হব আৰু কেতিয়া ব্যৱস্থা লোৱা হব? এই বিলাক ৩ বছৰমান বিভাগতে পৰি থাকিব তাৰ পিচত কেতিয়া প্ৰতিবেদন আহিব বা কেতিয়া ব্যৱস্থা গ্ৰহণ কৰা হব তাৰ একো ঠিকনা নাই । সেই কাৰণেই কৈছো ক্ষেত্ৰ বঢ়োৱাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে? মাত্ৰ ক্ষেত্ৰ বঢ়াব পৰা বিভাগ হৈছে উদ্যোগ আৰু কৃষি । কৃষিৰ ক্ষেত্ৰত যি বিলাক কৰা হৈছে সেই বিলাক দেখিলে আচৰিত হ'ব লাগে । গুটি আহিছে ঠিকেই । গুটিৰ কাৰণে যি বিলাক এজেন্সি আছে সেই বিলাকে যি টকা পইচা পাব লাগে সেই বিলাক ঠিকেই পাইছে । কিন্তু মাটিত গুটি পৰিলনে নাই সেইটোহে আচলতে চাবলগীয়া কথা । এইটো কথা আমি আপত্তি কৰা নাই, আপত্তি কৰিছে অ গ পৰ সদস্য শ্ৰীবৰুৱাই । গতিকে কিমান গুটি মাটিত পৰিল তাৰ ওপৰত আঁচনি কৰিলেহে হব, কিমান গুটি আহিল তাৰ ওপৰত আঁচনি কৰিলে আমাৰ কোনো লাভ নহব । তেখেত সকলে কৈ আহিছে যে আগৰ চৰকাৰে ভুল কৰিলে । হয় আমি ভুল কৰিলো, সেইটো কথা মানি লৈছো । কিন্তু জানিব বিচাৰিছো যে আপোনালোকে কি শুদ্ধ কৰিলে । বৰং ভুলতকৈ বেচিহে ভুল কৰিছে । মই উদাহৰণ দি কব বিচাৰিছো যে সিদিনা মুখ্যমন্ত্ৰীয়ে কৈছিল যে মিতব্যয়িতা অৱলম্বন কৰিব খোজা হৈছে । মই সুধিব বিচাৰিছো যে কি মিতব্যয়িতা অৱলম্বন কৰিব খুজিছে । মোক ২৭ হাজাৰ টকা দিলে । মই সেই ২৭ হাজাৰ টকাকে খৰচ কৰিব পৰা নাই এতিয়া শুনিছো যে সেই টকা আকৌ বঢ়াই দিয়া হব । মই ক'ত খৰচ কৰিম? যোৱা কেইবছৰত বহুত বিলাক ভেটি স্থাপন কৰা হ'ল কিন্তু ঘৰ কতো নহল । ভেটি উন্মোচন কৰিবলৈ ডৰ্জনে ডৰ্জনে মন্ত্ৰী গ'ল, পালিপহৰীয়া গ'ল, বিষয়া গ'ল । এই বিলাকৰ গাড়ী পানী দি চলাইছিল নেকি?

(ভইচ—আপোনালোকেও পুলিচ নিছিল)

হয়, আমি পুলিচ নিছিলো সেই কথা মানি লৈছো । কিন্তু এতিয়া পুলিচ নোহোৱাকৈ কোনোবা ক'ৰবালৈ আপোনালোকে যাব পৰিছেনে? আমি দেখিবলৈ পাইছো যে আগতকৈ এতিয়া বেচিকৈহে পুলিচ নিয়া হৈছে । এ

জি পিৰ মন্ত্ৰী সকল পুলিচ নিনিয়াকৈ যাৰ পৰা হলে ভাল পালোহেঁতেন। কিন্তু সেইটো হোৱা নাই। সিদিনা এজনে ক'লে যে ৰাষ্ট্ৰপতিৰ শাসন হলে হোষ্টেলৰ দেৱাল আৰু ওখ কৰিব লাগিব। তেখেত সকলে নিজৰ কাৰ্য্য ব্যৱস্থাৰ কাৰণেই এই দৰে ভাৱিবলগীয়া হৈছে। গতিকে জানিব বিচাৰিছো যে মিতব্যয়িতাৰ কি ব্যৱস্থা লোৱা হৈছে। আমি দেখাত একো মিতব্যয়িতাৰ ব্যৱস্থা লোৱা হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, শিল্প আৰু কৃষি এই দুয়োটাতে গুৰুত্ব দি বৈজ্ঞানিক ভাবে যি বিলাক ব্যৱস্থাৰ প্ৰয়োজন হয় সেই বিলাক ব্যৱস্থা লব লাগে। আগতে চেৰিকালচাৰ উন্নত কৰিবলৈ এখন বিল অনা হ'ল সেই বিলখন চিলেক্ট কমিটিত দিয়া হ'ল। অবশ্যে চিলেক্ট কমিটিত আমাৰ দলৰ সদস্য নাছিল। চিলেক্ট কমিটিয়ে কি পৰামৰ্শ দিব, চেৰিকালচাৰ কেতিয়া হব তাৰ কোনো ঠিকনা নাই। প্ৰতিবেদন চিলেক্ট কমিটিৰ পৰা কেতিয়া আহিব? গতিকেই কব বিচাৰিছো যে কুটিৰ শিল্পৰ বাবে যি ভুল চিন্তা কৰিছে সেই চিন্তাৰ দ্বাৰা কাৰো একো উপকাৰ হব নোৱাৰে। গতিকে কৃষি আৰু শিল্পৰ দিশৰ পৰা ৰাজহ বঢ়োৱাৰ কথা চিন্তা নকৰি চূন চুপাৰিত কৰ লগাই বাজেটৰ ঘাটি পূৰ কৰিব নোৱাৰি।

অধ্যক্ষ মহোদয়, দ্বিতীয়তে আহিছে চেল টেক্সৰ কথা। ব্যৱসায়ী হলেহে চেল টেক্স পাব। এই চৰকাৰে আজি যিটো ব্যৱস্থা দেশত চলাইছে তাৰ ফলত আজি ৩ বছৰে ব্যৱসায়ীৰ সংখ্যা কমি গৈছে। আজি ব্যৱসায়ীয়ে ইয়াত ব্যৱসায় নকৰা হৈছে কাৰণ তেওঁলোকে কিমান চান্দা দিব। তেওঁলোকে কিমান লৰি ফুৰিব? কিমান অসম বন্ধৰ সন্মুখীন হব? গতিকে ব্যৱসায় উঠাই দিছে। তেওঁলোকৰ নিজৰ আৰু ব্যৱসায়ৰ কোনো নিৰাপত্তা নোহোৱা হৈছে। গতিকে অসমত ব্যৱসায়ীৰ সংখ্যা কমি গৈছে। ব্যৱসায় নহলে চেল টেক্স কমিব। ফলত য'ত চেল টেক্স শতকৰা ১৫ আছিল তাৰ ঠাইত শতকৰা ১০ হব, বাজেট আকৌ দেফিচিত হব। গতিকে এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত অকল বাজেটেই নহয় আনুসংগিক কথা বিলাকো চাব লাগিব। শাসন যদি ভাল নহয়, তেনেহলে আনুসংগিক কথা বিলাকো ভাল হব নোৱাৰে। আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে, ২/১ টা মানুহ মৰিছে আৰু ঘৰ জ্বলিছে। আপোনালোকে যোৱা ৬

বছৰ ধৰি আন্দোলন অসমত কৰিলে এতিয়া সেইটোকে কন্টিনিউ কৰা হৈছে। আপোনালোকে সৃষ্টি কৰা আন্দোলন তেওঁলোকে আজি অনুসৰণ কৰিছে। দিমৌত আমাৰ এখন সভা আছিল তাতো বোমা দিব লাগেনে? কংগ্ৰেছৰ মিটিঙত বড়োৱে বোমা নুফুটায়। শিৱসাগৰৰ মন্ত্ৰী গৰাকীয়ে হয়তো বোমা ফুটাবলৈ কৈছে। যদি আজি আইন শৃংখলা দেশত সুস্থভাবে নাথাকে তেনেহলে ব্যৱসায়, বাণিজ্য, কৃষিৰ উন্নতি হব নোৱাৰে। তাৰ ফলত দেশৰ অৰ্থনীতিও উন্নত হব নোৱাৰে।

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী): মই কেতিয়া শিৱসাগৰলৈ গলো। I have been at Dispur.

শ্ৰীগোলোক ৰাজবংশী: শিৱসাগৰৰ মন্ত্ৰী কেইবাজনো আছে। তাৰোপৰি মানুহ যাব নালাগে নহয় টেলিফোনেৰেই কৰিব পাৰে। আমাৰ যিবিলাক পাব্লিক আন্দাৰ টেকিং আছে তাৰ পৰাও উপাৰ্জন বঢ়োৱাৰ ব্যৱস্থা কৰিব পাৰি। বিদ্যুৎ বৰ্ড, পৰিবহন, চাহ নিগম আদিত কোটি কোটি টকা লোকচান হৈছে। এই লোকচান ৪০ হাজাৰেই নহয় এই ৩ বছৰত আৰু বেছি হৈছে। আমাক দোষ দি লাভ নাই। এই ৩ বছৰত কিয় লাভজনক কৰিব নোৱাৰিলে? কম সময় বাবে ফিগাৰ বিলাক দিয়া নাই। কিমান ৰাষ্টাত বাছ চলাচল কৰিব তাৰ কোনো জৰিপ নোহোৱাকৈ ল'ৰা বিলাকক পাৰমিট দিয়া হৈছে। এতিয়া দেখা যায় যে, পৰিবহন নিগমৰ বাছ যদি ৮ বজাত যায় প্ৰাইভেট বাছ ৭ বজাত যায়। গতিকে পৰিবহন নিগমৰ লোকচান হৈছে। এইখন বিধান সভাতে পৰিবহন মন্ত্ৰীয়ে বহুতো কণ্ডাক্টৰ নিযুক্তি দিছে। কিন্তু টিকটৰ বিনিময়ত পইচাৰ হিচাব কমি গৈছে। এতিয়া ফুটা বন্ধ কৰিছে যদিও ইমান ঠাইত ফুটা আছে যে বন্ধ কৰা টান। এইটো দেখা নাপায়। আগৰ চৰকাৰৰ দিনত ফুটাইদি নিগৰি গৈছিল এতিয়া বেছিকৈ গৈছে। অসমত প্ৰায় ৪০ টা মান কৰ্পৰেচন আছে। আৰ্টফেডৰ কথা নকলেও হব কাগজে-পত্ৰে ওলোৱা বিলাক আপোনালাকে পঢ়িছে। ষ্টেটফেডৰ যোৱা ৩ বছৰৰ হিচাব চালে গম পোৱা যাব। খাদী বৰ্ডৰ সভাপতিজনক নাইকীয়া কৰিবলগা হ'ল। এনেকৈ বিভিন্ন নিগম ৪০ টা মান আছে। কংগ্ৰেছৰ দিনত নিগম বিলাকৰ অৱস্থা বেয়া হৈছে, এতিয়া এই ৩ বছৰত কিমান ভাল হৈছে? যদি হোৱা নাই ক্ৰেদিট কেনেকৈ লব? এই

বাজেটত ৩৭৩ কোটি টকা ধাৰৰ বোজা বাঢ়িল। পূৰাবৰ বাবে যি ব্যৱস্থা লৈছে সেই ৪৩ কোটি টকা উঠাব নোৱাৰে। সেই কাৰণেই কৈছো যে, প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীক ধৰা মেলা কৰকগৈ টকা আনিব পাৰিব। আপোনা-লোকে চুক্তিও কৰিছিল। তেতিয়াহে অসমৰ অৰ্থনীতি উন্নত হব। এইখন বাজেট পিপুল বাজেট নহয়, এটি পিপুল বাজেট আৰু ই অসমৰ অৰ্থনীতি ধ্বংস কৰিব।

এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীহেমেন দাস: মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখন জন বিৰোধী বাজেট। অসমৰ জনসাধাৰণৰ মাজত অসন্তোষৰ সৃষ্টি হৈছে। গতিকে এইবাৰ বাজেট জন বিৰোধী বাজেট হৈছে। ইয়াত জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে চেষ্টা কৰা হোৱা নাই। এই বাজেটত যি কৰ ধাৰ্য্য কৰা হৈছে, সেই কৰ বৃদ্ধিৰ ফলত আন কথা নকওঁ 'দৈনিক অসম' কাকততে লিখিছে যে, মূল্য বৃদ্ধিৰ ফলত অসমৰ সাধাৰণ ৰাইজৰ জীৱন নিৰ্ব্বাহ জটিল কৰিছে। আজি চেনিৰ দান বৃদ্ধি কৰিছে, অন্যান্য নিত্য প্ৰয়োজনীয় বস্তুৰ দাম বাঢ়িছে। কাপোৰৰ দাম বাঢ়িছে, ৰেদিমেদ কাপোৰৰ দাম আৰু বাঢ়িছে, দিয়াচলাইৰ দাম বাঢ়িছে,। আনকি শাক পাচলি, মাছ, মাংস আৰু চাউল, দাইলৰ দাম বৃদ্ধি কৰা হৈছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নিজেই ঘোষণা কৰিছে যে, ৰাজ্যখনৰ অৰ্থ সংকট দূৰ কৰাৰ কাৰণে কৰ বঢ়াব লগা হৈছে। অৰ্থ সংকট এটা সৰ্ব্বভাৰতীয় সমস্যা। 'মাখিৰ মূৰৰ ঘিউ' কাঢ়ি নি দেশ গঢ়িব নোৱাৰে। আজি ৪২ টা বছৰে ভাৰতৰ অৰ্থনীতি চলিছে একমাত্ৰ পুঁজিপতি আৰু জমিদাৰ শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে। প্ৰধান মন্ত্ৰী গান্ধী ডাঙৰীয়াই হাই টেকন'লজিৰ বাবে ভাৰতৰ দুৱাৰ খুলি দিছে। গতিকে আজি দেশৰ উদ্যোগৰ উন্নতি হোৱা নাই। আজি কোনো ধৰণৰ যন্ত্ৰ পাতিৰ উৎ-পাদনৰ বিকাশ হোৱা নাই। যোৱা কেইবছৰত ভাৰতৰ উদ্যোগ হোৱা নাই। আৰু লাভৰ পৰিমান কম হোৱাত আজি ভাৰতবৰ্ষ ঋণগ্ৰস্ত। কেন্দ্ৰীয় চৰকাৰে এই বছৰ ঋণ পৰিশোধ কৰাৰ কাৰণে ১৪ হেজাৰ ১ শ কোটি টকা ধৰিছে। আৰু অহা বছৰত কেৱল ঋণ পৰিশোধ কৰাৰ কাৰণে বাজেট ধাৰ্য্য কৰিছে ১৭ হাজাৰ কোটি টকা। এতিয়া দেশখনত এই ঋণৰ বোজা দিনে দিনে বাঢ়ি আহিছে ফলত আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা কি হৈছে? ই বিপথে

গৈছে। ভৱিষ্যতে টকা ধাৰ কৰিব লাগিব, ধাৰৰ সুদ দিয়াৰ কাৰণে উৎপাদনৰ কাৰণে নহয়। ফলত উৎপাদন বৃদ্ধি কৰাৰ কাৰণে এই টকা খৰচ কৰা নহব। আজি এই সংকটত হাবো-দোবো খাইছে। নতুন ল'ৰা কেইজনমানে চৰকাৰে গঠন কৰি শ্লপিণ্ডত চাইকেল চলাইছিল। এতিয়া চাইকেল নচলা অৱস্থা হৈছে। চৰকাৰখনক আগবঢ়াই নিব নোৱাৰা হ'ল। যোৱা বছৰ ৩১২ কোটি টকা ঋণ কেন্দ্ৰীয় চৰকাৰক পৰিশোধ কৰিলে। এই টকা ক'ৰ পৰা খৰচ কৰিছে। এটা বছৰতে ৩১২ কোটি টকা ঋণ কেন্দ্ৰীয় চৰকাৰক পৰিশোধ কৰাৰ অৰ্থ হ'ল অসমত ৩১২ কোটি টকাৰ কাম হোৱা নাই। ফলত অসম পিচপৰি আছে। অসমৰ পশ্বাদ গতি আৰম্ভ হৈছে। কৰৰ দ্বাৰা ঘাটি পূৰণ কৰাটো আশা কৰিছে। কিন্তু কৰ প্ৰৱৰ্ত্তন নকৰাকৈও ৪৩ কোটি টকা সংগ্ৰহ কৰিব পাৰিলেহেতেন। এই কেইটা টকা আয় কৰাৰ থল অসমত আছে। (ভইচ.........পৰামৰ্শ দিয়ক) মই দিব পাৰো। মই ৰাস্তা দেখুৱাই দিম। এই খিনিতে অৰ্থাৎ এইখন বাজেট ১৬ পৃষ্ঠাত চাওঁক তলৰ লাইনত However, agricultural income tax has shown a declining trend from 1986-87. The revenue, which stood at Rs. 62 crores in 1986-87, declined to Rs. 25·88 crores in 1987-88 and it is estimated to be at the level of Rs. 30 crores during the current year and next year. The tea prices have subsequently fallen. আপোনালোকে কৈছে যে চাহৰ মূল্য কমাৰ কাৰণে এগ্ৰিকালচাৰেল ইনকম টেক্স ৬২ কোটি টকাৰ পৰা ২৫ কোটি টকালৈ নামিছে। মই এটা প্ৰশ্ন আগৰ বিত্ত মন্ত্ৰী মহম্মদ ইদ্ৰিচ থাকোতেও কৰিছিলো আৰু এতিয়া বিত্ত মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত থাকোতেও কৰিছো আৰু সেই প্ৰশ্নৰ উত্তৰ তেতিয়াৰ বিত্ত মন্ত্ৰীয়ে যিটো দিছিল আৰু এতিয়া বিত্ত মন্ত্ৰী তথা মুখ্য-মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তইও একেটাকে দিছে। মই চৰকাৰৰ যুক্তি মানি লব পৰা নাই। কাৰণ আগৰ যুক্তিৰ লগত আজিৰ যুক্তিৰ মিল নাই। অৰ্থাৎ আজি কৈছে চাহৰ দাম কমাৰ বাবে কৃষি আয়কৰ কমকৈ সংগ্ৰহ হৈছে। এই যুক্তি বিশ্বাসযোগ্য নহয়। ইয়াত আৰু কৈছে— for committing alleged serious irregularities, in the purchase of stores and their utilisation by violating the norms of financial

proprieties leading to the misappropriation of funds. এই টেক্স এচেচিং কেন্দ্ৰীয় চৰকাৰৰ। ইয়াৰ পৰা ৩৭ কোটি টকা হেৰুৱাইছে এই বছৰতে। বাকী ফৰেষ্ট্ৰিত কি হৈছে? ১৯৮৭-৮৮ চনত ইয়াৰ প্ৰকৃত আয় হৈছিল ১৭ কোটি ১৬ লাখ ২২ হাজাৰ টকা। আৰু এতিয়া আপোনালোকে ইয়াত আয় দেখুৱাইছে ১৬ কোটি ৪৫ লাখ। এতিয়া কমিছে। এইটো আপোনালোকৰ সংশোধিত হিচাপ। অহা বছৰৰ কাৰণে ১৭ কোটি টকা কিয়? ইয়াৰ পৰা ১ কোটি টকা কমিব। আপোনালোকে বঢ়োৱাৰ চেষ্টা কৰা নাই। আপোনালোকে ৰাজ্যখনৰ কাৰণে মুঠেই চেষ্টা কৰা নাই যেন লাগে। বন বিভাগৰ ক্ষেত্ৰত আপোনালোকৰ কি নীতি? মহল অ'কচন দিছেনে? আগৰ মহলদাৰ বিলাকক এক্সটেনচন দিয়া আছে। মোৰ সমষ্টিৰ এজন ল'ৰাক ৬ মাহৰ কাৰণে এক্সটেনচন দিছে। একোটা মহল একোজন মানুহে ২০ বছৰ মান চলাই আছে। (ভইচ নিয়ম আছে) কংগ্ৰেছে যদি ক'ৰবাত বেয়া কাম কৰিছে সেইটো ভুল কৰিছে। কংগ্ৰেছে এক্সটেনচন দিছিল আপোনালোকে নিৰ্বিবাদে পালন কৰিছে। আজি অসমৰ ৰাইজৰ হাঁহাকাৰ অৱস্থা চলিছে। বেচি ভাগ টকা ধাৰ কৰি অনা হয়, কিন্তু অৰ্থনৈতিক অপৰাধীৰ বিচাৰ নহয়। যি আলুৰ দাম ৩ টকা আছিল তাক ৮ টকাত ক্ৰয় কৰিলেও কাৰো শাস্তি নহয়। আজি এই চৰকাৰৰ ৫ বছৰৰ ৩ বছৰ পাৰ হৈ গ'ল। আলু বীজৰ তদন্ত শেষ নহ'ল। এইবাৰ ৰাজহৰ ধন অপব্যয় কৰা হৈছে। কৃষি মন্ত্ৰী ডাঙৰীয়াই আজি উত্তৰ দিব নোৱাৰে। এইবাৰ কৃষকক সৰিয়হ যোগান দিয়া হৈছে। প্ৰতিজনকে ৭৫ টকা খৰচ কৰা হৈছে। মই শদিয়াৰ পৰা ধুবুৰীলৈকে নিজে গৈ চাই আহিছো। খেতিয়কে কেজি প্ৰতি ৮ টকা দামত সৰিয়হ কিনি খেতি কৰিছে। কিন্তু চৰকাৰে বানপীড়িতক যোগান দিয়া সৰিয়হৰ দাম কেজি প্ৰতি ১৫ টকা কৈ ধাৰ্য্য কৰিছে। এনে অপচয় ৰোধৰ চেষ্টা নাই।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ আজি অপচয়ৰ শেষ নাই। মোৰ হাতত এটা ৰিপোৰ্ট আহি পৰিছে। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী শাখাই সামাজিক বনানিকৰণ বিভাগৰ কেইজনমান বিষয়া আৰু কৰ্ম্মচাৰীৰ বিৰুদ্ধে তদন্ত কৰিছিল। Bills were paid without requisite certificates on the body of the bills, that stores were actually received and duly accounted for এই ৰিপোৰ্টটো ৫১-২-৮৯ তাৰিখে এচ, পিয়ে

দাখিল কৰিছে। ইয়াত লাখ লাখ টকাৰ অপচয়ৰ কথা আছে। Receiving the materials without the order of supply from the competent authority, non-accountability of the materials and passing of such bills are the instances where payment of false bills can be reasonably suspected, in collaboration with the proprietor of the firms, which attracts the provision of Section 120 (B)- criminal conspiracy and provision of IPC and P.C. Act Against the supplier, the receiving authority and bill passing authority মই বিষয়া কেইজনৰ নাম ইয়াত উল্লেখ নকৰো তেওঁলোকৰ সন্মান ৰক্ষাৰ কাৰণে। এদল বিষয়াৰ নামত ৭ লাখৰ ওপৰ টকা আৰু এদলৰ নামত ১৪ লাখৰ ওপৰ টকাৰ অপচয়ৰ কথা ৰিপোৰ্টত উল্লেখ আছে। আজি এই ৭ আৰু ১৪ লাখ টকাৰ বাৰটা সূদ দিবলগীয়া হৈছে। কাৰণ এই টকা আছিল সামাজিক বনানিকৰণৰ। It is, therefore, suggested that besides taking disciplinary action against the officers for their omissions and commissions in the deals, as enumerated in the reports, criminal cases are to be taken under various sections of Indian Penal Code and Prevention of Corruption Act, as suggested above. In this connection, opinion of the Counsel of this Cell, is enclosed with each of the reports, for favour of your perusal ইয়াত গুৱাহাটী হাইকোৰ্টৰ এডভোকেট শ্ৰীটি, চি মজুমদাৰৰ এটা ৰিপোৰ্টো আছে। কিন্তু কোনোবাই কব পাৰিব নেকি ইয়াৰ কিবা হৈছে বুলি? আজি ৰাজ্যখনে এনে এটা আৰ্থিক সংকটত ভুগিছে অথচ এচাম বিষয়াই ৰাজহুৱা ধন ব্যক্তিগত কামত সংগ্ৰহ কৰি সমগ্ৰ ৰাজ্যৰ জনসাধাৰণক কষ্টত ভোগাইছে। Agrawal Tube Company of Guwahati, the most favourite firm of Shri Neog favoured with lion-share of supply every year never supply more than 50% and compel the receiving lower ranked officers to receive 50% short supply and that to substandard and below specifi-

cation under threat. ঠিক তেনেকৈয়ে আজি কোনোবা কোম্পানীয়ে ৫০ কুইন্টল বস্তু দি ১০০ কুইন্টল বুলি লিখাই নিছে। মুখ্যমন্ত্ৰীৰ ভিজিলেন্স চেলে ৰিপোৰ্ট দিয়াৰ পিচতো এইবোৰ অপৰাধীৰ আজি কোনো বিচাৰ নহয়। এইখন দেশৰ অৰ্থনৈতিক অৱস্থা কেনেকৈ ভাল হ'ব? আজি এটা নতুন ষ্টাইল ওলাইছে। বিভিন্ন জনে পুল কাৰ নি সেইবোৰ প্ৰাইভেট গেৰেজত ভাল কৰিবলৈ দি ১০ হেজাৰ, ৫ হেজাৰ টকাৰ বিল দি এই বিলবোৰ ৰি-ইমবাৰ্চ কৰাই লয়। এইটো তদন্ত কৰিবনে? মই জনাত এজন মাননীয় ভাইচ প্ৰেচিডেণ্ট, যিজনে মুখ্যমন্ত্ৰীৰ সমান দৰমহা পায়, তেওঁ গুৱাহাটীৰ গেৰেজত গাড়ী ভাল নকৰে, কৰে যোৰহাটৰ এটা গেৰেজত আৰু সময়ে সময়ে পাচ-দহ হেজাৰ টকাৰ বিল দি সেই বিলৰ টকা লয়। এইবোৰ অপচয় নুবুলি ভাল বুলি কম নেকি?

মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদৌ অসম ছাত্ৰ সন্থায়ো এই বাজেট খন জন বিৰোধী বাজেট বুলি কৈছে। আজি চৰকাৰে অদৰকাৰী খৰচবোৰ বন্ধ কৰক। আজি বিধায়কৰ ঘৰ সম্প্ৰসাৰণ কৰা হৈছে, বেতন বৃদ্ধি কৰা হৈছে, বিধায়ক চৌহদ ধেকী দিয়া হৈছে—এইবোৰ কিয় কৰিবলগীয়া হৈছে? আজি এইখিনি মানুহৰ নিৰাপত্তা নোহোৱা হৈছে নেকি? নিৰাপত্তাৰ নামত ইমানবোৰ অপচয় কিয় কৰা হৈছে? অধ্যক্ষ মহোদয়, মই চৰকাৰক পৰামৰ্শ আগবঢ়াইছো—মুখ্যমন্ত্ৰীয়ে যি কৰৰ প্ৰস্তাৱ কৰিছে সেইবোৰ প্ৰত্যাখ্যান কৰক। আজি বিৰয় সকলে মুখ্যমন্ত্ৰীক 'মিচগাইড' কৰিছে। যোৱাবাৰৰ কৃষি আয় কৰ ৬২ কোটি টকাৰ পৰা কিয় ২৫ কোটি টকালৈ নামিল—ইয়াৰ এক তদন্ত কৰিব লাগে। উচ্চ ন্যায়ালৰ বিচাৰ পতিৰ দ্বাৰা ইয়াৰ তদন্ত হব লাগে।

শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এই বাজেটখন জনবিৰোধী বুলি কৈছে। তেখেতে এই বাজেট খন জনবিৰোধী বুলি কোৱাতো আশা কৰা নাছিলো। আজি বাজেটখনত কিছু নতুন কৰৰ প্ৰস্তাৱ কৰা হৈছে সেইটো সচা। কিন্তু এই টেক্স হৈছে 'প্ৰগ্ৰেছিভ টেক্স'। Passenger and Goods Tax, Tax on Aviation, tax on Patrolium Products, tax on expensive goods, Motor Vehicle tax, Vehicle tax all are progresive tax. এই টেক্স জনসাধাৰণৰ ওপৰত পোনপটীয়াকৈ নপৰে। যাৰ আয় বেছি, যি ধনী, যি

সকল ব্যৱসায়ী তেওঁলোকৰ ওপৰতহে ইয়াৰ প্ৰভাৱ পৰিব। সেয়ে আমি এই বাজেটক প্ৰগ্ৰেছিভ বাজেট বুলি কৈছো। এই টেক্স লগোৱাৰ পিচত সেয়ে আমি এই বাজেটখন জনবিৰোধী বুলি কব নোৱাৰো। ই কেতিয়াও জনবিৰোধী হোৱা নাই। হৈছে জনকল্যাণমুখী। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্য চৰকাৰ বিৰোধী বিত্তীয় নীতিৰ ফলতেই ৰাজ্য চৰকাৰে ৰিচৰ্চ মবিলাইজেচন কৰিবৰ বাবে এনেবোৰ পন্থা লবলৈ বাধ্য হৈছে। এনে ব্যৱস্থাই ৰাজ্য চৰকাৰ সমূহক কেন্দ্ৰই বিত্তীয় সংকটলৈ ঠেলি দিছে। আৰু ৰাজ্য চৰকাৰ সমূহক কেন্দ্ৰৰ মুখাপেক্ষী কৰি তুলিছে। আৰু এইটো হৈছে কেন্দ্ৰীয় চৰকাৰৰ নীতি।

আজি অসমতেই এইটো কথা ভালদৰে বুজি পাইছে আৰু সেই কাৰণেই অসমে আত্মৰক্ষাৰ সংগ্ৰাম কৰিছিল। অসমৰ জনসাধাৰণে ইতিমধ্যেই কিছুমান ত্যাগ স্বীকাৰ কৰি আহিছে আৰু এতিয়াও সেই ত্যাগ স্বীকাৰ কৰিবলৈ প্ৰস্তুত থাকিব লাগিব।

আজি আমাৰ ইয়াত যি খিনি নতুন কৰৰ প্ৰস্তাৱ কৰা হৈছে তেনেদৰে বৃদ্ধি হোৱা নাই। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই দিয়া পৰামৰ্শ প্ৰণিধানযোগ্য। সংগ্ৰহৰ ক্ষেত্ৰত যদি ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় তেতিয়া-হলে, ৰিচৰ্চ বঢ়াব পৰা যায়।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা প্ৰধানকৈ কব খুজিছো যে, এই ৰাজেট খন প্ৰধানকৈ এখন জনকল্যাণমুখী ৰাজেট হৈছে। আমাৰ মুঠ 'ৰেভিনিউ এক্সপেণ্ডিচাৰ' হৈছে, ১৫১০,৯২,৩০,০০০ টকা। ইয়াৰ পৰা খৰছ কৰিব বিচৰা হৈছে, জেনেৰেল চাৰ্ভিচত, ৪৪৫,৩৮,৪৩,০০০ টকা। 'চছিয়েল এণ্ড কমিউনিটি চাৰ্ভিচত' ৬১২,৮৫,০৫,০০০ টকা, আৰু 'ইকনমিক চাৰ্ভিচত' ৪৪৪,৬৫,৫০,০০০ টকা। মুঠ কেপিটেল এক্সপেণ্ডিচাৰ' ৩৬৬,৩৩.৭০,০০০ টকা। ইয়াৰ পৰা খৰছ কৰিব বিচৰা হৈছে 'জেনেৰেল চাৰ্ভিচত' ৮,৪১,৮০,০০০ টকা, 'চছিয়েল এণ্ড কমিউনিটি চাৰ্ভিচত' ৩৮,৫৮,৭৩,০০০ টকা আৰু 'ইকনমিক চাৰ্ভিচত' ২৩১,৪৭,৮৪,০০০ টকা। গতিকে এই বিলাক পৰিসংখ্যাৰ পৰা দেখা যায় যে, যি টকা আৱণ্টন দিয়া হৈছে সেই টকা যোৱা বছৰতকৈ ৭৩,৫১,১৩,০০০ টকাৰ বেছি। ইয়াৰ পৰা স্পষ্ট যে, 'ৰেভিনিউৰ' পৰা টকা জনকল্যাণমুখী আঁচনিত ব্যয় কৰি জনকল্যাণমুখী ৰাষ্ট্ৰীয় নীতি বাস্তবায়িত কৰাত গুৰুত্ব দিয়া

হৈছে। বাজেট খনত এখন কল্যানকামী ৰাষ্ট্ৰৰ আদৰ্শৰ পৰম্পৰা ৰক্ষা কৰাৰ প্ৰয়াস কৰা হৈছে আৰু আনহাতে কেপিটেলৰ সৰহ টকা 'ইকনমিক চাৰ্ভিচ'ত ব্যয় কৰি ৰাজ্যত অৰ্থনৈতিক বিকাশ সাধনৰ ক্ষেত্ৰত বহলোৱাৰ প্ৰয়াসো কৰা হৈছে।

माननीয় উপাধ্যক্ষ মহোদয়, দেখা যায় যে, ৰেভিনিউ-ৰিচিপ্ট আশা কৰা হৈছে, ১৫,০০,৬৬,৮৯,০০০ টকা। তাৰ বিপৰীতে 'ৰেভিনিউ-এক্সপেণ্ডিচাৰ' হব ১৭৭৯,১৭,৭০,০০০ টকা। গতিকে ৰেভিনিউ গেপ'—২৭৮,৫০,৮১,০০০ টকা।

চলিত বছৰত 'ৰেভিনিউ ৰিচিপ্ট' আছিল ১১৬৬ কোটি টকা আৰু তাৰ বিপৰীতে ব্যয় হব ১৭৭৯ কোটি টকা। ৰেভিনিউ গেপ হব ৬১৩ কোটি টকা। দেখা যায় প্ৰায় প্ৰতি বছৰে ৰেভিনিউ ৰিচিপ্টতকৈ ৰেভিনিউ এক্সপেণ্ডিচাৰ বেছি হয়। যদি আগৰ ওপৰত নিৰ্ভৰ কৰি এই অতিৰিক্ত ব্যয় কৰা হৈছে, ঋণৰ ওপৰত নিৰ্ভৰ কৰি যদি এই বিত্তীয় গেপ পূৰণ কৰিবলৈ ব্যৱস্থা কৰা হয় তেতিয়াহলে, ই কেতিয়াও সুস্থ বিত্তীয় নীতিৰ পৰিচায়ক হব নোৱাৰে। সেই কাৰণেই মই এটা পৰামৰ্শ আগবঢ়াব খুজিছো যে, 'ৰেভিনিউ গেপ' পূৰণ কৰিবৰ কাৰণে'ঋণ'ৰ ওপৰত নিৰ্ভৰ নকৰি, 'ৰিচৰ্চ'ৰ পৰাহে সেই গেপ পূৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। যদি ইয়াকে কৰা নহয় তেতিয়া-হলে, আমাৰ যি আৰ্থিক বিত্তীয় সংকত সি আৰু চৰিবহে পাৰে। এই ক্ষেত্ৰতে মই এটা কথা কব খুজিছো যে, যদি 'বাজেটৰি চিষ্টেম' উন্নত আৰু বিজ্ঞান সন্মত কৰা নহয় তেতিয়া হলে অপৰ্যয় ৰোধ কৰা নহব, আঁচনি সমূহ নিয়াৰিকৈ কাৰ্য্যকৰী কৰা নহৰ আৰু বিত্তীয় সংকতে গুৰুত্বৰ ৰূপ ধাৰণ কৰিব। 'ফাইনেন্সিয়েল কণ্ট্ৰল আৰু মেনেজমেণ্ট' সম্ভৱপৰ নহব বুলি মোৰ ধাৰণা হৈছে। এতিয়ালৈকে চলি অহা যিটো চিষ্টেম সেইটো স্বাধীনতা পাবৰ দিনৰে পৰা চলি অহা চিষ্টেম। খৰছৰ ওপৰতেইহে ইয়াৰ গুৰুত্ব থাকে। এইটো বন্ধ কৰিবলগীয়া হলে, ইয়াৰ আমূল পৰিবৰ্ত্তন সাধন কৰিব পাৰিব লাগিব। এখন কিতাপৰ মই এটা 'ডেফিনেশ্বন পঢ়ি দিব খুজিছো,........

"Performance Budget is a technique which seeks to bring out what the Government proposes to do, how much of it, at what cost and with what results. Physical and financial aspects of each programme and activity are

co-related by establishing relationship between outputs and related inputs."

এই 'পাৰফৰমেন্স বাজেট' আমাৰ ইয়াৰ বাহিৰে অন্যান্য ৰাজ্য বিলাকত কৰিছে। আমাৰ ইয়াত কিয় প্ৰৱৰ্ত্তন কৰা নাই সেইটো বিচাৰ্য্যৰ বিষয়। আৰু এইটো নকৰাৰ কাৰণেই আজি অসমৰ অৰ্থনৈতিক সংকত বাঢ়িছে গৈছে আৰু 'বাজেটেৰি কণ্ট্ৰল'ৰ অভাৱ ঘটিছে আৰু এটা 'ডিফেক্টিভ চিষ্টেম অব্ বাজেটিং' হৈ আছে। প্লেনিং আৰু বাজেটিঙৰ মাজত সামঞ্জস্য থাকিব লাগিব। কিন্তু আমাৰ ইয়াত তেনে কোনো সামঞ্জস্য নাই। কিন্তু এই প্ৰথাটোত দেখা যায় যে প্লেনিংৰ লগত বাজেটৰ কোনো সম্পৰ্ক নাই। প্লেনিংয়ে নিজৰ মতে প্লেন কৰে আৰু বাজেটে নিজৰ মতে বাজেট কৰে। কাৰো লগত একো কাৰো সম্পৰ্ক নোহোৱাৰ দৰেই অৱস্থা হোৱাৰ ফলত এই বিজুটিবোৰ ঘটিছে, ফলত খৰছ বাঢ়িছে। এতিয়া দেখা গৈছে যে এই মাৰ্চ মাহৰ ভিতৰতে বাজেটৰ এক তৃতীয়াংশ ড্ৰ কৰা হব আৰু বাজেটৰ এটা বৃহৎ অংশ এতিয়াই ড্ৰ কৰিবলৈ চেষ্টা কৰিব। এইটো বাজেটৰ ওপৰত নিয়ন্ত্ৰণ নথকাৰ কাৰণেই হৈছে। শেহতীয়াকৈ চাব, ভাৰত চৰকাৰে বাজেটৰ ওপৰত কিছুমান নিৰ্দেশ দিছে আৰু সেই মতেই মহাৰাষ্ট্ৰ, ৰাজস্থান, কৰ্ণাটক আৰু গুজৰাট আদিত বাজেট তৈয়াৰ কৰাও হৈছে। কিন্তু আমাৰ ইয়াত এতিয়াও আগৰ সেই বৃটিছ আমোলৰ দৰে লাইন পদ্ধতিত বাজেট তৈয়াৰ কৰি থকা হৈছে। এইটো কিয় কৰা হৈছে বুজি নাপাওঁ। নতুন ব্যৱস্থা মতে বাজেট তৈয়াৰ কৰিলে বাজেটত যিবোৰ আঁচনিৰ বাবে ব্যৱস্থা কৰা হৈছে সেইবোৰ সফলভাৱে ৰূপায়ন কৰিব পাৰিব বুলি আমি আশা কৰিব পাৰোঁ। তেতিয়াই বাজেটবোৰ কল্যাণমুখী হব বুলি কব পাৰি। এতিয়া বাজেটত আৰু অধিক টকা দিয়া হৈছে বিভিন্ন আঁচনিৰ কাৰণে। কিন্তু এই সকলোবোৰ নিৰ্ভৰ কৰিব বাজেটৰ সমন্বয় ৰক্ষা কৰাৰ ওপৰত। বাজেটৰ প্লেনিং আৰু বাজেট নিয়ন্ত্ৰণৰ ওপৰত। মই আমাৰ বাজেট আৰু কল্যাণমুখী হব বুলি পুনৰ দোহাৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri A. F. Golam Osmani : Hon'ble Mr. Dy. Speaker Sir, this discussion on the budget proposal for the year 1989-90 reminds us of the days when A. G. P. Government presented its first budget in this House in 1986 in relation to financial year 1986-87. Sir, it was known to everybody in that State that after decades a new set up has come to administer the State and with a definite mandates and the primary objective of the Government was repeatedly announced to publish "সোণৰ অসম"। Sir, in those days we uttered many a word of caution perhaps inadvertently referring to that inexperience of the new set up which often generated it. Sir, I still maintain that inexperience is no offence in a political system. Inexperienced people can come to power and administer the State. But they have to be doubly careful because experience makes up that type of gap which a person with a very i. q. cannot cover.

Sir, in 1986-87 budget the picture was not so rosy when this Government assumed power. They should have been very careful in initiating new things. Today, I still maintain that basic proposition in running a sound Government, where there is an approach of pragmatism. Sir, when we run a house it is our duty to see how the existing positions can first be improved then rushing in newer propositions. Unfortunately, Sir, in our country, not only this Government, but even the earlier Government also made this type of mistake. In this connection I would like to mention that when the Janata Government of Assam first came to power in 1978 they took certain

populist measures and perhaps people still remember them. Sir, the first populist measure of the Janata Government in 1978 was in relation to giving cheaper dal (pulse) at a subsidised rate. The second measure was to make free education at the Secondary stage. When 60% of the students were already enjoying free concession and the third and the most important measure was exemption of land revenue to the tune of ten bighas of lands. Sir, all these were populist measures having in effect on economy. Today, a time has come to examine all these things seriously.

Sir, I would like to refer to the first Budget Speech of the A.G.P. Government (Date March 12, 1986) and to remind the Hon'ble Chief Minister how he started and also to remind those who are in the opposition now that the State was not in a very enviable position in relation to the financial year 1984-85. It says that the financial year actually closed with a balance of ( Rs. 124·47 crores as against (—) Rs. 140·25 crores anticipated in the revised estimates of the year. The improvement in closing balance is thus only nominal and the year 1984-85 ended with a large deficit. This shows a slight improvement of Rs. 15·78 crores. Sir, I do not know was it due to the performance of the A. G. P. Government for the last four months of the year. That anticipated budgetary deficit was reduced by 15·78. So, Sir, starting was very dismal. But our young administrators were not cautious. Today Chief Minister is telling us that we will have to tighten our belts. With great dismay we observe the line in his address at page

2 of the Budget Speech that "The State will have to tighten the belt for sometime to come, if only to reduce our excessive dependence on the Centre." Why ? You should have assessed it earlier and initiate actions accordingly.

Now, Sir, how this State of Assam is administered for last four decades: Nobody should be very critical. We, everybody in our respective time created condition which made Assam, a very prosperous State of India, excessively dependant on Centre. Perhaps it has become the political culture and the AGP Government did not escape from that trend. To show the extent of Central dependance I would like to refer to earlier periods-periods earlier to 1984-85. For year 1985 onwards for which perhaps the present Government may have to be indicted. In 1982-83 total receipt of Government of Assam was 439.04 Crores. Total revenue was 181.97 crores. Total Central Assistance was 257·07 crores. Percentage of Central Assistance was 58·55 p.c. Now, let us look at the situation next year, i. e., 1983-84. Total receipt of Government of Assam was 550·72 crores. Total revenue receipt was 213·24 crores. Central Assistance was 337.48. Central Assistance was to the tune of 61·27 p.c. In 1984-85 total receipt of Government of Assam was 697·25 crores. Total revenue was 272·09 crores Central Assistance was 425·16 crores. Percentage of Central Assistance was 60·97 p.c., that is nearly 61 p.c. In 1985-86, the year the AGP Government was about to enter, the total revenue of the Government of Assam was 957·10

crores. Total receipt from revenue was 344·81 crores. Receipt from of India was 612·29. Percentage of Central Assistance was 63·97 p.c., nearly 64 p.c. In 1986-87 total revenue of the State was 1238·68. Revenue receipt was 532·21 and receipt from Government of India was 701·47 crores. Extent of Central Assistance was 57.34 p.c. So, this was the state of affairs of the State of Assam so far as its economy was concerned.

Now, Sir, to analyse the thing what the State Government did or did not, I must definitely admit that some exercises were made to improve the finances of the State. I would like to refer to two years preceeding this year, because we consider it more or less a crisis period—1987-88 and 1988-89 in respect of revenue receipt which is the mainstay of our economy. Tax revenue in 1984-85 it was 189.91. In 1985-86 it rose upto 235 crores and in 1986-87 it went upto 253.04 crores. Also, there was a definits increase in non-tax revenue, in 1984-85 only 82 crores were collected, in 1985-86 it was 109 but in 1986-87 it was 279·17 crores. So we shall have to admit that some exercises were made to increase the revenue of the State either in form of sales tax and other taxes. But from what source the danger comes. The overall situation, to my mind, is deteriorated because Government could not keep up with this momentum. Those who are running the Government did not care to stop the pattern of unproductive expenditure created earlier. Political decisions were made having disastrous economic consequences. I

would like to refer to one such case as to how the administrators create this type of unproductive spending. Earlier Government run by a party, subsequently went out of power, appointed many people on adhoc basis under regulation 3 (f). Appointment under regulation 3 (f) itself is objectionable, We all admit it. These are the political patronization done by the politicians in power giving services on adhoc basis. After this Government came to power they thought that the services of those people appointed on adhoc basis could not be terminated with a stroke of pen and when they did it, there were court cases so, to run the Blocks they had to appoint another set of BDOs. Now who will pay the bills of this additional BDOs? They will have to be paid from State's coffer. So, Sir, this is one of the instances to show how the economy of the State is strained with this type of hasty decision of the Government a present appointment policy is the root of all unproductive spending. Appointment should be made on definite norms. There is a cell to advise the Government to run the administration; there are Administrative Training Organisation. But you would observe that things piled up in relation to Public Service Commission. At a time you will find 100/150 or 200 State Civil servants are appointed having no facility for training. These ACS II officers when appointed are of no use unless they are given necessary training. They had to be given posting in a Circle under a Sr. SDC because Sr. SDC is having training and has the power of mutation. So Sir, we think when we are in power it is time to

accommodate our relations and favourites. These are the main administrative extravagences Assam is subjected to for a long time. Since the days of great Mr. Chaliha and to some extent the days of late Mahendra Mohan Choudhury no rational approach towards appointment is being followed in the State. We expected that our new administrators rather would go slow in a steady manner taking into consideration our past follies but they too swayed by populist notious and have missed the bus accordingly.

Now as regards deficit, Sir, additional things have cropped up. The deficit which is being shown this year is 373 crores, but actually with the Reserve Bank figure it will be more than 373. It may be added by another 100 crores if we add the figure of State Transport and State Electricity Board liabilities and it may go up to 500 crores when the year is closed. I have a feeling that this huge deficit is being created because of the political problems of the State, primarily due to the law and order situation. The Home Ministry, so far as the maintenance of law and order was concerned, was run with no objectivity. I refer to Grant No. 14 in relation to one or 2 items of the Home Ministry viz: 'Direction and Administration'. In 1987-88 there was 84 crores and in 1988-89 it was 93 crores. If we refer to earlier period this head was with much lesser figure. The most objectionable of this is 'Special Police'. We do not know what are the functions of the special police. In the year 1987-88 the Special Police started with 83 crores and this year 89-90

it is going to be 40 crores on this account alone. I have a feel that the Finance Ministry has to divert much more funds from other heads to meet the law and order situation in the State. As I know 18 companies of CRPF is coming. As per norm the State Government has to foot the bill. So far as Plan is concerned, I am not going to speak anything on Planning matters as there will be other forums to speak on this. But one thing is certain that so far as the State share of plan is concerned, it will have to be surrendered to that extent of 30% because whatever resources the State has mobilised they are not in a position to contribute their share of Annual Plan as they are to divert that for law and order situation. The Chief Minister will have to meet the law and order requirements. And in doing so the deficit will go to the extent of 500 crores. Anticipated deficit is not the actual figure. At the end of year you will find much more deficit.

In the premises every section of the State should come forward to resolve the ethnic confrontation which has taken place in Assam. I request the Chief Minister to take initiative as he has done by calling All Parties Conference to bring all sections of the people together. The agitationists who have been raising some grievances about the violation of their civil right are to be looked into. I visited Bongaigaon after the bomb blast. The people told me that they have serious misgivings about the origin of these bomb blasts. There are charges and counter charges from ABSU and AASU. I am, however, not holding any

brief for ABSU or anybody, but the people have serious misgivings. There may be other forces operating to destabilise the State. My only point is that the civil right of the people has to be honoured. What about Karbi Anglong ? The people there have chosen the path of democratic process for their movement. They have contested the last District Council election. They have defeated the AGP. Let AGP or Congress be defeated, that does not matter. The agitationists have chosen a political forum to redress their demands. We should encourage it. I told the Chief Minister that Karbi people should have been invited to the All Party Conference and he promisedto invite them in future meetings. I hope, he will surely do it. We know by separation the problems will not be solved, rather there will be more problems. Can we not solve this problem by sitting together ? I earnestly request that attempts should be made with such political motivation. I request the Home Minister to take care of the forces who are trying to create troubles by setting one section of people against another for their own gains. In this way the problems cannot be solved: There the politicians count. The officers may do it for their promotions by by show over zealouness. Sir, I have taken much time of House. Now I reqest the Leader of the House, the Chief Minister and the Leader of the AGP party to see that the State is not plunged into economic disintegration: The Chief Minister has taken a bold step which the earlier Government did not do for the sake of their popularity:

But he has done it. We will observe all austerity and we will cooperate with the Government provided there is sincerity with the Government to solve the problem. So far as the resource mobilisation attempts made by the Chief Minister, we have full support. You do it, but kindly see that the ordinary consumers do not suffer. About the food-stuff to be eaten in hotels, the ceiling has been fixed at Rs. 10/-. This cealing should be raised. Secondly, about the hosiery goods, I would say that this being our developing cottage industry in the State it deserves some consideration. I think with these concession it will create a better atmosphere.

With these few words Sir, I conclude.

Mr. Deputy Speaker : Now. hon'ble Shri Santi Ranjan Dasgupta.

Shri Santi Ranjan Dasgupta : Mr. Deputy Speaker, Sir, while participating in the discussions on the budget speech, I, at the very outset, shall request the Hon'ble Chief Minister who is also the Finance Minister to drop all the taxation proposals that have been proposed in the budget speech. Sir, already the petroleum products in the market have become costly because they have already raised their rates. Sir, we have heard that the grocery shop owners are going to close their shops to the people because of the high taxation rates. Why I request the Hon'ble Chief Minister, who is also the Finance Minister, to drop these proposals are explained hence forward. Sir, the position is very clear. In page 13 of

the budget speech, the Hon'ble Chief Minister has stated that out of the 44 public undertakings only 34 have submitted accounts upto 1986-87 and the rest 10 public undertakings did not submit any accounts even upto 1986-87. Sir, the Finance Minister has himself stated that Government have advanced credit to these public undertaking to the tune of Rs. 1146 crores up to 1987-88 and that Government in return have incurred a loss of Rs. 730 crores. So, Sir, upto 1987-88, the Government from it's own fund gave Rs. 1146 crores to 44 public undertakings and what is the result. Sir, the result is that Government incurred a loss of Rs. 730 crores. This is the version of the Finance Minister himself. It is not my own version. Sir, there is a deficit of Rs. 873 crores and there is a dispute with the Accountant General and the Reserve Bank of India about Rs. 14 crores. Sir, more deficit will be sustained. The Chief Minister as Finance Minister has mentioned that for the Pay Commission a sum of Rs. 180 crores have already been ear-marked for the coming year in the budget. Sir, in order to provide facilities to the State Government employees at par with the employees of the neighbouring State Government requires Rs. 440 crores for the first year and for the subsequent year Rs. 212 crores. So Sir, another 260 crores will have to be added for the emoluments and salaries of the Government staff and other staff in the field when the report of the Pay Commission is submitted. Sir, that amount will have to be shouldered by the State Government. Sir, the hon'ble Finance Minister has stated that if the Centre do not

come forward to help the State Government then nothing can be achieved, Sir, can not the State Government attempt to stop the loss of Rs. 730 crores and many other losses incurred by different departments, including the public undertakings who are wasting money for nothing. Sir, this is not my version. I shall show you from the facts and figures how the Government have incurred losses. Sir, in the year 1986-87 a minus budget was presented in this August House by the Finance Minister for Rs. 38 crores but what has happened there after. In 1986-87 when the actual figures were received. Sir, during March, 1987 including the supplementary demands, this House voted and sanctioned Rs. 2262 crores for expenditure. Sir, what is the amount deposited in the Consolidated Fund of the State is only 1692 crores resulting in a minus balance of 570 crores in 1986-87. What has happened in 1987-88 Sir, the supplementary demand was just passed in this session for an expenditure of Rs. 2449 crores. Sir, what is the amount deposited in the Consolidated Fund ? It is 1932 crores which also shows a minus balance of 517 crores. So, Sir, this budget does not at all show the economy position of the state; it does not reflect about the economy of the State. Sir, in a budget can there be a gap of 700 crores or 800 crores. Sir, all these show the inability, inexperience and total dullness of the Government who controls the budget in the Finance Department. All these also show the inadequate knowledge of the people in the Finance Department to tackle and manage the monetary problems of the State. Therefore, Sir, this budget not only not reflects the actual affairs of the State's economy but also

pushing the entire State towards total destruction insofar as the economy is concerned. Everybody knows that in the previous year of 1986-87 a minus balance was shown in the budget which stood at 19 crores but actually it will end up by more than 600 crores in the coming year. Sir, I have already stated that for the emoluments and salaries of the employees, if the recommendations of the Pay Commission come next year, the State Government will require another 260 crores and there will be again a shortfall because of the excess demand of expenditure. Actually, from the budgetary amount or from the revised estimate how can there be more demand. Why they should come forward with supplementary demands three times in a year ? It only shows that Finance Department has no control. What the Finance Department is doing ? Why are they not exercising control ? The State's economic management has reached such a stage that it has to come forward with taxation proposal for a paltry amount of Rs. 43 crores disturbing the entire economic system. The people will be bound to make agitation. Even the AASU has stepped in, as has been reported in the 'Dainik Asom', to launch agitation in the State, and they are not going to sit tight. That is why, I want to request the Chief Minister who is also the Finance Minister to drop these taxation proposals because you cannot raise your resources by taxing the people. The only thing that can help the Government is to have a firm grip and control over the expenditure of the public enterprises and also Government departments. Sir, the Government cannot penalise the

people for its own fault. Sir my submission, is that these taxation proposals should be dropped and with drawn: Let there not be any further agitation. With these submissions, I resume my seat.

Mr. Deputy Speaker : Now, Shri Debeswar Bora.

*শ্ৰীদেবেশ্বৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৯-৯০ চনৰ যি বাজেট উত্থাপন কৰা হ'ল এই বাজেটখন বাস্তৱ সম্মত আৰু এক উন্নয়নৰ পথলৈ আগবঢ়াই লৈ যোৱা বাজেট বুলি অভিহিত কৰিব পাৰি। যদি বিৰোধী পক্ষই জনবিৰোধী বাজেট বুলি কৈছে, আমি এটা কথা উপলব্ধি কৰাটো উচিত হ'ব যে ভাৰতবৰ্ষৰ অৰ্থনৈতিক যিটো চৰিত্ৰ এই চৰিত্ৰটো বদলি কৰিবৰ হ'ল। এই চৰিত্ৰ বদলি কৰিব নোৱাৰিলে আমাৰ দেশখনত কেতিয়াও জনসাধাৰণক আগুৱাই নিয়াৰ কাৰণে বাজেট প্ৰস্তুত কৰি বা অন্যান্য উপায়েৰে আগবঢ়াই নিয়াত বাধা আহি পৰিব। ফলত বিভিন্ন আৰ্থিক সংকটে দেখা দিব। সেয়েহে মিক্স ইকোনমিক পলিচি আতৰাবৰ কাৰণে চেষ্টা চলিছে আৰু এই নীতি চলি থকাৰ কাৰণেই আমি দেখা পোৱা মতে ঋণৰ বোজা বাঢ়ি গৈছে। আজি যিটো বাজেট প্ৰস্তুত কৰিছে আৰু এই ঘাটি বাজেট পূৰণ কৰিবলৈ কিছুমান কৰৰ প্ৰস্তাব নিৰ্দ্ধাৰণ কৰা হৈছে। ইয়াত যিখিনি কৰৰ প্ৰস্তাৱ লোৱা হৈছে তাৰ দ্বাৰা জনসাধাৰণক প্ৰত্যেক্ষ ভাৱে আঘাট নকৰিলেও পৰোক্ষ ভাৱে পৰিব। কিন্তু তথাপিও চৰকাৰ বাধ্য। এই ঋণৰ বোজা হ্ৰাস কৰিবলৈ কৰৰ প্ৰস্তাৱ কৰাৰ কথাটো আমি উপলব্ধি কৰিছো। এই ক্ষেত্ৰত এটা কথা কব লাগিব যে কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া বাজেটত প্ৰত্যক্ষ ভাৱে নহলেও পৰোক্ষ ভাবে জনসাধাৰণৰ ওপৰত কৰৰ বোজা পৰিছে আৰু সেই কাৰণেই আমাৰ ৰাজ্যিক চৰকাৰবিলাকৰো বাজেট প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে। ঋণৰ বোজা বাঢ়ি যোৱাৰ কাৰণে হতাশগ্ৰস্ত হবলগীয়া হৈছে। এই ঋণৰ বোজা বাঢ়ি গৈছে আৰু অহা বছৰ এপ্ৰিল মাহৰ পৰা ৩ হাজাৰ ৪ শ ৭৪ কৌটি টকা ঋণৰ বোজা গ্ৰহণ কৰিব লাগিব। ৰাজ্যখনৰ সম্পদৰাজিৰ আহৰণ সীমিত হোৱাৰ কাৰণে বিভিন্ন সময়ত আমাৰ ৰাজ্যখনে সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে। মাননীয়

* Speech not corrected.

মুখ্যমন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো যে এইবাৰৰ বাজেট বক্তৃতাত তেখেতে ৰাজ্যখনৰ আৰ্থিক সংকটৰ কথা বিশেষ ভাবে উপলব্ধি কৰিছে। আমি সকলোৱে জানো পৰিকল্পনাৰ টকা যেতিয়া ধাৰ্য্য কৰা হয় তেতিয়া বাজেট প্ৰস্তুত কৰোতে বাইজক ৰিলিফ দিয়াৰ প্ৰতিও চকু দিয়া হয়। সেই কাৰণেই ঋণৰ বোজা বাঢ়ি যোৱা পৰিলক্ষিত হৈছে। তাৰোপৰি দেখা গৈছে আমাৰ নন প্লেনিং এক্সপেণ্ডিচাৰ বিলাক বাঢ়ি গৈছে। যিটো কথা বাজেটত উল্লেখ কৰা হৈছে। পৰিকল্পনাৰ ক্ষেত্ৰত কেইটামান খণ্ডত বিশেষভাৱে বাঢ়ি গৈছে। এই কেইটা খণ্ড নিয়ন্ত্ৰণ কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছে কিন্তু পৰা নাই। আচলতে পূৰণীকলীয়া যিটো ব্যৱস্থা বা পদ্ধতি চলি আছে সেইটো চৰকাৰে ঘপহকৈ সলনি কৰিব নোৱাৰে। এই কথাটোৰ উল্লেখ কৰিছে। চৰকাৰে আশা কৰিছে প্ৰায় ৪৩ কোটি টকা কৰ হিচাবে নিৰ্দ্ধাৰণ কৰি সেই টকাটো সংগ্ৰহ কৰিব। কিন্তু এই টকাখিনি সংগ্ৰহ কৰোতে ফাকি যাতে দিব নোৱাৰে তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। কৰ ফাকি দিয়াৰ কাৰণে বছৰৰ শেষত গৈ ঘাটিৰ পৰিমানটো বাঢ়ি যায়। কৰ সংগ্ৰহ যিটো লক্ষ্য সেই লক্ষ্যত উপনীত হব পৰা নাযায়। এই ক্ষেত্ৰত অডিটৰ জেনেৰেলৰ ৰিপোৰ্টত উল্লেখ কৰিছে যে এতিয়াও বহুটো কৰ আদায় কৰিবলৈ বাকী আছে আৰু টেক্স এৰিয়াৰ হৈ আছে। এইখিনি ক্ষেত্ৰত বিশেষ দৃষ্টি দিব লাগে। বিশেষকৈ চেল টেক্সৰ জৰিয়তে কৰ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত টাইম বাৰ নথকাৰ কাৰণে বিশেষ অসুবিধা হৈছে। এই বিষয়ে অডিটৰ জেনেৰেলৰ ৰিপোৰ্টত আছে। এই ক্ষেত্ৰত বিত্ত বিভাগে টাইম বাৰ নিৰ্দ্ধাৰণ কৰি দিব লাগে! ইৰেগুলাৰ টেক্স ৰিফাণ্ড কৰা হয় এইটো চাব লাগে। অডিটৰ জেনেৰেলে চেল টেক্সৰ যিটো আপত্তি ডাঙি ধৰিছে সেইটো বিচাৰ কৰি চাব লাগে আৰু নন টেক্স ৰেভিনিউৰ ওপৰত যিটো কমেণ্ট সেইটোও চাবলৈ অনুৰোধ জনাইছো। মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা উল্লেখ কৰিছে যে বন বিভাগৰ ৰাজহৰ ক্ষেত্ৰত কিছুমান কৰ নিৰিখ কৰা হব আৰু তাৰ পৰা ৫ কোটি টকা অৰ্থ সংগ্ৰহ কৰা হব। এই বিষয়টো বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত অডিটৰ জেনেৰেলৰ ৰিপোৰ্টটো ফাইনেন্স ডিপাৰ্টমেণ্টে চাব লাগে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াইও এই বিষয়ে উল্লেখ কৰিছে যে ফৰেষ্টত

ৰেভিনিউ কমি গৈছে। এইটো যাতে কমি যাব নোৱাৰে তাৰ কাৰণে চেষ্টা কৰিব লাগে। সময় মতে মহল বিলাক এক্সটেনচন কৰাৰ সলনি যাতে পট্টন দিয়া হয় সেইটো চাব লাগে। কিয়নো এক্সটেনচন দিয়াৰ কাৰণে যি ধৰণে ৰাজহটো আহিব লাগে সেইমতে নাহে। খেৰৰ মহল বিলাক ইৰেগুলাৰ চেটেলমেণ্ট দিয়া হয়, এই কথাবিলাক চাব লাগে আৰু ৰেগুলাৰ চেটেলমেণ্ট দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। ৰেগুলাৰ চেটেল মেণ্ট অন্যান্য মহল বিলাকৰ ক্ষেত্ৰতও দিব লাগে আৰু ছায়েষ্ট ৰিডাৰক দিব লাগে। তাৰ পাচত আমাৰ বন বিভাগৰ কাৰ্য্যালয় বিলাকৰ সন্মুখত কাঠৰ ডাঙৰ ডাঙৰ কুণ্ডা বা লগ বিলাক দমাই থোৱা দেখিবলৈ পোৱা যায়। ফলত সেই বিলাক বহুদিন পৰি থকাৰ কাৰণে পচি যায়। গতিকে এই বিলাক সময়মতে পাবলিক অকচন দি বিক্ৰী কৰি দিলে প্ৰায় ২০০ কৌটি টকা ৰাজহলৈ আহিব। লগতে যিবিলাক কাঠ বেআইনী ভাবে ৰখা হয় সেইবিলাক জব্দ কৰি নিলামত দিলে তাৰ পৰা যথেষ্ট পৰিমাণৰ টকা চৰকাৰৰ ৰাজহৰ ঘৰলৈ আহিব।

উপাধ্যক্ষ মহোদয়, আমাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিছে সেইখন প্ৰকৃততে এখন সমাজ সেৱী বাজেট বুলি মই কব খোজো। কিয়নো এই বাজেট খনত শিক্ষা, স্বাস্থ্য, আদি জন কল্যাণমুখী সেৱা সমূহত অধিক টকা খৰচ কৰাৰ কাৰণে ব্যৱস্থা ৰাখিছে আৰু সেই কাৰণে এই ৰাজেট খনক মই আদৰণি জনাইছো। এই বাজেট খনত যদিও যথেষ্ট ঘাটি দেখুউৱা হৈছে তথাপি মই এটা কথা কব খোজো যে এখন উন্নয়নশীল ৰাজ্য হিচাবে কাম কৰিবলৈ হলে সেই ৰাজ্য খনৰ বাজেটত ঘাটি হোৱা বিষয়টোত আচৰিত হব লগীয়া একো নাই। আজি অসমৰ ক্ষেত্ৰতে নহয় উন্নয়নশীল প্ৰায়বোৰ ৰাজ্যৰ ক্ষেত্ৰতে এই ঘাটি ৰাজেট দেখিবলৈ পোৱা যায় আৰু তাৰ কাৰণে আমি বিশেষ চিন্তা কৰিব লগীয়া নাই। কিন্তু এই খিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ যিবোৰ উৎপাদন মুখী বিভাগ বা প্ৰকল্প আছে সেইবোৰৰ পৰা যাতে ঠিক মতে উৎপাদন হয় তাৰ কাৰণে চকু দিয়া প্ৰয়োজন। আমাৰ কৃষি বিভাগৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে কৃষিৰ ক্ষেত্ৰত আমি যি পৰিমাণৰ ৰাজহ পাব লাগিছিল সেই ৰাজহৰ পৰিমাণ

কমি গৈছে আৰু তাৰ কাৰণে অডিটৰ জেনেৰেলৰ প্ৰতিবেদনতো এই বিষয়ে যথেষ্ট উল্লেখ কৰিছে। সেই কাৰণে এই বিষয়ত চৰকাৰে চকু দিব লাগে। তাৰোপৰি ভূমি ৰাজহৰ ক্ষেত্ৰতো আমাৰ যথেষ্ট টকা অনাদায় হৈ থকা কথা ইয়াত প্ৰকাশ পাইছে। এই টকাবোৰ সোনকালে আদায় কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। এই বাজেট খনত প্ৰায় ৩৭৫ কোটি টকাৰ ঘাটি দেখুৱা হৈছে যদিও মই ভাৱো আমাৰ সকলো ক্ষেত্ৰতে কৰ আৰু ৰাজহ সংগ্ৰহৰ কাৰণে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে আৰু সময় মতে এই ধন ৰাজভড়াললৈ আনি খৰচ কৰাৰ সুবিধা কৰিব পাৰিলে নিশ্চয় আমাৰ এই ঘাটিৰ পৰিমাণ হ্ৰাস কৰিব পৰা হব।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত প্ৰায় ৪৪ টা মান ৰাজহুৱা খণ্ড আছে আৰু এই খণ্ড সমূহৰ প্ৰায়বোৰেই লোকচান ভৰি থকা আমি দেখিবলৈ পাইছো। এই খণ্ড সমূহৰ ভিতৰত বিশেষকৈ বিদ্যুৎ, পৰিবহন আৰু অসম চাহ নিগমে আটাইতকৈ বেছি লোকচান ভৰি আছে। বিদ্যুৎ পৰিষদৰ বিষয়ে ইতিমধ্যে কেইবাজনো মাননীয় সদস্যই আলোচনা কৰিছে আৰু এই বিভাগটোৱে কিয় ইমান টকাৰ লোকচান ভৰিব লগা হৈছে সেই বিষয়ে দিহা পৰামৰ্শ আগবঢ়াইছে। এই বিভাগটোত যদিও আমাৰ পোনপটীয়া কৰ্ত্তৃত্ব নাই তথাপি এখন চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠান হিচাবেই এই বিভাগটোৰ ওপৰত চৰকাৰৰ পোনপটীয়া কৰ্ত্তৃত্ব ৰখাৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰয়োজন হলে আইন প্ৰণয়ন কৰি হলেও এই বিভাগটোক চৰকাৰৰ অধীনস্থ কৰি এই বিভাগটোত যিবিলাক অনিয়ম হব ধৰিছে সেইবোৰ নাইকিয়া কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু মোৰ বিশ্বাস তেনে কৰিলে এই বিভাগটোৱে কেতিয়াও লোকচান ভৰিব লগা নহব। পৰিবহন নিগমৰ ক্ষেত্ৰটো ঠিক তেনে কিছুমান খেলি মেলিৰ কাৰণেই লোকচান ভৰিব লগা হৈছে। মোৰ বোধৰে এই নিগমত গাড়ীৰ সংখ্যা অনুপাতে কৰ্মীৰ সংখ্যা বৃদ্ধি হৈছে। য'ত ৯০০ গাড়ী চলে তাত ৭০০০ কৰ্মী নিয়োগ কৰা হৈছে। য'ত ১ কোটি ৪০ লাখ টকা আয় হৈছে তাত ২ কোটি টকা খৰচ কৰা হৈছে। সেই কাৰণে ৰাজহুৱা প্ৰতিষ্ঠান নিগম বোৰত চৰকাৰে ভালদৰে দৃষ্টি দিব লগা হৈছে যাতে এই প্ৰতিষ্ঠান সমূহে স্বায়ত্ব শাসিতৰ সুবিধা লৈ চৰকাৰৰ লোক-

চানৰ বোজা বৃদ্ধি কৰিব নোৱাৰে তাৰ সুব্যৱস্থা কৰিব লাগে। ইয়াৰ লগে লগে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই খনক যি এখন মিতব্যয়ী বাজেট বুলি অভিহিত কৰিছে আৰু সেই ক্ষেত্ৰত বিভিন্ন সদস্য সকলে আলোচনা সমালোচনাৰ মাজেৰে যিবোৰ পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে মই অতি সুখ পাইছো আৰু এই বাজেটখনক এখন জনকল্যানমুখী বাজেট বুলি অভিহিত কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিছো।

* শ্ৰীমছিৰুদ্দিন শ্বেখ : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত যি খন বাজেট উত্থাপন কৰিলে সেই বাজেট খনৰ কাৰণে আমি যি আগ্ৰহেৰে বাট চাই আছিলো সেই আগ্ৰহক একেবাৰে হতাশ কৰি পেলাইছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই বাজেট খনৰ প্ৰথম বাক্যটোতে কোৱা হৈছে যে "১৯৮৮-৮৯ চনটো আছিল অসমৰ বাবে ইতিহাসত অভূতপূৰ্ব্ব বুলিব পৰা এক গভীৰ অৰ্থনৈতিক সংকটৰ বছৰ"। কিন্তু যোৱা বছৰটোত অসমৰ বানপানী সমস্যাকে ধৰি অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে অসমৰ ৰাইজে যিটো অৱস্থাৰে দিন কটাব লগীয়া হৈছিল তাৰ পৰিপ্ৰেক্ষিতত অহা বছৰটোৰ বাজেটৰ কাৰণে সকলোৱে যি আশাৰে বাট চায় আছিল সেই আশা এই বাজেটে মষিমূৰ কৰি পেলাইছে। এই বছৰৰ বাজেটত যি নতুন কৰ কাটলৰ ব্যৱস্থা কৰা হৈছে সেই কৰ কাটলৰ বোজাত আগৰে পৰা জুৰুলা হৈ থকা অসমৰ ৰাইজ আৰু দুগুণ কষ্ট ভোগ কৰিব লগা হব। আজি অন্য বিৰোধী দলৰ কথা নকলেও স্বয়ং এই চৰকাৰৰ পৃষ্ঠপোষক সদৌ অসম ছাত্ৰ সন্থাই এই বাজেটক সমালোচনা কৰিছে আৰু এই চৰকাৰৰ অমনোযোগিতাৰ কাৰণেই এনে হবলৈ পাইছে বুলি মত পোষণ কৰিছে। আজিৰ 'দৈনিক অসম' কাকতত এই সংক্ৰান্তত যথেষ্ট কথা প্ৰকাশ পাইছে আৰু তাত ছাত্ৰ সন্থাই চৰকাৰী আমোলা সকলে যুগুতাই দিয়া এখন বাজেটৰ ওপৰত ভিত্তি কৰিয়েই এই বাজেট প্ৰস্তুত কৰা কাৰণে এই চৰকাৰক কটু সমালোচনা কৰিছে। উপাধ্যক্ষ মহোদয়, এই বাজেট খনত যি খিনি কথা উল্লেখ কৰা হৈছে সেই ক্ষেত্ৰত কেইবাজনো সদস্যই ইতিমধ্যে তেওঁলোকৰ বক্তব্য ডাঙি ধৰিছে আৰু এই ক্ষেত্ৰত

---

* Speech not Corrected

ময়ো এক মত যে এই বাজেট খনত সৰ্ব সাধাৰণ ৰাইজৰ ওপৰত যি হেচাঁ পৰিব তাৰ কাৰণে কিছু পৰিমানে কেন্দ্ৰীয় চৰকাৰো দায়ী। কিন্তু সকলো ক্ষেত্ৰতে আমি কেন্দ্ৰীয় চৰকাৰক দোষাৰোপ কৰিলেই আমাৰ সমস্যা বা দোষবোৰ ঢাক খায় নাথাকিব।

মই এজন অসমৰ বিধান সভাৰ সদস্য হিচাবে অসমৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে বিৰোধিতা কৰা নাই। যদি কেন্দ্ৰীয় চৰকাৰক হেচা দিছে তেনেহলে মই সমালোচনা কৰিবলৈ নেযাওঁ। কিন্তু বাস্তৱ কথাটো চাব লাগিব। বাস্তৱ কথা বাদ দি যদি এক পক্ষীয় হিচাবে ৰাজনীতি কৰিবলৈ যায় সেইটো ঠিক নহয়। আমি যিহেতু ৰাজনৈতিক দলৰ পৰা আহিছো আমি ৰাজনীতি কৰিম। কিন্তু আমি অসমৰ ৰাইজক মাৰি অসমৰ ৰাইজক লৈ অৰ্থনৈতিক অৱস্থাৰ বাবে ৰাজনীতি কৰাটো উচিত নহয়। আমাৰ শাসক দলৰ সদস্য সকলে বাৰে বাৰে কৈ আছে আৰু আমাৰ বিৰোধী দল-পতিয়েও বাজেট বক্তৃতা ৰাখিছিল। তেখেতে কৈছিল এইটো পূৰ্ব্বৰ চৰকাৰৰ পৰিনাম, পূৰ্বৰ চৰকাৰৰ পৰাই হৈছে। কিন্তু সেইটো মাত্ৰ ৯৩ কোটি টকাহে কিন্তু ইমান হাজাৰ কিয় আহিব লগা হল।

চাৰ, আজি অৰ্থনৈতিক অৱস্থাৰ উন্নতি কৰিবলৈ গৈ কৰৰ যি হেঁচা মানুহৰ ওপৰত জাপি দিয়া হয় সেইটো চাব লাগিব। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছিলো—চুপাৰি, শাক-পাচলি, মাছ-মাংস আদিৰ ওপৰত যি কৰ বহুৱা হ'ল, প্ৰস্তুতকাৰকৰ ওপৰত যি কৰ বহুৱা হ'ল, দাম বাঢ়ি নাযাব নে? অসমৰ মানুহে মাছ মাংস, শাক-পাচলি নেখাই কি খাই থাকিব? ধৰি ললো ৰাজ্য খনৰ ঋণৰ হেচা মিটাবলৈ এইটো কৰা হৈছে। কিন্তু সেই অনুপাতে খৰচ বাঢ়ি গৈছে। সেইটো চোৱা হৈছে নে? লাহবিলাসৰ বাবে হোটেল সমূহত শতকৰা ত্ৰিশ পৰ্য্যন্ত কৰ লগোৱা হৈছে। কিন্তু চোৱা হৈছে নে হোটেলত কিমান মানুহ থাকিব। তাত পৰ্য্যতক থকাৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু সেই নহৈ আমাৰ অসমৰ ধুবুৰী, শিলচৰ, শিৱসাগৰ আদিৰ পৰা মানুহ আহিব আৰু তেওঁলোক হোটলত থাকিব। তাৰ পৰা তিনি শ বা পাচ শ টকা বাঢ়িব। কিন্তু পৰ্য্যটক সকল থাকিলে লাখ লাখ টকা আহিব, সেইটো ব্যৱস্থা লোৱা হোৱা নাই। কিছুমান বস্তু মই ইয়াত ক্লিয়াৰ কৰি দিব বিচাৰিছো। আজি আমাৰ কিছুমান বস্তু নিলাম হয় আৰু কিছুমান বস্তু

ডাক হয়। যদি এটা মহলত ২ কোটি টকা হয় তেতিয়া হলে সেইটো ১ কোটি টকাত দিয়া হয়। ১০ লাখ টকাৰ ৫ লাখত দিয়া হৈছে। আজি আমাৰ ইয়াত ৩৭৩ কোটি টকা ঘাটি হৈছে। ইয়াৰ বাবে আমাৰ সদনত কিছুমান সদস্যই উদ্বেগ প্ৰকাশ কৰিছে। আমাৰ ভৱিষ্যতে দিনৰ পিচত দিনে পইচা আৰু বাঢ়িব। পাচ লাখ দুই লাখ টকাত মহল দিয়াটো কোনো অৰ্থ নাই। এই কথাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই হওঁক আমাৰ শাসক দলৰ সদস্যই হওঁক, বিৰোধী দলৰ সদস্যই হওঁক বা ৰাইজেই হওঁক অৰ্থ নৈতিক ক্ষেত্ৰত আমাৰ চৰকাৰ সজাগ হোৱা নাই যে তাক সকলোৱে স্বীকাৰ কৰিব লাগিব। আজি পি, ডব্লিউ, ডি, ই এণ্ড, ডি, পাৰলিক্ হেল্থ আদি বিভাগত অপেন চিক্ৰেট হিচাবে কব পাৰি যে পাচ লাখৰ প্ৰজেক্ট লোৱা হৈছে, কিন্তু সেইটো এষ্টিমেটত দহ লাখ টকা ধৰা হৈছে। ছিফ ইঞ্জিনিয়াৰ, এচ. ই, একজিকিউটিভ ইঞ্জিনিয়াৰ আদিৰ পৰা এচ, এ. পৰ্য্যন্ত এই টকাৰ লগত জড়িত হৈ থাকে। তেখেত সকলে বুকুত হাত দি কওঁক যে আমি নাজানো। ছীফ ইঞ্জিনিয়াৰৰ পৰা আৰম্ভ কৰি মহৰি পৰ্য্যন্ত পইচা খাই আছে। কিন্তু এইটো বিচাৰ হোৱা নাই কিয় ? কোটি কোটি টকা খৰচ হৈ আছে। সেই বিলাক আমাৰ খৰচৰ শিতানত কিয় ধৰা হোৱা নাই ? সেইটো সত্য কথা অস্বীকাৰ কৰি কোনো লাভ নাই। অসমৰ পইচা বানপানীৰ নিচিনাকৈ বাহিৰত দি আছে, এইটো একেবাৰে সত্য কথা।

Shri A. F. Gulam Osmani : Sir, about the example they are mentioning, I say even the P. W. D. scheme of Rs. 200 is charged for one thousand worth of earth filling measurement. This may be enquired and a report be placed before the House and our Chairman, Estimate Committee will examine it.

শ্ৰীমছিৰুদ্দিন শ্বেখ : আৰু এটা কথা চাব, আমাৰ মাননীয় সদস্য শ্ৰীদেবেশ্বৰ ডাঙৰীয়াই যিটো কৈছে সেই কথাটো সচা কথা। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত স্বীকাৰ কৰিছে যে ৪৪ টা পাব্লিক আন্দাৰটেকিং আছে। এই ৩৭৩ কোটি টকা যোৱা বছৰৰহে ঘাটি, এই বছৰৰ নহয়। এইবাৰ

৩৭৩ কোটি টকাত উপনীত হৈছে। মই মুখ্যমন্ত্ৰী ডাঃশইকীয়াৰ বাজেট স্পীচখন পঢ়ি দিছো—ইয়াৰ বিনিময়ত কেৱল বিদ্যুৎ পৰিষদৰ পৰা সুতৰ বাবদ পাব লগা হৈ থকা ৪০৮ কোটি টকাকে ধৰি এই প্ৰতিষ্ঠানবোৰৰ পৰা হোৱা চৰকাৰৰ লোকচানৰ পৰিমাণ হ'ল ৭৩০ কোটি টকা। বিদ্যুৎ পৰিষদ, পথ পৰিবহন নিগম আৰু চাহ নিগমত হোৱা লোকচানৰ পৰিমাণেই অধিক। ৰাজহুৱা খণ্ড বিলাকৰ কৰ্মীৰ সংখ্যা আছিল ১৯৮০-৮১ চনত ৪৮,১৬৮ জন। ১৯৮৬-৮৭ চনত ৫৩,৩৬০ জনলৈ বৃদ্ধি পায়। উপাধ্যক্ষ মহোদয়, এই পাব্লিক আন্দাৰটেকিং বিলাক কিহৰ কাৰণে চৰকাৰে প্ৰতিষ্ঠা কৰিছে? জনসাধাৰণৰ সেৱাৰ কাৰণে--নে উপাৰ্জনৰ কাৰণে? যদি জনসাধাৰণৰ সেৱাৰ কাৰণে কৰিছে নিশ্চয় চৰকাৰৰ ফালৰ পৰা খৰচ কৰিব লাগিব। কিন্তু আজি আমাৰ মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰা ডাঙৰীয়াই, তেখেত এ-এচ-টি-চিৰ সভাপতি, তেখেতে কৈছে যে এই নিগম বিলাকত অধিক লোকচানৰ কাৰণ হৈছে অধিক কৰ্মচাৰী নিয়োগ। এইবিলাক কি ৰাজনৈতিক কাৰণত হৈছে নেকি? আজি ট্ৰাক, মিনিবাছ, বাছ আদিত ভাড়া বৃদ্ধিৰ কাৰণে প্ৰস্তাৱ আগবঢ়াইছে। কিন্তু এইটো যুক্তিসংগত হবনে? ইফালে আমাৰ ধৃষ্টতাৰ কাৰণে বছৰে বছৰে নিগম বিলাকত লাখ লাখ টকা লোকচান হব, নেলাগিলেও মানুহ নিযুক্তি দিব, আনফালে লোকচান পূৰাবৰ কাৰণে কৰ বা ভাড়া বৃদ্ধি কৰিব! এই বিলাক ৰাইজে মানি লব নে? মানিটো লবই লাগিব, নেমানিলেও উপায় নাই। কিন্তু বড়ো আন্দোলন যেনেকৈ হৈছে দিনক দিনে তেওঁলোক অৱহেলিত হৈ থকা কাৰণে, তেওঁলোকৰ কথা সময়মতে চিন্তা নকৰাৰ কাৰণে আজি এই ঘটনাবিলাক ঘটিছে। অসমৰ ৰাইজে কৰৰ বোজা আৰু কিমান বহন কৰিব? চৰকাৰৰ ভৰাল টনকিয়াল কৰিবৰ কাৰণে বাছ মটৰৰ ভাড়া বঢ়াই চৰকাৰৰ অৱহেলাৰ কাৰণে লক্ষ্য লক্ষ্য টকা লোকচান ভৰিব আৰু তাৰ বোজা ৰাইজে বহন কৰিব লাগিব। তাৰ কাৰণে ৰাইজৰ পিঠিৰ চাল যাব এইটো কেনেকুৱা কথা? ৰাইজে বাধ্যত পৰি এতিয়া সহ্য কৰিব কিন্তু এদিন অসহ্য হৈ পৰিব আৰু তেতিয়া বড়ো আন্দোলনৰ নিচিনা হব। বাজেট ঘাটি হৈছে তাৰ কাৰণে যিবিলাক অনাদায় কৰ দিবলগীয়া আছে সেইবিলাক উঠোৱাৰ চেষ্টা কৰা নাই। মুখ্যমন্ত্ৰী মহোদয়ে বাজেত বক্তৃতাত ৭৩০ কোটি আন্দাৰটেকিং বিলাকত

লোকচান হোৱা বুলি কৈছে আৰু কিছুমান আন্দাৰটেকিংয়ে এতিয়ালৈকে হিচাবকে দিয়া নাই যি কেইটাই হিচাব দিছে তাতেই ইমান। কিন্তু তেখেতে এই লোকচানৰ প্ৰতিকাৰৰ বিষয়ে কতো একো উল্লেখ কৰা নাই, লোকচান হৈছে বাদ দিয়া হৈ থাকক এনে ভাব লৈছে। ৰাইজে এইবিলাক কি সহ্য কৰিব লাগিব? দুস্কৃতি যদি বাঢ়ি যায় আমি নিগেটিভ হলেও আমাৰ ভাল হব। (সময়ৰ সংকেট)

মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই কৈছে আদিতে যে যিবিলাক কৰ বহুৱাইছে সেইবিলাক সম্পূৰ্ণভাবে উঠাই লব লাগে। ময়ো কৈছো বাজেটৰ ঘাটি পূৰাবৰ কাৰণে অনাদায় কৰ বিলাক সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰক। ৰাইজৰ ওপৰত কৰৰ বোজা জাপি দিব নালাগে। মই পুনৰবাৰ মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো এই কৰ বিলাক উঠাই লওঁক।

শেষত এই বাজেটখন হতাশজনক বাজেট, সম্পূৰ্ণ জনবিৰোধী বাজেট বুলি আখ্যা দি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

